# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JULY-AUGUST SESSION

No. : 6

The 5th August, 1991

Price : 22.00

# CONTENTS

## JULY-AUGUST SESSION

**Volume I, NO. : 6**

**Dated, the 5th August, 1991**


| | | Page |
|---|---|---|
| 1. | *Discussion During Zero Hour* | *1–15* |
| 2. | *Notice of Breach of Privilege* | *16–24* |
| 3. | *Ruling from the Chair* | *25–29* |
| 4. | *Matter Under Rule 301* | *30–34* |
| 5. | *Point of Order* | *34–38* |
| 6. | *Debate on Governor's Address* | *38–68* |
| 7. | *Adjournment* | *68* |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

*Monday, the 5th August, 1991.*

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur, with Shri Jiba Kanta Gogoi, Speaker in the Chair.

## DISCUSSION DURING ZERO HOUR

**Mr. Speaker :** I have received 12 number of notices for discussion on Zero Hour. Out of these 12, I have admitted for 3 notices. I have received a notice from Hon'ble Member, Shri Munin Mahanta on 3.8.91 on the subject "ব্যাপক খহনীয়া". Now, I call Shri Mahanta to speak on the matter.

★**শ্ৰীমুনীন মহন্ত ঃ** মাননীয় অধ্যক্ষ যোৱা ২-৮-৯১ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "মৰিগাওঁ সমষ্টিৰ লাহৰিঘাট চাৰ্কোলত ব্যাপক খহনীয়া" সম্পৰ্কত এটা বাতৰি ওলাইছে। এই বাতৰিটোৰ গোটেইখিনি পঢ়ি নিদিওঁ। বাতৰিটোত এই কথা কোৱা হৈছে যে ১৯৭৭ চনৰ পৰা সেই অঞ্চলটোত খহনীয়া আৰম্ভ হৈছে। এতিয়া লাহৰিঘাটৰ পৰা মৰিগাঁৱলৈ কিছু দূৰত্ব হ'লেও বিশেষজ্ঞসকলে কৈছে যে এই ধৰণে যদি খহনীয়া হৈ থাকে তেন্তে মৰিগাওঁ নগৰ পাবলৈ বেছি বছৰৰ প্ৰয়োজন নহ'ব। খহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে ১৯৮৯ চনত মৰিগাওঁ বান নিয়ন্ত্ৰণ বিভাগে শিলৰ বুৰুজৰ মথাউৰী বনাবৰ কাৰণে কেন্দ্ৰীয় জল সম্পদ উন্নয়ণ বিভাগত ৪৬ কোটি টকাৰ পৰিকল্পনা দাখিল কৰিছিল। বিভাগীয় মন্ত্ৰী মহোদয়ে জনাব লাগে যে কেন্দ্ৰীয় জল সম্পদ উন্নয়ণ বিভাগত যদি সেই প্ৰস্তাৱ উত্থাপন কৰা হৈছিল তেন্তে সেই সম্পৰ্কত এতিয়ালৈকে কি হ'ল ? এই মথাউৰী নিৰ্ম্মাণ নোহোৱাৰ ফলত সমগ্ৰ মৰিগাওঁ জিলাৰ অৰ্থনীতি ভাঙি পেলাইছে। ইয়াৰ ফলত কম পক্ষেও এশ কোটি টকাৰ সম্পত্তি নষ্ট কৰিছে। ১২ লাখ বিঘা খেতি মাটিৰ ভিতৰত ৭ লাখ বিঘা মাটিৰ ষ্টেণ্ডিং শস্য আহু, শালি, বাও ২০ হাজাৰ ঘৰ দুৱাৰ ভাঙি গৈছে। এই ৭ বিঘা মাটিৰ ৪-৫ লাখ বিঘা মাটিত বালি পৰি নষ্ট

★ *Speech not corrected*

হৈছে। মথাউৰী নিৰ্ম্মাণ সম্পৰ্কত যি ৪৬ কোটি টকাৰ প্ৰস্তাৱ আছে সেই সম্পৰ্কত বিভাগীয় মন্ত্ৰীৰ ওচৰত দাৱি ধৰিলো।

★**Shri Haren Bhumij (Minister, Flood Control) :** Speaker Sir, as the Hon'ble Member has raised a question at Zero Hour on floods of Marigaon district, Sir, I will need a little time so that I can submit a statement on it.

**Mr. Speaker :** Yes. again, I have received a Zero Hour notice from hon'ble Member, Shri Prafulla Kumar Mahanta on 4.8.91 on the subject of "সমূহীয়া ক্ষমাদান, কাৰ কথা সঁচা". Now, I would request Shri Mahanta to speak.

★**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা দৈনিক অসম বাতৰি কাকতত প্ৰকাশ পাইছে "সমূহীয়া ক্ষমা দান, কাৰ কথা সঁচা" ? আমি সকলোৱে জানো যে অসমত ইন্দিৰা কংগ্ৰেছ চৰকাৰ গঠন হোৱাৰ পিচত কেবাজনো উচ্চ পৰ্য্যায়ৰ চৰকাৰী বিষয়াক "কিদনেপ্" কৰাৰ পিছত ৮ জুলাই তাৰিখে মুখ্যমন্ত্ৰী ডাঙৰীয়াই সাধাৰণ ক্ষমা দান ঘোষণা কৰে। আইনগত বিষয়ত মুখ্য মন্ত্ৰীয়ে সাধাৰণ ক্ষমাদান কৰিব পাৰেনে নোৱাৰে সেই বিষয়টোলৈ বৰ্তমান মই যাব বিচৰা নাই। মুখ্য মন্ত্ৰী ডাঙৰীয়াই সাধাৰণ ক্ষমাদান কৰাৰ বিষয়ে ৯ জুলাইত সকলো বাতৰি কাকতত প্ৰকাশ হৈ গৈছে। অসম ট্ৰিবুনত লিখিছে It has decided to release some detains against whom where were no charges, to grant general amnesty. The State Govt. today decided to released all the ULFA Detains against whom there were no charges, it also decided to grant a general amnesty to all detenus against whom there were charges if the outlawed organisation released the 14 hostages being held by the organisation since July 1. ইত্যাদি। চাৰ্জ নোহোৱা ব্যক্তিক গ্ৰেপ্তাৰ কৰি অনিৰ্দ্দিষ্ট কাললৈ কাৰাগাৰত বন্দী কৰি ৰাখিব পাৰে নেকি ? এই গোটেই বাতৰিটো প্ৰকাশ হোৱাৰ পিচত দূৰদৰ্শন আৰু আকাশবাণী যোগে মুখ্যমন্ত্ৰী ডাঙৰীয়াই জনসাধাৰণক আহ্বান জনাইছে। ৯ জুলাইৰ দৈনিক জনমভূমিত কৈছে চৰকাৰে ৰাজ্যখনৰ শান্তিৰ স্বাৰ্থত সকলো আলফাক সাধাৰণ ক্ষমাদান ঘোষণা কৰে। অসমত শান্তি প্ৰতিস্থা হ'ব লাগে সকলো জনসাধাৰণে শান্তিৰে বসবাস কৰিব

★ *Speech not corrected*

লাগে। তাত লিখিছে গুৱাহাটী ৮ জুলাই ঃ পনবন্দী সকলৰ ক্ষেত্ৰত আলফাই নিৰ্দ্ধাৰণ কৰি দিয়া সময়সীমা উকলি যাবলৈ মাত্ৰ কুৰি ঘণ্টা বাকী থকা অৱস্থাত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই এক ৰাজহুৱা ঘোষণাৰ যোগে কাৰাবন্দী সকলো অলফাৰ সদস্য আৰু সমৰ্থকক সাধাৰণ ক্ষমাদানেৰে মুকলি কৰি দিয়াৰ সিদ্ধান্ত ঘোষণা কৰে। আকাশবাণী আৰু দূৰদৰ্শন যোগে দিয়া ভাষণত শ্ৰীশইকীয়া ডাঙৰীয়াই কয় ঃ "মুখ্যমন্ত্ৰীৰ দায়িত্বলৈ ৰাজ্যখনত শান্তি স্থাপনৰ বাবে মই সকলোৰে সহযোগিতা কামনা কৰিছিলো। সেই আবেদনে ভালেখিনি সহাঁৰিপোৱা পৰিলক্ষিত হৈছে। ভালেমান সংগঠনে এই ক্ষেত্ৰত সহযোগিতাৰ আশ্বাস দিছে। সেই সকলোৰে প্ৰতি মোৰ হৃদয় ভৰা কৃতজ্ঞতা জনাইছো। বহুত দিন ধৰি শান্তিৰ মুখ নেদেখা অসমৰ ৰাইজে মনে প্ৰাণে শান্তি বিচাৰিছে। সেয়েহে শান্তি পুনৰ প্ৰতিষ্ঠাই আমাৰ কাম হওঁক বুলি আমি আগৰে পৰাই দোহাৰি আহিছিলো"। এনে ধৰণৰ বক্তব্য ৰখাৰ পিচত উল্লেখ কৰিছে যে যিসকলৰ বিৰুদ্ধে কোনো চাৰ্জ নাই সেইসকলক এৰি দিয়া হৈছে আৰু যিসকলৰ বিৰুদ্ধে চাৰ্জ দিছে বিবেচনা কৰা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আৰু কৈছে যে "হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মেজলৈ অহাৰ বাবে আমি দিয়া সহাৰি জনালে সংগঠনটোৰ আন সকলো কৰ্মী আৰু সমৰ্থককেই অকনো ইতস্ততঃ নকৰাকৈ আমি মুকলি কৰি দিবলৈ বিচাৰিছো। বাতৰি কাকতৰ জৰিয়তে সংগঠনটোৱে ছজন কৰ্মীৰ মুক্তি বিচাৰিছে। কিন্তু শান্তিৰ স্বাৰ্থত আৰু আলোচনাৰ পৰিবেশ গঢ়ি তুলিবলৈ বুলি আমি সকলোৱে মুকলি কৰি দিবলৈ সিদ্ধান্ত কৰিছো। আমি আশা কৰিছো পণবন্দী ৰূপে আটক কৰি ৰখা ১৩ জন লোকক সকলোকে কোনো ক্ষয়-ক্ষতি নোহোৱাকৈ ততালিকে নিজ নিজ পৰিয়ালৰ ওচৰলৈ ঘুৰি যাবলৈ দি সংগঠনটোৱে এই প্ৰস্তাৱৰ প্ৰতি সহাৰি জনাব। সকলোকে মুক্তি কৰি দিয়াটো আমি মান মৰ্য্যদাৰ বা জয়-পৰাজয়ৰ প্ৰশ্ন বুলি ধৰা নাই। আমাৰেই সন্তান বা সৰু ল'ৰাৰ নিচিনা এচাম যুৱকৰ লগত আমি ভেদা ভেদ ভাৱ ৰখা নাই। আৰু সেয়েহে সমূহীয়া ক্ষমাদানৰ প্ৰস্তাৱ কৰোতে আমাৰ অকনো খোকোজা লগা নাই।" তেখেতে সকলোকে সমূহীয়া ক্ষমা দান কৰিলে এনে নহয়। তেখেতে সৰ্বদলীয় সভা আহ্বান কৰিলে। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ সভাপতিত্বত অনুস্থিত এই বৈঠকত ভাৰতীয় জনতা পাৰ্টি, কংগ্ৰেছ (এছ), চি, পি, আই, জনতাদল, সন্মিলিত সংখ্যালঘুমৰ্চা, এছ, ইউ, চি, আই, চি, পি, আই আৰু কংগ্ৰেছ (আই) দলৰ সভাত অংশ গ্ৰহণ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, সমূহীয়া ক্ষমাদান ঘোষণা কৰাৰ পিচত এই বিষয়ে 'টাইমচ অৱ ইন্দিয়া'ৰ বাতৰি কাকত প্ৰকাশ কৰিছে। এনেদৰে The North East Times Dt. August 1st...The. Govt. would announce general amnesty only when the militants would give up arms, release all the hostages and respond to the standing offer for negotiations, The Chief Minister, Mr. Hiteswar Saikia informed the Assembly on Wednesday. সৰ্বদলীয় সভাৰ জৰিয়তে তেখেতে অল ইন্দিয়া ৰেডিঅ', টি, ভি আদিৰ জৰিয়তে আহ্বান জনালে। আমি জনামতে চৰকাৰে বা মুখ্য মন্ত্ৰীয়ে অকলে সাধাৰণ ক্ষমাদান ঘোষণা কৰিব নোৱাৰে। ক্ষমাদান কৰিব পাৰে যদিহে ৰাজ্যপালৰ ৰিকমেনডেচন্ থাকে। এতিয়া কথা হ'ল মুখ্য মন্ত্ৰীক আলফাৰ লগত আলোচনা কৰাৰ বাবে সম্পূৰ্ণ অধিকাৰ প্ৰধান মন্ত্ৰীয়ে দিছে বুলি বাতৰি কাকতত প্ৰকাশ পাইছে, কিন্তু গৃহমন্ত্ৰীয়ে কৈছে যে এই অধিকাৰ দিয়া হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আমি ক'ত আছো? সভ্য দেশত আছোনে ক'ত আছো? সাধাৰণ ক্ষমাদান বা জেনেৰেল এমনেষ্টি বুলিলে কি বুজায়? এতিয়া তেখেতে ঘোষণা কৰিলে যে যিবিলাকৰ বিৰুদ্ধে অভিযোগ নাই সেইবিলাকক এৰি দিয়া হ'ব। আনহাতে মুখ্যমন্ত্ৰীৰ ক্ষমাদান সিদ্ধান্ত নে প্ৰস্তাৱ? এটা সিদ্ধান্ত হৈ যোৱাৰ পিচত প্ৰস্তাৱ হ'ব পাৰে নেকি? তেখেতে কৈছে প্ৰধান মন্ত্ৰী আৰু গৃহ মন্ত্ৰীৰ অনুমতি লৈ এইখিনি কৰিছে। কিন্তু মন্ত্ৰীয়ে কৈছে জেনেৰেল এমেনিষ্টি দিয়া হৈছে আৰু গৃহমন্ত্ৰীয়ে কৈছে দিয়া হোৱা নাই। মুখ্যমন্ত্ৰী মহোদয়ে সদনত তেখেতৰ বিবৃতিত কৈছে আৰু ৰাজ্যপালৰ ভাষণত আছে প্ৰধানমন্ত্ৰী গৃহমন্ত্ৰীৰ লগত সিদ্ধান্ত কৰি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, অসত্য কথা কোৱাৰ বহুতো পথ আছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি সদনক বিপথে পৰিচালিত কৰিছে। সদনত সঁচা কথা কোৱা উচিত। 'সমূহীয়া ক্ষমা দান' কৰা কথা সঁচা নে— প্ৰস্তাব কৰা সঁচা? বিধান সভাত দিয়া ভাষণত ৰাজ্যপাল শ্ৰীলোকনাথ মিশ্ৰই ক'ব পাৰে। বিধান সভাত মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই ক'ব পাৰে। কিন্তু আইন আৰু আদালতত থকা তথ্যপাতিয়ে নকয়। গুৱাহাটীত অৱস্থিত ৰাজ্যখনৰ দুয়োখন ডেজিগনেটেড আদালতে নকয়। অসম চৰকাৰৰ হৈ এডভোকেট জেনেৰেল আৰু পাব্লিক ডেজিগনেটেড আদালতত দিয়া আবেদনত নকয়। ডেজিগনেটেড আদালতত ৰাজ্য চৰকাৰৰ হৈ এডভোকেট

জেনেৰেল আৰু পাব্লিক প্ৰছেকিউটাৰে আলফাৰ সদস্য টাডা বন্দী সকলৰ মুক্তিৰ বাবে যি আবেদন দাখিল কৰে সেই আবেদনত 'এমনেষ্টি' স্পষ্টভাৱে উল্লেখ কৰা হয় আৰু সেই এমনেষ্টিৰ পৰিপ্ৰেক্ষিততে বন্দী সকলৰ মুক্তি প্ৰাৰ্থনা কৰা হয়। গতিকে সমূহীয়া ক্ষমাদান চৰকাৰৰ প্ৰস্তাৱ নাছিল সিদ্ধান্তহে আছিল। এতিয়া কোনতো সত্য মুখ্যমন্ত্ৰীয়ে সদনক জনাব লাগে।

ডেজিগনেটেড আদালতত দাখিল কৰা আবেদনত এনেকৈ কোৱা হৈছেঃ

এতিয়া আমাৰ প্ৰশ্ন হৈছে এই এমনেষ্টি বস্তুটো কি? এই সম্পৰ্কে স্পষ্টভাৱে ব্যাখ্যা কৰিব লাগে। বিভিন্ন হাইকোৰ্ট কিম্বা চুপ্ৰিম কোৰ্টৰ বিভিন্ন ৰায়ত এই কথাটো স্পষ্টভাৱে কোৱা আছে। এই ক্ষেত্ৰত এখন ৰাজ্যৰ মুখ্য মন্ত্ৰীয়ে জেনেৰেল এমনেষ্টি দিব পৰা বিষয়ে উল্লেখ নাই। ইয়াত এনেকৈ কোৱা হৈছে যে—

(1) That the Govt. of Assam has decided to release the above-mentioned accused in connection with the cases mentioned about in the petition in largest public interest involved in the case as a part of amnesty declared by the Govt. of Assam yesterday, July 8th 1991.

(2) That in view of the amnesty declared by the Govt. of Assam in view of the unusual development during the course of last few days in the state of Assam, it is considered expendient by the Govt. of Assam to move this Hon'ble court to pass appropriate order for releasing the above accused in connection with the cases mentioned above...........

(3) That this petition is filed bonafide on behalf of the State of Assam and the interest of justice, equity and good conscience.............

এতিয়া অসম চৰকাৰে এডভোকেট জেনেৰেল, পাবলিক প্ৰচিকিউটৰৰ জৰিয়তে দৰখাস্ত দিছে যে ৮ তাৰিখে ঘোষণা কৰা অনুসৰি "এমনেষ্টি"ৰ আওতাৰত এই কাৰাবন্দীসকলক ৰিলিজ কৰিব লাগে আৰু ইতিমধ্যে ৰিলিজ হোৱা সকলৰ লিষ্ট প্ৰকাশ কৰা হৈছে। কিন্তু এই লিষ্টখনো গন্দগোলীয়া। অধ্যক্ষ মহোদয়, সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিবৰ কাৰণে অসমৰ জনসাধাৰণক ভুল পথে পৰিচালিত কৰাৰ কাৰো অধিকাৰ নাই। যদি চৰকাৰে

প্ৰস্তাৱহে কৰিছে তেন্তে জেনেৰেল এমেনিষ্টি ঘোষণা কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে আৰু প্ৰকৃততে যদি চৰকাৰে সিদ্ধান্ত হৈছে সাধাৰণ ক্ষমাদান দিয়া বুলি তেনেহ'লে এইটো কথা ঘোষণা কৰিব লাগে যে আমি জেনেৰেল এমনেষ্টি দিছো সকলো টাডা বন্দীক আইনৰ ভিতৰত থাকিয়েই হওঁক বা বাহিৰত থাকিয়েই হওঁক। আমি আশা কৰিছো জেনেৰেল এমনেষ্টি প্ৰকৃততে দিয়া হৈছে নে নাই সেই কথাটো সদনৰ জৰিয়তে অসমৰ জনসাধাৰণক পৰিস্কাৰ কৰি দিব লাগে আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি সদনত জনাব লাগে। তেখেতৰ বিবৃতিত মাননীয় সদনত উল্লেখ কৰিছে জেনেৰেল এমনিষ্টিৰ চৰকাৰৰ প্ৰস্তাৱহে কিন্তু কৰ্টত এডভোকেট জেনেৰেল আৰু প্ৰচিডিউটৰে টাডা বন্দী সম্পৰ্কত যি সিদ্ধান্ত দিছে তাত এমনিষ্টি বুলি ঘোষণা কৰিছে। এতিয়া কোনতো সত্য চৰকাৰৰ সিদ্ধান্ত নে প্ৰস্তাৱ।

★**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, "দৈনিক অসম" বাতৰি কাকতৰ যোৱা ৪ আগষ্টৰ সংখ্যাত প্ৰকাশিত "সমূহীয়া ক্ষমা দান - কৰা কথা সঁচা ?" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সন্দৰ্ভত যোৱা ৮ জুলাইত দুৰদৰ্শন আৰু আকাশবাণীৰ যোগে মই দিয়া বিবৃতিৰ প্ৰতি সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো। এই বিবৃতিৰ যোগে ইতিমধ্যে সংযুক্ত মুক্তি বাহিনীক আলোচনাৰ মেজলৈ আমন্ত্ৰণ প্ৰসংগতে গুৰুতৰ ধৰণৰ অভিযোগ নথকা আলফা কৰ্ম্মী আৰু সমৰ্থকক মুকলি কৰি তেওঁলোকৰ পিতৃ-মাতৃৰ কাষলৈ ঘুৰাই পঠিওৱাৰ কথা কৈছিলো। সেইমতে তেওঁলোকক মুকলি কৰি দিবলৈ আজি নিৰ্দ্দেশ দিয়া হৈছে। কিন্তু আমি ইয়াতেই ৰৈ যাব খোজা নাই। হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মেজলৈ অহাৰ বাবে আমি দিয়া আমন্ত্ৰণত সহাঁৰি জনাই সংগঠনটোৱে আন সকলো কৰ্মী আৰু সমৰ্থকেই অকনো ইতস্ততঃ নকৰাকৈ আমি মুকলি কৰি দিবলৈ বিচাৰিছো। বাতৰি কাকতৰ জৰিয়তে সংগঠনটোৱে ছজন কৰ্মীৰ মুক্তি বিচাৰিছে, কিন্তু শান্তিৰ স্বাৰ্থত আৰু আলোচনাৰ পৰিবেশ গঢ়ি তুলিবলৈ বুলি আমি আটাইকে মুকলি কৰি দিবলৈ থিৰাং কৰিছো। সেয়ে সমূহীয়া ক্ষমাদান বা General Amnestryৰ প্ৰস্তাৱ কৰোতে আমাৰ অকনো খোকোজা লগা নাই।

মাননীয় ৰাজ্যপালৰ ৩০ জুলাই ভাষণতো সেই একে কথাকে দোহৰা হৈছে। ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছিল— "যদিহে অস্ত্ৰ শস্ত্ৰ পৰিত্যাগ কৰি আলোচনাৰ মেজলৈ আহিবৰ বাবে চৰকাৰে জনোৱা গোঁহাৰিৰ প্ৰতি

★ *Speech not corrected*

আলফাই সহঁাৰি জনায়, তেনেহ'লে চৰকাৰে গুৰুতৰ অভিযোগত জড়িতসকলকে ধৰি আটাইবোৰ কাৰাবন্দীক মুকলি কৰি দিব আৰু সাধাৰণ ক্ষমাদান মঞ্জুৰ কৰিব।

চৰকাৰী মুখপাত্ৰইয়ো ৩১ জুলাই তাৰিখে বিস্তৃত স্পষ্টীকৰণত কৈছিল যে সামূহিক ক্ষমাদান প্ৰস্তাবহে কৰা হৈছিল, টাডা বন্দীসকলক মুকলি কৰি দিয়া হৈছে যদিও গোচৰ সমুহ উঠাই লোৱা হোৱা নাই।

সংবিধানৰ ১৬১ অনুচ্ছেদৰ বিধান অনুসৰি ৰাজ্যপালক সমূহীয়া ক্ষমাদানৰ কৰ্ত্তৃত্ব দিয়া হৈছে। প্ৰয়োজন অনুসাৰে ৰাজ্যপালে মন্ত্ৰীসভাৰ উপদেশ অনুসৰি এই ক্ষমতাৰ প্ৰয়োগ কৰিব পাৰে। সেই কাৰনে সমূহীয়া ক্ষমাদান দিয়াত ৰাজ্য চৰকাৰৰ কোনো বাধা নাই।

সংযুক্ত মুক্তি বাহিনী, অসমৰ দ্বাৰা ৰাছিয়ান বিশেষজ্ঞ এজনকে ধৰি চৈধ্য গৰাকী বিষয়া-কৰ্ম্মচাৰীক অপহৰণ কৰা ঘটনাৰ পৰা ৰাজ্যখনত উদ্ভৱ হোৱা অস্বাভাৱিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মই দিয়া নীতিগত বিবৃতি অনুসাৰেই যোৱা ৮ জুলাই, ১৯৯১ তাৰিখে, টাডা বন্দীসকলক মুকলি কৰি দিয়াৰ উদ্দেশ্যে চৰকাৰৰ নীতিগত সিদ্ধান্ত কাৰ্য্যত ৰূপায়িত কৰাৰ অৰ্থে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰে এডভোকেট জেনেৰেলক নিৰ্দ্দেশ দিয়ে। মুকলি কৰি দিবলৈ ওলোৱা টাডাবন্দীসকলৰ মাজত সেই ছজনো আছিল, যাৰ মুক্তিৰ দাবীত বাহিনীয়ে সময়-সীমা এটা বান্ধি দিছিল। এডভোকেট জেনেৰেল ডাঙৰীয়াই ডেজিগনেটেড আদালতত এই সম্পৰ্কীয় আবেদন দাখিল কৰে। আবেদনত চৰকাৰৰ সাধাৰণ ক্ষমাদানৰ বাবে সদিচ্ছা আৰু টাডা বন্দীৰ মুক্তিৰ কথা স্পষ্টভাৱে উল্লেখ কৰা হৈছিল। তদনুসাৰেই, যিসকলৰ হৈ আৰু যি সকলৰ হকে আবেদন দাখিল কৰা হৈছিল, সেইসকল বন্দীক তেনে আবেদনৰ ভিত্তিত মুকলি কৰি দিয়াৰ আদেশ উপযুক্ত আদালতে জাৰি কৰিছিল। সেই মৰ্ম্মে উল্লেখিত ছজন দুৰ্দ্ধৰ্ষ টাডা বন্দীক যোৱা ৯-৭-৯১ তাৰিখে বিয়লি ৫ বজাত গুৱাহাটী আৰু শিলচৰ জেলৰ পৰা মোকোলাই দিয়া হয়। ইয়াৰ বিনিময়ত সংযুক্ত মুক্তি বাহিনীয়ে প্ৰতিশ্ৰুতি অনুসৰি দুজন পনবন্দী (১) ৰাছিয়ান খনি বিশেষজ্ঞ শ্ৰীছাৰ্গেই গ্ৰীছেঙ্কো আৰু (২) ONGCৰ শ্ৰীবি, এন, জয়ছোৱালক মুক্তি দিব লাগিছিল। কিন্তু অতি পৰিতাপৰ কথা যে সংযুক্ত মুক্তি বাহিনীয়ে তেওঁলোকৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰাত অপৰাগ হ'ল। মাত্ৰ শ্ৰীবি, এন, জয়ছোৱালক মুক্তি দিয়া হ'ল আৰু সংযুক্ত মুক্তি বাহিনীয়ে নিজে বান্ধি দিয়া সময় সীমা উকলি যোৱাৰ বহু আগতেই ৰাছিয়ান খনি বিশেষজ্ঞ গৰাকীক নৃশংসভাৱে হত্যা কৰা হ'ল।

চৰকাৰৰ ঘোষিত নীতি আৰু ন্যায়িক নথি-পত্ৰৰ মাজত এই সম্পৰ্কত কোনো ধৰণৰ বিৰোধে ঘটা নাই। চৰকাৰীভাৱে মই কৰা ঘোষণাত সদিচ্ছা নিহিত আছে তাৰ বিপৰীতে সংযুক্ত মুক্তি বাহিনীৰ পৰা ইতিবাচক সঁহাৰি এতিয়ালৈকে পোৱা নাই। বাহিনীয়ে পনবন্দী সকলকো আটাইকে মুক্তি দিয়া নাই। আনহাতে, অস্ত্ৰ-শস্ত্ৰ পৰিত্যাগ কৰি আলোচনাৰ মেজলৈকো আগবাঢ়ি অহাৰ ইচ্ছা ব্যক্ত কৰা নাই। সেই কাৰণেই চৰকাৰৰ সাধাৰণ ক্ষমা দানৰ প্ৰস্তাৱ আজিকোপতি একপক্ষীয় প্ৰস্তাৱ হৈ আছে। মই পুনৰ দোহাৰিছোঁ যে চৰকাৰ সাধাৰণ ক্ষমা দানৰ অৰ্থে লোৱা সিদ্ধান্ত কাৰ্য্যকৰী কৰিবলৈ বদ্ধপৰিকৰ। অৱশ্যে সংযুক্ত মুক্তি বাহিনীয়ে একে ধৰণৰ সদিচ্ছা মূলক সহাৰি দেখুৱাব লাগিব।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমহন্ত ডাঙৰীয়াই আৰু কেইটামান কথা কৈছে। মই ইতিমধ্যে যি খিনি কথা কৈছোঁ সেইখিনিৰ কোনো ধৰণৰ সাল-সলনি ঘটা নাই। জেনেৰেল এমেনেষ্টি বিষয়ে যি কথা খিনি কোৱা হৈছে আৰু মোৰ ভাষণটো স্পষ্ট আছে আৰু এতিয়াও আমি সেই কাম কৰি আছো। যিসকল টাডা বন্দীৰ বিৰুদ্ধে হেইনাচ চাৰ্জ নাই তেওঁলোকক মুক্তি দিয়া হৈছে আৰু যিসকলৰ বিৰুদ্ধে হেইনাচ চাৰ্জ আছে তেওঁলোককো মুক্তি দিয়াৰ কথা আছে যদিহে তেওঁলোকে হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মেজলৈ আহে। এই ক্ষেত্ৰত আমি কোনো সস্তিয়া পলিটিকচ্ কৰিব বিচৰা নাই। এই ক্ষেত্ৰত প্ৰকৃত কথাবোৰ চিন্তা কৰিহে কৰা হৈছে। তেখেতে আৰু এটা কথা কৈছে যে অসম চৰকাৰৰ এই ক্ষেত্ৰত সাংবিধানিক অধিকাৰ আছে নে নাই। সংবিধানৰ ১৬১ অনুচ্ছেদ অনুসৰি অসম চৰকাৰৰ এই ক্ষেত্ৰত অধিকাৰ আৰু দায়িত্ব আছে।

★**শ্ৰীঅতুল বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে অসম চৰকাৰে সাধাৰণ ক্ষমাদান দিয়া মাছিল নেকি ? ৰাজ্যপালৰ ভাষণত তাত এটা কথা উল্লেখ আছে যে— গুৰুতৰ অপৰাধত যি সকল লোক পৰিছে তেওঁলোকক আচলতে মুক্তি দিয়া হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে মই সাধাৰণ ক্ষমাদান দিয়া হৈছে বুলি বিভিন্ন সংগঠন, বাতৰিকাকতৰ প্ৰতিষ্ঠানক মাতি আনি আলোচনাত বহি জানিবলৈ দিলে আৰু বিভিন্ন বাতৰি কাকত, ৰেডিঅ্, টিভি মাধ্যমৰ দ্বাৰা একেৰাহে ৭ । ৮ দিন মান প্ৰচাৰ কৰিছে। সাধাৰণ ক্ষমাদান দিয়া হৈছে

★ *Speech not corrected*

বুলি কি কৌশলৰে একেৰাহে ৭।৮ দিন বাতৰি কাকতত, টি, ভি আৰু ৰেডিঅ্ যোগেদি ৰাইজৰ মাজত প্ৰচাৰ কৰিছে?

★**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰশ্ন মই উত্থাপন কৰিছিলো, ৰাজ্যপালৰ ভাষণত আৰু সিদিনা মুখ্যমন্ত্ৰী মহোদয়ৰ বিবৃতিত কোৱা হৈছে যে যিমান বিলাক কেচ কোৰ্টত উত্থাপন কৰা হৈছে সেইবিলাকৰ সিদ্ধান্ত কৰা হৈছে। 'আৰ্টিকল ১৬১ প্ৰভিজনত আছে Art. 161 : Power of Governor to grant pardons, etc. and to suspend, remit or commute sentences in certain cases– তেখেতে ক'বলৈ গৈছে চৰকাৰৰ ক্ষমতা আছে কিন্তু জেনেৰেল এমেনেষ্টি আৰু পাৰচনৰ মাজত পাৰ্থক্য আছে। এতিয়া প্ৰশ্ন হ'ল তেখেতে ইয়াত যিটো ক'লে আৰু কোৰ্টত যিটো ক'লে কোনটো সঁচা?

★**শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিবৃতিটোৰ এটা কথা ক'ব লাগে whether here was a decision of the cabinet to grant general amenesty to all TADA all forms or not, এই প্ৰশ্নটোৰ উত্তৰ দিব লাগে কিয়নো আমি ৰাইজক ক'ব লাগিব জেনেৰেল এমেনেষ্টি দিয়া হৈছে নে নাই? আৰু টাডা আইনত গ্ৰেপ্তাৰ হোৱা লোকসকলক গুৰুত্বৰ অপৰাধ হ'লেও কোনো শাস্তি দিব নোৱাৰিব নেকি তাৰ মানে টাডা আইনত সামৰিব নোৱাৰা লোকসকলকো গ্ৰেপ্তাৰ কৰা হৈছে নেকি? টাডা আইনত সামৰিব নলগা লোককো গ্ৰেপ্তাৰ কৰা হৈছে নেকি? এই বিষয়ে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে জনাবনে?

★**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনাব বিচাৰো জেনেৰেল এমেনেষ্টিৰ সিদ্ধান্ত হৈছে। প্ৰস্তাৱটো দুটা পাৰ্ট আছে, এটা সিদ্ধান্ত হৈছে জেনেৰেল এমেনিষ্টি দিয়া হৈছে সেই সকলৰ যি সকলৰ বিৰুদ্ধে কোনো হেইনিয়াচ ক্ৰাইম নাই আৰু যি সকলৰ বিৰুদ্ধে হেইনিয়াচ ক্ৰাইম আছে তেওঁলোকক এৰি দিয়া হোৱা নাই। কিন্তু ৰাচিয়ান ইঞ্জিনিয়াৰ আৰু জয়শোৱালৰ সংক্ৰান্তত যি কেইজনক এৰি দিয়া হৈছে সেইটো বিশেষ পৰিস্থিতিতহে এৰি দিয়া হৈছে। মাননীয় সদস্য মহন্ত ডাঙৰীয়াই '১৬১'ৰ কথা কৈছে সেইটো ঠিক আছে। Art. 161 : Power of Governor to grant pardons, etc. and to suspend, remit or commute sentences in certain cases- The Governor of a State shall have

★ *Speech not corrected*

the power to grant pardons, respitess or remissions of punishment or to suspend, remit or commute the sentence of any convicted of any offence against any relating to a matter to which the executive power of the State extends. माननीय अध्यक्ष महोदय, এটা কথা কাগজত ওলাইছে সেইটো অসত্য— যোৱা ৪ আগষ্ট তাৰিখৰ আজিৰ অসম কাকতত প্ৰকাশিত প্ৰচলিত বিধি ব্যৱস্থাত 'ক্ষমাদানৰ' কতৃত্ব চৰকাৰৰ আছেনে শিৰোনামাত লিখা মতে— অসমৰ মুখ্য মন্ত্ৰীয়ে যোৱা ৮ জুলাইত ঘোষণা কৰা 'সাধাৰণ ক্ষমাদান' কেবল যে এক ভ্ৰান্তিকাৰক প্ৰচেষ্টাহে আছিল সেই কথা এতিয়া ওলাই পৰিছে। সাধাৰণ ক্ষমাদান প্ৰসঙ্গত আমি অধিক স্পষ্ট হ'বলৈ অসমৰ প্ৰাক্তন এডভোকেট জেনেৰেল তথা জ্যেষ্ঠ অধিবক্তা শ্ৰীপাচু গোপাল বৰুৱাৰ ওচৰ চাপিছিলো। সাধাৰণ ক্ষমাদানৰ অভিধানিক অৰ্থ এনেকুৱা— কলিনছৰ সংক্ষিপ্ত অভিধান অনুসৰি চৰকাৰৰ বিপক্ষে কৰা অপৰাধৰ কাৰণে সাধাৰণ ক্ষমাদান আৰু কিছু সময়ৰ বাবে আইনৰ কাৰ্য্যকাৰিতা নিলম্বিত কৰি কোনো ভয় নোহোৱাকৈ অপৰাধীক নিজৰ দোষ স্বীকাৰ কৰাৰ সুবিধা দিয়া। আনপিনে অচবৰ্ণৰ সংক্ষিপ্ত আইন অভিধানৰ মতে ৰজাৰ দ্বাৰা সংসদৰ আইন অনুসৰি দোষ ঘটিত অপৰাধৰ কাৰণে ক্ষমাদান। শ্ৰীবৰুৱাই কয় যে সংবিধানৰ ৭ নং অনুচ্ছেদে ৰাষ্ট্ৰপতিক আৰু ১৬১ অনুচ্ছেদে ৰাজ্যৰ ৰাজ্যপালক ক্ষমাদানৰ কতৃত্ব দিছে। দেখাত এনে ক্ষমতা দুয়োগৰাকী মূৰব্বীৰ ক্ষেত্ৰত একে হ'লেও প্ৰকৃততে পাৰ্থক্য বহুত আছে। এনে ক্ষমতা প্ৰয়োগ কৰি ৰাষ্ট্ৰপতিয়ে মৃত্যু দণ্ডৰে দণ্ডিত বা সামৰিক আদালতে দিয়া শাস্তিৰ পৰাও অপৰাধীক ক্ষমাদান কৰিব পাৰে। কিন্তু ৰাজ্যপালক এই ক্ষমতা সংবিধানে দিয়া নাই। আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল যে সংবিধান পদত্ত এই ক্ষমাদানৰ ক্ষমতা ৰাষ্ট্ৰপতি নাইবা ৰাজ্যপালে প্ৰয়োগ কৰিব পাৰে তেতিয়াহে যেতিয়া এজন অপৰাধীক দোষী সাব্যষ্ট কৰি দণ্ড ঘোষণা কৰা হয়। শাস্তি ঘোষণা কৰাৰ আগেয়ে ক্ষমাদানৰ ব্যৱস্থা সংবিধানত নাই। শ্ৰীবৰুৱাই কয় যে ফৌজদাৰী কাৰ্য্যবিধিৰ দ্বাৰা ৪৩২, ৪৩৩ আৰু ৪৩৪ য়ে আদালতে দিয়া দণ্ড নিলম্বিত বা কমাই দিয়াৰ কতৃত্ব ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰক দিছে যদিও সংবিধান বা ফৌজদাৰী কাৰ্য্যবিধি মতে অভিযুক্ত দোষীক আদালতে দায়ী বুলি ৰায় দি শাস্তি ঘোষণা নকৰা পৰ্যন্ত ক্ষমাদান কৰা নতুবা দণ্ড নিলম্বিত কৰা বা হ্ৰাস কৰাৰ কতৃত্ব দিয়া হোৱা নাই। তেনেস্থলত অভিযুক্ত এজনক আদালতে দোষী বুলি ৰায় দিয়াৰ আগেয়ে ফৌজদাৰী আইন অনুসৰি ক্ষমাদানৰ প্ৰক্ৰিয়া প্ৰয়োগ কৰিব

পাৰে জানো ? আৰু যদি অভিযুক্ত জন এক বিশেষ আইনৰ আধাৰত, উদাহৰণ স্বৰূপে সন্ত্ৰাসবাদী আৰু ধ্বংসাত্মক নিৰোধক আইনত যদি অভিযুক্ত হয় তেন্তে সেই আইন অনুসৰি আদালতে শাস্তি ঘোষণা কৰাৰ আগেয়ে তেনে ব্যক্তিক ক্ষমাদান কৰিব পৰা যায়নে ? যদি শাস্তি প্ৰদানৰ আগতে অভিযুক্তজনৰ বিচাৰ ফৌজদাৰী কাৰ্যবিধি আইন অনুসৰি হয় তেন্তে সেই আইনৰে ৩২১ ধাৰা মতে অভিযুক্ত দোষৰ বিচাৰৰ পৰা সেই অভিযুক্ত জনক অব্যাহতি দিব পৰা যায়। শ্ৰীবৰুৱাৰ মতে টাডা আইনৰ অভিযুক্তজনক গোচৰৰ পৰা অব্যাহতি দানৰ ব্যৱস্থা নাই। তেওঁ কয় টাডা আইনৰ ব্যৱস্থাৱলী অত্যন্ত কঠিন আৰু ফৌজদাৰী কাৰ্যবিধি আইনৰ সকলোবোৰ ধাৰা টাডা আইনৰ অধিনৰ বিচাৰ ব্যৱস্থাত প্ৰযোজ্য নহয়। ফৌজদাৰী কাৰ্যবিধি কেৱল (কেইটামান ধাৰাহে) 'টাডা' আইনৰ অধীনৰ বিচাৰৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। আৰু এই কেইটাৰ ভিতৰত ৩২১ ধাৰাটো অৰ্ন্তভুক্ত নহয়। গতিকে টাডা আইনৰ অধিনত অভিযুক্ত আচামিক ক্ষমাদান কৰিবলৈ হ'লে সেই আইনৰ সংশোধন ঘটাব লাগিব। বৰ্ত্তমান তেনে ক্ষমতা চৰকাৰক আইনখনে দিয়া নাই। মই কব বিচাৰিছো জেনেৰেল এমেনিষ্টি দিব পৰা অধিকাৰ ৰাজ্যিক চৰকাৰৰ আছে। আন্দাৰট্ৰায়েল কো আছে।

**Mr. Speaker :** There is no scope for any discussion. You are to raise it only. I have received another notice also from Hon'ble member Shri Binod Gowala. I call upon him to speak on the matter.

**★শ্ৰীবিনোদ গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি দৈনিক অসম কাকতত প্ৰকাশিত হোৱা 'পাটকাই ধ্বংস অব্যাহত অভিযোগ শিৰোনামাত যিটো বাতৰি প্ৰকাশ পাইছে সেই সন্দৰ্ভত মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো 'পাটকাই পাহাৰমালাত ক'ল ইন্দিয়া লিমিটেডে এতিয়াও পূৰ্ণ গতিত যান্ত্ৰিক মুক্ত খনন কাৰ্য্য চলাই থকাত মাৰ্ঘেৰিটা, লিডু আদি অঞ্চলত পৰিবেশৰ সংকটজনক অৱনতি ঘটিছেবুলি অসম ছাত্ৰ বিজ্ঞান সমিতিৰ সভাপতি শ্ৰীমনোজ কুমাৰ পাটোৱাৰীয়ে উদ্বেগ প্ৰকাশ কৰিছে। অলপতে শ্ৰীপাটোৱাৰীৰ নেতৃত্বত এটা পৰিবেশ কৰ্ম্মীৰ দলে এই অঞ্চলবোৰক পৰিদৰ্শন কৰাৰ কালত ক'ল ইন্দিয়া লিমিটেডে অসম তথা ভাৰত চৰকাৰৰ বিভিন্ন পৰিবেশ অমান্য কৰি থকাটো দেখিবলৈ পায়। সেইদৰে

★ *Speech not corrected*

১৯৮৯ চনৰ ৭ জুনৰ দিনা কেন্দ্ৰীয় পৰিবেশ আৰু বন মন্ত্ৰানালয় চিঠি যোগে সংসদ সদস্য ডঃ নগেন শইকীয়াক এই সন্দৰ্ভত ক'ল ইন্দিয়া কত্তৃপক্ষক যিবোৰ নিৰ্দ্দেশ দিয়া বুলি জনোৱা হৈছিল, সেইবোৰ ক'ল ইন্দিয়াই কু-কৌশলৰে অমান্য কৰিছে। বহুত গছ থকা একোখন উৰ্দ্ধ মাটিৰ পাহাৰ গভীৰ হ্ৰদলৈ ৰূপান্তৰীত কৰাৰ পাচত তাত জমা হোৱা বিষাক্ত পানী আজিয়ো ১৯৮৬ চনৰ পৰিবেশ আইন (সংৰক্ষণ) আৰু ১৯৭৪ চনৰ পানী (প্ৰদুষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ) আইন ভংগ কৰি চৌপাশৰ জনবসতিলৈ নিৰ্গত কৰি থকাত অঞ্চলটোৰ খোৱা পানীৰ তিব্ৰ সংকটে দেখা দিছে।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিনিধিৰ দলটোৰ আগত শ্ৰীমতী ডালিমী টাংচাই কেনেকৈ বিশুদ্ধ খোৱা পানীৰ অভাৱত তেওঁৰ দুটাকৈ শিশু মৃত্যুমুখত পৰিছে— তাক ক্ষোভেৰে প্ৰকাশ কৰিছিল। আনহাতে খেতিৰ ব্যৱসায় আদি অচল হৈ পৰাত স্থানীয় মানুহ খিনিয়ে এতিয়া অসামাজিক ব্যৱসায়লৈও ধাবিত হোৱাৰ আশংকা আছে বুলি তেওঁ মত প্ৰকাশ কৰিছে।

অধ্যক্ষ মহোদয়, নামৰূপ সাৰ কাৰখানাৰ অলাগতিয়াল বিষাক্ত ৰসায়নিক পদাৰ্থ সমূহক দিল্লী নদীত এৰি দিয়ে। ফলত এই নদীৰ পানী মানুহৰ খোৱাৰ অনুপযোগী আৰু পশুৰো অযোগ্য। প্ৰতিবছৰে এই নদীৰ পানী খাই ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ হাজাৰ হাজাৰ পশুধনৰ মৃত্যু হয়। পানীৰ অভাৱত আৰু অজ্ঞানতাৰ ফলত বহু মানুহ চিৰ ৰুগীয়া আৰু বিকলাংগ হয়। তাৰোপৰি প্ৰদূষণ গোটেই অসমৰে বিশেষ সমস্যা। মুক্ত কয়লা খনন কাৰ্য্যত এই অঞ্চল বায়ু মণ্ডল দূষীত হৈ জনসাধাৰণৰ জীৱনী শক্তি হ্ৰাস কৰিছে। গতিকে অধ্যক্ষ মহোদয়, আজি অসমত প্ৰদূষণৰ জৰিয়তে যি সমস্যাৰ সৃষ্টি হৈছে সেই সমস্যা সমাধানৰ ক্ষেত্ৰত মই আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয় এটা বাস্তৱ বিবৃতি দিবলৈ অনুৰোধ জনাইছো।

★**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ক'ল ইণ্ডিয়া লিমিটেডৰ উত্তৰ পূৰ্ব্বাঞ্চলীয় কয়লাখনিৰ মুক্তখাদ সমূহ মাৰ্ঘেৰিটা লিডু অঞ্চলৰ টিকক টিৰাপ পাহাৰত আৰু নামৰূপৰ ওচৰত দিল্লী জয়পুৰ অঞ্চলত অৱস্থিত।

ক'ল ইণ্ডিয়া কৰ্ত্তৃপক্ষই ১৯৭৭ চনৰ পৰাই দৈহিক প্ৰথাৰ দ্বাৰা (Manually) মুক্ত খাদৰ পৰা কয়লা আহৰণ কৰি আহিছে। বৰ্ত্তমানে ক'ল ইণ্ডিয়া কৰ্তৃপক্ষই যান্ত্ৰিক পদ্ধতি ব্যৱহাৰ কৰি টিকক আৰু লিডু টিৰাপ

★ *Speech not corrected*

অঞ্চলত মুক্ত খনন কাৰ্য্য চলাই আছে।

মুক্তখনন কাৰ্য্যত যান্ত্রিক পদ্ধতিত মাটি-শিল আদি কয়লাৰ ওপৰত থকা তৰপটো গুচাবৰ বাবে ক'ল ইণ্ডিয়াই গধুৰ যন্ত্রপাতি ব্যৱহাৰ কৰিছে। কয়লাৰ ওপৰত থকা স্তৰটো ক্রমে গুচাই পাহাৰৰ ওপৰতে জমা কৰি ৰাখিছে নতুবা ওচৰৰে পাহাৰৰ পাদদেশৰ সমতল বা দ ঠাইত জমা কৰি ৰাখিছে। এই বৃহৎ পৰিমাণৰ মাটি, শিল, চূণ জাতীয় পদাৰ্থ (over burden) কৰি ৰখা ব্যৱস্থা বিজ্ঞান সন্মত নোহোৱাৰ বাবে এই আৱৰ্জনা দ'ম কৰি ৰখা স্থানৰ পৰা বৰ্ষাকালত বৰষুণৰ পানীৰ দ্বাৰা এইবোৰ প্ৰবাহিত হৈ পাহাৰৰ পাদদেশত থকা কৃষি ভূমি, সমতল ভূমি আৰু জান-জুৰি, নদ-নদীৰ উপত্যকাত অৱক্ষেপন হোৱাৰ দ্বাৰা কৃষি ভূমিৰ ক্ষতি সাধন কৰাৰ বাতৰি পোৱা যায়।

মুক্তখনন কাৰ্য্যৰ দ্বাৰা ওপৰৰে আৱৰণটো গুচাই পেলোৱাৰ বাবদ এক বিস্তৃত অঞ্চলত নিৰ্ধনীকৰণ হৈছে। একে দৰেই খাদৰ পৰা তুলি অনা মাটি শিল আৰু চুণ পদাৰ্থ জমা কৰাৰ পৰাও অপকাৰ হৈছে।

এই অভিযোগবোৰ সত্যতা নিৰুপন কৰিবৰ বাবে অসম প্ৰদূষণ নিবাৰণ পৰিষদৰ তৰফৰ পৰা ১৯৮৮ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত এটা জৰীপ চলোৱা হয় আৰু এই প্ৰতিবেদন প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে চৰকাৰৰ ওচৰত দাখিল কৰে (পৰিশিষ্ট-ক)। এই প্ৰতিবেদন চৰকাৰে পোৱাৰ পিচত মুক্ত খনন কাৰ্য্যৰ দ্বাৰা হোৱা পৰিবেশ বিনষ্টকৰণ পুনৰোদ্ধাৰ কৰিবৰ বাবে উপায় উদ্ভাৱন কৰা আৰু ইয়াক ব্যৱহাৰ কৰাৰ পৰ্য্যবেক্ষণ কৰিবৰ বাবে এটা উচ্চ স্তৰীয় সমিতি (Expert Committee) গঠন কৰি দিয়ে। Expert Committeeয়ে মুক্তখনন কৰ্য্য কৰা স্থান পৰিদৰ্শন কৰি তলত দিয়া পৰামৰ্শ ডাঙি ধৰে আৰু চৰকাৰে ইয়াক কাৰ্য্যত পৰিণত কৰিবৰ বাবে ক'ল ইণ্ডিয়া কৰ্তৃপক্ষক নিৰ্দ্দেশ দিয়ে।

1. Relocation the depleted areas with green covers of vegetation is to be done in the areas where open cast mining is already done.
2. Coal India Ltd. should have technical expertise for soil conservation in the executive level.
3. Toe-dam, Terracing and Afforestation in a proper perspective way to be done by Coal India Ltd.
4. Terraces to be designed properly to guide disposal of excess accumulated water.

5. Terraces to be brought under protective vegelotive cover of luminous climbers etc.

6. Overland flow drains are to be constructed at proper places.

7. Dumping sites for over burden (OB) are to be identified.

8. After extraction of Coal, overburden material should be trasported back to the excavation sites.

9. Overburden slopes should be 1:3 to 1:5. Toe-dams should be designed to hold the soil mass.

10. OB disposal should be done in a planned way.

11. Solid waste management is to be done in a scientific way.

12. Land use plan for pre-operation, operational and post operational phases of mine is to be prepared.

13. Action plan for minimizing adverse environmental impacts from the mining activities is to be prepared for pre-operational, operational and post-operational phases.

14. Case to be taken prevent land side from OB dump to foot hill.

15. Drainage pattern of the mining and nearby areas to be studied.

16. Control measures is to be adopted to stop flow of fitness and solid waste's from mixing opens.

17. Dumping of tailing on the bank of Tipong River should be stopped.

18. To ascertain the effect on agricultural land help of AAU is to be brought.

19. Discharge of objectionable effluents into surface water to be controlled.
20. Effluent Treatment Plant (ETP) to be constructed for all the mines.
21. Proper materials of construction are to be selected the ETP.
22. Dust suppression and extraction facilities at Coal handling plants. Crushing and screening units are to be provided.
23. Plantation of dense belt of trees on roadside is to be made.
24. Care to be taken to minimise noise.

এই অনুমোদন সমূহৰ ওপৰত ক'ল ইণ্ডিয়াই কৰিবলগীয়া কাৰ্য্য সমূহ চৰকাৰৰ বিভিন্ন বিভাগ সমূহে পৰ্য্যবেক্ষণ কৰি আছে। (Expert Committee recommendation) পৰিশিষ্ট 'খ' গাঠি দিয়া হৈছে।

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তৰফৰ পৰা Expert Committee য়ে দিয়া পৰামৰ্শসমূহ ক'ল ইণ্ডিয়া কৰ্তৃপক্ষই কেনেদৰে ৰূপায়ণ কৰিছে তাক সময়ে সময়ে পৰ্য্যবেক্ষণ কৰি থকা হয়। এই সংক্ৰান্তত সময়ে সময়ে ক'ল ইণ্ডিয়া কৰ্তপক্ষৰ লগত চৰকাৰে তেওঁলোকৰ লগত পৰিবেশ সংৰক্ষণ সংক্ৰান্তত লোৱা পৰিস্থিতি পৰ্য্যালোচনা কৰি আছে। (পৰিশিষ্ট 'গ')।

খেতিৰ মাটিত ক'ল ইণ্ডিয়াৰ মুক্ত খনন কাৰ্য্যৰ দ্বাৰা হোৱা অভিযোগ অধ্যয়ন কৰিবৰ বাবে চৰকাৰে মাৰ্ঘেৰিটাৰ মহকুমাধিপতিৰ তত্বাৱধানত ১৯৮৯ চনৰ ৪ নবেম্বৰত এটা অধ্যয়ন দল গঠন কৰি দিয়ে আৰু ইয়াৰ প্ৰতিবেদন এতিয়ালৈ পোৱা হোৱা নাই।

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ অনুসৰি ক'ল ইণ্ডিয়া কৰ্তপক্ষই টিকক পাহাৰত মুক্ত খনন কাৰ্য্য ৫ এপ্ৰিল, ১৯৯০ চনৰ পৰা বন্ধ ৰাখিছে। যদিও মুক্ত অৱস্থাত থকা কয়লাৰ তৰপবোৰৰ জুই লগা সম্ভাৱনীয়তাৰ পৰা ৰক্ষা পাবৰ বাবে ক'ল ইণ্ডিয়া কৰ্তপক্ষই এই তৰপবোৰ আঁতৰাই (decoaling) খালী ঠাই সমূহত মাটিৰে পুৰোৱাৰ ব্যৱস্থা হাতত লৈছে। এই ব্যৱস্থাটো কেন্দ্ৰীয় চৰকাৰৰ মুক্ত খনন কাৰ্য্য বন্ধ কৰাৰ নিৰ্দ্দেশাৱলীৰ পৰিপ্ৰেক্ষিতত পৰিবেশ সংৰক্ষণৰ অৰ্থে লোৱা ব্যৱস্থাৰ অন্যতম।

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ বিশেষজ্ঞই এই বছৰৰ মাৰ্চমাহতে

ক'ল ইণ্ডিয়াই লোৱা ব্যৱস্থাৱলীৰ পৰ্য্যবেক্ষণ কৰি তলত উল্লেখ কৰা ব্যৱস্থা লোৱা দেখা যায়।

১। মুক্তখনন কাৰ্য্যত ওলোৱা ময়লা পানী পৰিশোধন কৰিবৰ বাবে লিডুত স্থাপন কৰা পৰিশোধ গোটত শোধন কৰাৰ ব্যৱস্থা কৰিছে। এনে পৰিশোধন গোট ক'ল ইণ্ডিয়াৰ অন্য খনি কেইটাত পৰ্য্যায়ক্ৰমে স্থাপন কৰাৰ ব্যৱস্থা কৰিছে।

২। মুক্তখনন কাৰ্য্যৰ দ্বাৰা কয়লা আহৰণ কৰাৰ পিচত সৃষ্টি হোৱা গাওঁ সমূহত পানী জমা হোৱাটো সঁচা। কিন্তু ইয়াৰ পৰা পানী ওলাই তললৈ যোৱাৰ সম্ভাৱনা নাই।

৩। উক্ত গাওঁ সমূহ পৰ্য্যায়ক্ৰমে মাটিৰে পূৰণ কৰি পুনৰোদ্ধাৰ কৰাৰ পিচত গছ-গছনি ৰোৱাৰ ব্যৱস্থা কৰিছে। ১৯৮৭ চনৰ পিচৰে পৰা ক'ল ইণ্ডিয়াই এইদৰে পুনৰোদ্ধাৰ কৰা ঠাই সমূহত কৰা বনানী কৰণে সেই স্থান সমূহৰ উন্নতি সাধন কৰিছে।

**Mr. Speaker :** I have received Zero Hour notices from the Honourable members Shri Bharat Chandra Narah, Shri Chandra Mohan Patowary, Shri Dilip Kumar Saikia, Shri Mission Ranjan Das, Shri Nizamuddin Khan, Shri Sashakamal Handique, Moulana Abdul Jalil Ragibi, Shri Paniram Rabha, and Shri Hiteswar Deka, Altogether I have received 12 zero hour notices and as rule permits, I have selected three only. Shri Chandra Mohan Patowary to speak on coal royalty, but cannot allow it and I express my regret. I have received a notice to a privilege motion from Shri Holiram Terang and I request him to speak on the admissibility only for 5 minutes.

## NOTICE OF BREACH OF PRIVILEGE

★**Shri Holiram Terang :** Mr. Speaker Sir, I had submitted a notice under Rule 158 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly. I would like to move a breach of privilege motion in this House against Minister incharge Parliamentary Affairs. He has mislead the House on the question of Adjournment Motion

★ *Speech not corrected*

moved on the matter of arrest of Rajendra Rongpi during the course of debate on the admissibility of the Adjournment Motion regarding 24 hours. Bound moved by myself, Sashakamal Handique, Parameswar Brahma and Promod Gogoi on 31st of July. In reply to all our submissions, the Honourable Minister for Parliamentary Affairs has mentioned that the court did not allow release of Shri Rongpi on bail. Sir, basing on the submission made by the Minister for Parliamentary Affairs, you have also given your ruling. I quote from your Ruling. You have said, "I fully agree with the honourable members that the matter is definite but when the Minister Parliamentary Affairs disputed the facts stated in the motion, I must pay greater emphasis and accept the submission of the Hon'ble Minister, Parliamentary Affairs."

Now Sir, I challenge that no bail was sought in any court to release Shri Rajen Rongpi and if no bail was sought by any one in any court of India, then, how can a court refuse the bail. He has either mislead the house and he has mislead you to give a ruling. And the most important fact is that the Hon'ble Minister of Parliamentary. Affairs is one of the most senior Minister of the House and he is supposed to be through about all the facts and procedure of this House. If a member or Legislator gives all the incorrect facts and misleads this House, Sir, I do not know what can be more important. Sir, ruling- 58 says that a breach of privilege either by a Member of the House or by a Committee thereon, may be given in this House by complaining all the Members. So, I bring this because this is the breach of privilege of this House and he says that Ruling 160 gives the condition of admissibility. He says the right to raise two governing points that not more that one question should be raised. Secondly, that matter should be restricted to specific matter which shall be important and this happens so. and No. 3, the matter requested the intervention of the House and if this matter does not require intervention of the House, then

which can be more important. I do not know, Sir, which will be more important. Sir, I submit that this is a very much fit case for privilege motion.

★**শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিশেষ অধিকাৰ প্ৰসঙ্গত প্ৰস্তাৱৰ ওপৰত কবলৈ বিচাৰিছো। সংসদী পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই যদি গোটেই সদনক বিপথে পৰিচালিত কৰি থাকে তেতিয়া হ'লে— গ্ৰহণ নকৰাৰ কাৰণে তেখেতে বক্তব্য ৰাখিছে, এইটো ভুল কৰা হৈছে। তেখেতে এই কথাখিনি 'ইন্টেনচনেলী' কৈছিল। অধ্যক্ষ মহোদয়, তেখেতে সদনক বিপথে পৰিচালিত কৰিবৰ কাৰণে নিৰ্দ্দিষ্ট লক্ষ্য আগত ৰাখিয়ে কৰিছিল। এইটোৱে পোনপতীয়াকৈ সদনৰ বিশেষ অধিকাৰ ভঙ্গ কৰিছে। আপুনি এটা ব্যৱস্থা হাতত লব পাৰে। আৰু এটা কথা কৈছে যদি কমিটি নাথাকে তেতিয়া হ'লে 'এডভাইচৰী' কমিটিত দিব লাগে নহ'লে 'স্পেচিয়েল কমিটি'ত দিব পাৰে। এই নিৰ্দ্দিষ্ট লক্ষ্য আগত ৰাখিয়ে সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে তেখেতৰ বক্তব্য ৰাখিছে যে 'এডৰ্জনমেণ্ট মোচন এডমিট' কৰিব নালাগে। যদি মন্ত্ৰী মহোদয়ে অজ্ঞাত ভাবে কৈছিল তেতিয়া হ'লে আমাৰ আপত্তি নাছিল আৰু যদি জ্ঞাত ভাবে কৈছে তেতিয়া হ'লে দোষণীয় হৈছে। অধ্যক্ষ মহোদয়, এখন বিশেষ কমিটি গঠন কৰি দিয়াৰ বাবে মই অনুৰোধ জনাইছো।

**Conduct of Members :** In order to maintain the highest traditions in Parliamentary life, members of the Parliament are expected to observe a certain standard of conduct, both inside the House as well as outside of it. Their behaviour should be such as to enhance the dignity of Parliament and its members in general. The conduct of members should not be contrary to the usuage, or derogatory to the dignity of the House or in any way inconsistent with the standards which Parliament is entitled to expect of its members.

Apart from the Committee of Privileges which is there to inquire into cases of breaches of Privilege of the House and its members, adhed committees of the House may also be appointed from time to time to consider and investigate the conduct of a member of the House and to find out

★ *Speech not corrected*

whether such conduct was derogatory to the dignity of the House and inconsistent with the standards expected of members.

Even though, there is a committee of Privileges constituted under the rules, yet it is within the Power of the House to constitute other special committees if there are any special circumstances and inquiries to be made. There is nothing inconsistent in that. Moreover, it is moot question to be considered whether any such conduct as alleged is really in a sense a breach of privilege of the House or something different. A member may behave in a manner in which the House would not like him to behave and yet it may be argued that it is not a breach of privilege. In all such circumstances, the practice in the House of commons has been to constitute a special committee and the procedure of making a motion is the procedure that is usually adopted in the House of Commons even through there is a Committee of Privileges.

★**Shri Golok Chandra Rajbongshi (Minister, Parliamentary Affairs):** Sir, there is a special procedure relating to complaint submitted against Members. Under Section-167 where the complaint is to be made against member, the member should be given prior notice by the Complainant petitioner or Secretary of the Committee, as the case may be. In case, no prior notice has been given, the House may adjourn the consideration of the matter till the notice is given to the member concerned or it may decline to entertain the complaint.

Sir, as you are well aware that I am a Member of this House and I am not only a Member but a Minister too. There is a special procedure and under that procedure, the adjourned breach of privilege should be outrightly rejected without going through the facts. Sir, I submit this that when

★ *Speech not corrected*

I get the notice, I will explain and it will be given at that time.

★**Shri Pramode Gogoi :** Hon'ble Sir, regarding the point raised by the Hon'ble Parliamentary Affairs Minister about Rule 167, I will stuck to Rule 158 as read by Hon'ble member, Mr. Terang. The provision of the Rule said "provided that if the breach is committed in actual view of the House, the House may take action with out complaint. "Sir, because this breach of privilege took place in this very House, Speaker Sir, you are to ascertain the facts. You have mentioned that bail petition was moved in favour of Sir Rajen Rongpi, but fact remains, any bail petition was moved in any court of the country. That is the contention of the move of the Privilege Motion. Speaker Sir, you are to find out the truth whether any bail petition was move on behalf of Sri Rajen Rongpi. If that is the reason then the matter is very clear that the statement or the facts provided by the Parliamentary Affairs Minister, Sir is incorrect and misleading before the Speaker of the House. Speaker Sir, I would like to mention such similar case that took place in the very house after 1967. One of the Minister had to resign from the Cabinet. The then Law Minister Late Abdul Matlib Mazumdar on a reply to a question, he said that he did not order anybody or did not pass on any order to release from jail and he stuck to it. Ultimately when the case orders or the particulars of the case was provided before the House the Speaker and the Leader of the House was kind enough to ask him to resign and he had to resign for misleading the House. Therefore, Speaker Sir, you are the competent authority of this House to ascertain the facts whether any bail petition was move in favour of Sri Rajen Rongpi by anybody in any court of the country and if the answer is negative then Sir, the statement or the information furnished to you by the Hon'ble Parliamentary Affairs Minister were incorrect and

★ *Speech not corrected*

when there is an intention to mislead the House then that will be a fit case of Breach of Privilege. Therefore Sri, I will stuck to the Rule 158 even on such matter complaint is not necessary. The House has the right to take up such case of Breach of privilege because such Breach in committed in actual view of the House.

★**শ্ৰীজয় নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা স্পষ্টিকৰণ দিব বিচাৰিছো। ব্ৰিচ অৱ প্ৰিভিলেজ অনা হৈছে ৰুল ১৫৮ মতে। মাননীয় সংসদীয় মন্ত্ৰীয়ে ৰুল ১৬৭ নম্বৰৰ বিষয়ে কৈছে। ৰুল ১৬৭ নম্বৰটো হৈছে কোনোবা সদস্যই যদি কিবা ক্ৰাইম কৰে, তেওঁৰ বিৰুদ্ধে কিবা অভিযোগ থাকে কিবা দোষ কৰে তেতিয়া তেওৰ বিৰুদ্ধে ব্ৰিচ অৱ প্ৰিভিলেজ আনিব লাগিলে এই ৰুলটো এপ্লাই কৰিব। তেখেতে ৰুল ১৬৭ নম্বৰৰ কথা কৈ আকৌ সদনক বিপথে পৰিচলনা কৰিব বিচাৰিছে। মাননীয় মন্ত্ৰী মহোদয়ে নাজানে বুলি নাভাবো। তেখেতে উপাধ্যক্ষ হিচাপে সদন পৰিচালনা কৰি গৈছে আৰু আইনৰ বিষয়েও তেখেতৰ যথেষ্ট জ্ঞান আছে। তেখেতে আচল ফেক্টচ্‌ৰ বিষয়ে নকৈ অন্য, ৰুলৰ যোগেদি পুনৰ সদনক দিচমিচ কৰিব বিচাৰিছে। কাৰণ তেখেতে কোৱা ৰুলৰ যোগেদি কোনো সদস্যই কিবা ক্ৰাইম অভিযোগ থাকিলে প্ৰিভিলেজ আনিব পাৰে এইটোৰ লগত সেই ৰুলৰ কোনো সম্পৰ্ক নাই। ইতিমধ্যে আমাৰ সদনৰ বয়োজেষ্ঠ সদস্য শ্ৰীপ্ৰমোদ গগৈয়ে কৈ গৈছে আপুনি শ্ৰীগগৈ আৰু শ্ৰীগিয়াচুদ্দিন আহমেদৰ পৰামৰ্শ লব পাৰে আৰু কিবা কিবি কাৰণত আইনৰ মন্ত্ৰীৰো ইন্টাৰপ্ৰিটেচন শুনিব পাৰে। কিন্তু তাকে নকৰি অকল সংসদী পৰিক্ৰমা মন্ত্ৰীৰ একপক্ষীয় মত লৈ আপুনি প্ৰিভিলেজ মোচনটো আউট ৰাইট ৰিজেক্ট কৰা হ'লে আৰু এটা ভুল কৰা হ'লহেতেন। তেখেতে পুনৰ আপোনাক মিচলিড কৰিব বিচাৰিছে। গতিকে তেখেতে যি ৰুল ১৬৭ ৰ কথা কৈছে তাৰ লগত প্ৰিভিলেজ মোচনৰ কোনো সম্পৰ্ক নাই।

★**Shri Dewan Jainal Abedin** : Speaker Sir, I would like to mention on the admissibility of Breach of Privilege. Sir, here the question is- one of the Hon'ble member who happens to be Minister for Parliamentary Affairs is saying that a bail petition was moved and refused for the release of Sri Rajen

★ *Speech not corrected*

Rongpi which is contradicted by another Hon'ble Member Shri Holiram Terang. Now Sir, on such a controversy who can take a decision. Now Sir, as per Rule 160 (iii) which says "the matter requires the intervention of the House." Whether this is a fit matter which requires the intervention of the House. Now, Sir, when 2 Hon'ble members of the House are contradicting each other, how to find out the truth. Now, I feel, therefore, that this is a very fit case whether the House can Intervene and therefore, Sir, I feel that this is a fit matter to be referred to the Privilege Committee. Now, Sir, again at the moment there is no Standing Privilege Committee. It has already been pointed out to you that if there is a possibility of privilege Committee being formed within a day or two then also this matter may be referred. Otherwise your Honour may constitute an Adhoc committee and refer the matter to that committee. I also agree with some Hon'ble Members about the reply given by the Hon'ble Parliamentary affairs Minister with reference to Rule 167. Here also I would like to mention that this does not refer to Privilege Motion. This matter which can be related to a petition. But here the complaint is raised by one Hon'ble Member and therefore, Rule 167 does not apply. With these few words, I conclude Sir.

★**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গত মই এটা কথা কব লগিয়া হৈছে আৰু বৰ দুখৰে কবলগীয়া হৈছে। আমি আটায়ে ৰাইজৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি। ৰাইজৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰ সংসদীয় গণতন্ত্ৰত আমাৰ কিছুমান প্ৰিভিলেজ থাকে। আমাৰ সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে সিদিনা বাৰম্বাৰ বৰ জোৰেৰে শ্ৰীৰাজেন ৰংপী সম্পৰ্কত কৈছে আজি কিন্তু সিমান জোৰে তেখেতে বিষয়টোৰ ওপৰত কোৱা নাই। সিদিনা কৈছিল যে বেইল পিৰ্টিচন মোভ কৰা হৈছিল যদিও কোৰ্টে তেখেতক বেল দিয়া নাই। আজি তেখেতে সেইটোলৈ যোৱা নাই নোটিশ এটা বেলেগ এটা কায়দাৰ কথাহে কৈছে তেখেতসকলৰ ধেৰ খবৰ অনা উপায় আছে আমাৰ

★ *Speech not corrected*

বিধায়ক সকলৰ নাই। আমি অসত্য কথা কব পাৰো সেয়ে তেখেতে কওঁক সিদিনা কোৱা কথাখিনি সঁচা হয় নে নহয়। বিষয়টোৰ আজিয়ে আপুনি বিচাৰ কৰিব লাগিব নহ'লে আৰু বেয়া হ'ব সদায় এনেবোৰ ভুল তথ্য দাঙি ধৰিব। জেনেৰেল আনেষ্টৰি কথা আছেই সেই বিষয়ে আমি আলোচনা কৰিব লাগিব নিশ্চয় আপুনি সময় দিব। এইটো এটা ফিট কেচ ফৰ প্ৰিভিলেজ মোচন। আপুনি ইয়াৰ বিচাৰ কৰিব লাগে নহ'লে এইভুল কৰি থকিব। আমি চিএওৰ বাখৰ কৰি থাকিম- আপুনিও অসুবিধা পাব। সেয়ে এনেবোৰ বিষয় সোনকালে নিস্পত্তি কৰিব লাগে।

**★শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰিয়াই '১৫৮'ৰ ওপৰত জোৰ দিছে। '১৫৮'ত স্পষ্টভাবে কৈছে "Provided that if the breach is committed in actual view of the House, the House my take action without complaint." So the question ought to have been raised on that day itself. Otherwise when the complaint has been lodged afterwards, it is lost. '১৫৮' যিটো ইনটাৰপ্ৰিটেচন দিছে আৰু গোটেই বস্তুটো যেনেকৈ বাখ্যা কৰিছে আচলতে সেইটো তেনে ধৰণৰ নহয়। মাননীয় শ্ৰীশৰ্মা ডাঙৰিয়াই যে কাজিয়া পেচাল কৰিলে কমপ্লেইন হয় আৰু ১৭১ ৰ পৰা ১৭৬ লৈকে। Now the question of privilege. That chapter is divided in different Sub-Sections.. (a), (b), (c), (d), (e). Rule 171 upto 176 including whole Sub-Sections are dealing breach of privilege matter, a, b, c, d, e, f. all subdivisions or sub sections or sub rules whatever tell it that relates to matter of breach of privilege. So, there is a Special Provision under Rule Das to how to deal with against breach of privilege, against member. Sir, I draw your attention to that Chapter and going by the fact that until and unless the breach of privilege motion is in order, it should be outright rejected.

**Mr. Speaker :-** On the motion move by Hon'ble Members servasree Holiram Terang, Promod Gogoi, Zoii Nath Sharma, Dewan Joynal Abedin, Chandramohan Patowary and also inview of the submissions. I received from the parliamentary Affairs Minister, I reserve my Ruling. Now, I

---

★ *Speech not corrected*

have received another motion of breach of privilege raised by Hon'ble Member Shri Zoii Nath Sarma. Shri Sarma has to read it out.

★**Shri Zoii Nath Sarma :** Mr. Speaker Sir, I have read the notice. Sub: Notice of a breach of privilege against the Hon'ble Chief Minister under Rules 158 and 159 of the Rules of Procedure and Conduct of Business of the Assam Legislative Assembly.

Sir,

To a short notice question under Rule 48 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, given by me with regard to the total expenses incurred by the Government in connection with the appointment of three Advisers to the Hon'ble Governor of Assam, the Hon'ble Chief Minister gave his answers. In the House on 2.8.91 and placed the same with a statement on the table of the House. According to the answers, the State Government paid to the there advisers diverse amounts on the heads, namely, (1) Pay drawn, (2) TA, DA drawn (3) Newspaper bill draws, (4) Light refreshment charges, and (5) Cost of POL.

The there advisers served in the State for different periods, such as,-

Shri K N Prasad, Sir Advisor, from 9.1.91 to 26.6.91

Shri I.P. Gupta, Adviser - from 14.12.90 to 26.6.91

Shri P. P. Srivastava- Adviser, from 29.11.90 to 26-6-91

Strangely, equal amounts have been shown against each on the head- light 'Refreshment Charges- i.e. Rs. 7,5oo-/ and on the head- cost of POL i.e.Rs. 23,400/-; How could equal amounts be paid to each of the three advisers against

★ *Speech not corrected*

two particular heads although the periods of service of each of them are different?

This is a clear case where the Hon'ble Chief Minister has suppressed materials and made before the House untru statements, Thus, the Hon'ble Chief Minister has misled the House and its Hon'ble Members.

This is clear case of breach of Privilege committed in the House itself under Rule 158 and 159 of the Rules of procedure and Conduct of Business of the Assam Legislative Assembly.

This is a very important matter and should immediately be brought to the notice of the Hon'ble Speaker for allowing me to raise it today in the House for taking necessary action against the Hon'ble Chief Minister. Thank you.

## RULING FROM THE CHAIR

**Mr. Speaker :** I have heard the motion. Now that motion will be raised tomorrow. Now, Hon'ble Members may kindly recall that on 2nd August, 1991 Hon'ble Members Sarvasree Sasha Kamal Handique, Nizamuddin Khan, Munin Mohanta, Alaudin Sarkar and Chandra Mohan Patowary gave a notices of an adjournment motion regarding the result of the last H.S. L. C. Examination declared on 10.7.91. Hon'ble member Shri Sasha Kamal Handique made a forceful submission about the admissibility of the motion as per requirement of Rule 57 of Rules of Procedure and Conduct of Business of Assam Legislative Assembly. He was supported by Hon'ble members sarbasree Nizamuddin Khan, Munin Mahanta, Alauddin Sarkar, Chandra Mohan Patowary, Giasuddin Ahmed, Dewan Jaynal Abedin, Holiram Terang, Zoii Nath Sharma and Hiteswar Deka and they spoke about the admissibility of the motion Hon'ble Shri Sasha Kamal Handique stated that percentage of passes in the High School

leaving Certificate Examination has fallen down and number of successful candidates in the HSLC Exam. of this year is only 23%. This has caused great anxiety not only to the students community as a whole but also in the field of educational system in the state. Hon'ble Members who have made their submission on the admissibility of the motion stated that the matter is urgent and having sufficient public importance and sought the permission of the Chair to adjourn the business of the House for its details discussion. Hon'ble Minister, Parliamentary Affairs opposing the admissibility of the motion and stated that the matter was continuing for several years. He also submitted that result of the High School Leaving Certificate Examination were declared on 10.7.91 and therefore, it has not been arisen suddenly.

Hon'ble Member Shri Abdul Jalil Ragibi also made a submission and opposed the adjournment motion.

I have also heard the submission of Hon'ble Minister, Parliamentary Affairs who opposed the admissibility of the adjournment motion.

Hon'ble Member are aware that in my rolling dated 1.8.91 I have held that the matter proposed to be raised through the adjournment motion must be arisen suddenly and capable of creating an emergent situation of such a character that there is a prima face case of urgency necessitation the adjournment of other business of the House to discuss the matter in details.

I am fully alive of the apprehension of the Hon'ble Members about the causes of 23% of pass in the High School Leaving Certificate Exam. of this year. But then this has not occurred suddenly which has warranted the adjournment of the other business of the House to discuss the matter. Hon'ble Members will get ample opportunity to raise this matter during the course of the debate on Governor's address and through other procedural devices.

In view of the above, I do not feel that this is a fit case to discuss the matter by adjourning the other business of the House and accordingly I regret to withhold my consent to allow the same.

Now, item No. 1. Hon'ble Member Shri Bharat Chandra Narah will call the attention of Hon'ble Chief Minister under Rule 54...

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ পক্ৰিয়া আৰু কাৰ্য্য পৰিচলনাৰ নিয়মাবলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯১ চনৰ ৩০ জুলাই তাৰিখৰ ' আজিৰ অসম' কাকতত প্ৰকাশিত ' ৰাইজৰ স্বাৰ্থত আজিৰ অসমৰ বিশেষ ব্যৱস্থা" সম্পৰ্কীয় বাতৰিটোৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো অধ্যক্ষ মহোদয়, তথ্য আৰু জন সংযোগ বিভাগে যোৱা ২৮ আৰু ২৯ জুলাই তাৰিখে ' অসমৰ এখন বাতৰি কাকতত বিজ্ঞাপন দিছিল। আমাৰ ৰাজ্য চৰকাৰৰ নিয়ম মতে তথ্য আৰু জনসংযোগ বিভাগৰ নিয়ম মতে ৰাজ্য চৰকাৰৰ এটা বিভাগে এটা বিজ্ঞাপন বাতৰি কাকতত দিয়া সিদ্ধান্ত ললে, অসমৰ প্ৰায়বিলাক বাতৰি কাকত আৰু যিবিলাক প্ৰধান বাতৰি কাকত সেই বিলাকতো বিজ্ঞাপন দিয়াৰ ব্যৱস্থা কৰে। এইদৰেই আমাৰ ৰাজ্য চৰকাৰ আৰু বিভিন্ন বিভাগ সমূহ এটা নীতিৰ দ্বাৰা পৰিচালিত হৈ আহিছে আৰু এই নীতি মানি চলি আহিছে। যোৱা ২৮/২৯ জুলাই তাৰিখৰ দিনা তথ্য আৰু জন সংযোগ বিভাগে এটা বিজ্ঞাপন দিছে টাডা বন্দীসকলক মুক্তি দিয়া সম্পৰ্কত। কিমান টাডা বন্দীক মুক্তি দিয়া হৈছে তেওঁলোকৰ ঠিকনাসহ বিজ্ঞাপন দিছে।এই বিজ্ঞাপন জি, এল, পাব্লিকেচনৰ বাহিৰে অসমৰ কোনো বাতৰি কাকতত দিয়া হোৱা নাই। বিশেষকৈ অসমৰ যিবিলাক প্ৰধান প্ৰধান বাতৰি কাকত 'অসম ট্ৰিবুউন', চেণ্টিনেল, আজিৰ অসম, দৈনিক জনমভুমি আদি কাকতত এই বিজ্ঞাপন দিয়া নাই। এই সন্দৰ্ভত তথ্য আৰু জনসংযোগ বিভাগে ২ আগষ্ট তাৰিখে এটা স্পষ্টীকৰণ দাঙি ধৰিছে। সেই স্পষ্টীকৰণত কোৱা হৈছে যে, ২৮ জুলাই তাৰিখটো দেওবাৰ আছিল আৰু বাতৰি কাকতৰ কাৰ্য্যলয়ৰ লগত যোগা-যোগ কৰিব পৰা নাছিল মাত্ৰ নৰ্থ-ইষ্ট টাইম বাতৰি কাকতৰ লগতহে যোগাযোগ কৰিব পাৰিছিল। তথ্য আৰু জনসংযোগ বিভাগৰ এই স্পষ্টীকৰণত আমি পতিয়ন গলেও ২৯ আৰু ৩০ জুলাই তাৰিখে বিভাগে কিয় অন্যান্য বাতৰি কাকতৰ

★ *Speech not corrected*

লগত উক্ত বিজ্ঞাপন দিয়াৰ বাবে যোগাযোগ নকৰিলে ? ইয়াৰ দ্বাৰা এইটো পতিয়মান হৈছে যে, চৰকাৰে বাতৰি কাকতৰ প্ৰতি পক্ষপাতিত্ব মূলক আচৰণ, বৈশম্যমূলক আচৰণ কৰিছে। তথ্য আৰু জনসংযোগ বিভাগে স্পষ্টীকৰণ দিছে যে, কোনো বাতৰি কাকতৰ প্ৰতি বৈশম্যমূলক বা পক্ষপাতিত্ব মূলক আচৰণ লোৱা হোৱা নাই। মোৰ প্ৰশ্ন হৈছে যে, অধ্যক্ষ মহোদয়, যদি পক্ষপাতিত্ব বা বৈশম্যমূলক আচৰণ কৰাই নাই তেনেহলে অসমৰ প্ৰধান প্ৰধান বাতৰিকাকত সমূহত চৰকাৰৰএই জৰুৰী আৰু অতি গুৰুত্বপূৰ্ণ বিজ্ঞাপনটো দিয়া হোৱা নাই কিয় ? তথ্য আৰু জনসংযোগ বিভাগত এনে কিছুমান বিষয় আছে বা এনেকুৱা কিছুমান বিষয়ক মুখ্য মন্ত্ৰীয়ে দায়িত্ব দিছে যে তেওঁলোকে অসমৰ প্ৰধান প্ৰধান বাতৰি কাকত যেনে -অসম ট্ৰিবুউন, দৈনিক অসম, আজিৰ অসম, চেন্টিনেল, দৈনিক জনমভূমি আদি প্ৰধান প্ৰধান বাতৰি কাকত বিলাকক অপমান কৰিববৈল আৰম্ভ কৰিছে।

অধ্যক্ষ মহোদয় আপুনি জানে যে, যেতিয়া ৰাজ্যচৰকাৰ বিপদত পৰে, মুখ্যমন্ত্ৰী বিপদত পৰে তেতিয়া বাতৰি কাকতৰ সম্পাদক সকলক মাতি আনে, নিমন্ত্ৰন কৰি আনি আলোচনা কৰি পৰামৰ্শ বিচাৰে। উদাহৰণ স্বৰূপে জেনেৰেল এমনেষ্টি ক্ষেত্ৰতো বাতৰি কাকতৰ সম্পাদকক নিমন্ত্ৰন কৰি আনি তেওঁলোকৰ লগত আলোচনা কৰা হৈছে তেওঁলোকেও মুখ্য মন্ত্ৰীক গঠনমূলক কামত পৰামৰ্শ আৰু সহায় সহযোগ কৰাৰ বাবে প্ৰতিশ্ৰুতি দিছিল। বিপদৰ সময়ত চৰকাৰে বাতৰি কাকতৰ সহযোগ বিচাৰে। এই চৰকাৰৰে তথ্য আৰু জনসংযোগ বিভাগে চৰকাৰী বিজ্ঞাপনৰ ক্ষেত্ৰত ৰাজ্যখনৰ প্ৰধান প্ৰধান বাতৰি কাকত সমুহক অপমান কৰিছে আৰু বৈষম্যমুলক আচঁৰণ কৰিছে। মই এই বিষয়টোৰ প্ৰতি মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰিলো। যি বৈষম্য আৰু পক্ষপাতিত্ব চলি আছে সেইটো কিমান দিনলৈ চলিব ? এইবিলাক চলি থাকিব নালাগে। বন্ধ কৰিব লাগে। মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে, যোৱা ২৮/২৯ জুলাই তাৰিখে অসমৰ প্ৰধান বাতৰি কাকত বিলাকক যি ধৰণে অপমান কৰা হ'ল, যি ধৰণে বৈষম্যমূলক আচৰণ কৰা হ'ল তেওঁলোকৰ প্ৰতি শাস্তিমূলক ব্যৱস্থা মুখ্যমন্ত্ৰীয়ে লব লাগে। যি সকল বিষয়া ইয়াৰ লগত জৰিত আছে। ২ আগষ্ট তাৰিখে স্পষ্টীকৰণত বিভাগে এটা কথা জনাইছে যে, বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰ প্ৰয়োজন নাই, মুখ্যমন্ত্ৰীৰ অনুমোদনৰ প্ৰয়োজন নাই বা মুখ্যমন্ত্ৰীক অৱগত কৰাৰ প্ৰয়োজন নাই। এইটো হ'ব পাৰে যদিও এই ক্ষেত্ৰত মোৰ সন্দেহ আছে।

কাৰণ টাডা বন্দীসকলক মুক্তি দিয়া আৰু তেওঁলোকৰ নাম ঠিকনা সহ বাতৰি কাকতত প্ৰকাশ কৰাটো সৰুসুৰা বিজ্ঞাপন নহয়। আলফাই দাবী কৰা এই তথ্য ২৯ জুলাই তাৰিখৰ ভিতৰত বাতৰি কাকতত চৰকাৰক প্ৰকাশ কৰিবলৈ কৈছিল, এইটো এটা সাধৰণ ধৰণৰ বিজ্ঞাপন নহয় তথ্য আৰু জনসংযোগ বিভাগৰ যি নীতি আছে, বিজ্ঞাপনৰ ক্ষেত্ৰত সেই নীতি মানি চলি কাম কৰিব লাগে। কিন্তু এই গুৰুত্বপূৰ্ণ বিষয়টো সেই নীতিৰ অৰ্ন্তভুক্ত কৰাটো উচিত হোৱা নাই। টাডা বন্দীসকলৰ এড্ভাৰটাইজমেন্টো এটা পলিটিকেল এড্ভাৰটাইজমেন্ট। এই বিজ্ঞাপন কেৱল জি, এল, পাব্লিকেচনৰ নৰ্থইষ্ট টাইমচ্‌ক দিয়া হ'ল। এইখন নতুনকৈ ওলোৱা বাতৰি কাকত। উজনি অসমত এই কাকতৰ গ্ৰাহক হ'বলৈ আৰম্ভই হোৱা নাই। নৰ্থ ইষ্ট টাইমচ্ কাকতৰ কথা গাৱঁৰ বহুতো মানুহে এতিয়াও নাজানে। গতিকে এই বিজ্ঞাপনটো অন্যান্য বাতৰি কাকতত নিদিয়াৰ বাবে টাডা বন্দী কিমানক মুক্তি দিয়া হ'ল এইটো জনাৰ পৰা ৰাইজ বঞ্চিত হ'ল। তথ্য আৰু জনসংযোগ বিভাগৰ পক্ষপাতিত্বই আৰু বৈষম্যতাই অসমৰ কোন কোন টাডা বন্দীক মুক্তি দিয়া হ'ল এইটো জনাৰ পৰা বঞ্চিত কৰিলে। গতিকে এটা স্পষ্টীকৰণ বিচাৰি এই বিষয়টো মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

★**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি মোৰ দৃষ্টিগোচৰ হৈছে। যোৱা ২ আগষ্টত বাতৰি কাকতত এই সম্পৰ্কে এটা স্পষ্টীকৰণো ওলাইছে। দেওঁবাৰে বাতৰি কাকতবোৰৰ একাউন্টচ্ অফিচ বন্ধ থাকে। কিন্তু দেওঁবাৰে নৰ্থ ইষ্ট টাইমচ বাতৰি কাকতৰ একাউন্টচ্ অফিচ খোলা থকাৰ কাৰণে তাত বিজ্ঞাপনটো দিব পাৰিলে। পিচৰ কেইদিনত দিয়া নাই বুলিয়েই মই ভাবো। কিন্তু এইটো সত্য নহয় যে কৰ্তৃপক্ষই বৈষম্যমূলক আচৰণ কৰিছে। ইয়াত মোৰ দায়িত্ব আছে যদিও বিজ্ঞাপন কাক দিছে মই চোৱা নাই। সাধাৰণতে এইবোৰ বিভাগে কৰে। মই এইবোৰ কাকতত ওলোৱাৰ পিচতহে চাইছো। জুলাই মাহত ছাৰ আমি বিজ্ঞাপন দিয়াৰ ক্ষেত্ৰত কোনো বাতৰি কাকতকে বৈষম্য মূলক আচৰণ কৰা নাই। আসাম ট্ৰিবিউন গ্ৰুপক - ১৮৮টা বিজ্ঞাপন দিয়া হৈছে। চেন্টিনেল গ্ৰুপক জুলাই মাহত ১৫১টা বিজ্ঞাপন দিয়া হৈছে। পুৰ্বাঞ্চল প্ৰহৰীৰ গ্ৰুপক ৭৩ টা আৰু নতুন দৈনিক গ্ৰুপক ৬৭টা বিজ্ঞাপন দিয়া হৈছে। গতিকে মই ভাবো আৰু সদনত কব

---

★ *Speech not corrected*

পাৰো যে বিজ্ঞাপন দিয়াৰ ক্ষেত্ৰত কোনো ধৰণৰ বৈষম্য মূলক আচৰণ কৰা হোৱা নাই। দৈনিক জনমভূমিক– ১৩০টা আসাম এক্সপ্ৰেছক– ৪২ টা, নিউজ ষ্টাৰক ২৯ টা আৰু উত্তৰ কালক– ২৭ টা বিজ্ঞাপন দিয়া হৈছে। গতিকে কোনো বাতৰি কাকতকে বিজ্ঞাপনৰ ক্ষেত্ৰত বৈষম্যমূলক বা পক্ষপাতিত্ব কৰা হোৱা নাই। ১৯৮৬ চনত চৰকাৰে বিভিন্ন বাতৰি কাকতত যি ধৰণেৰে বিধিমতে বিজ্ঞাপন দিবলৈ নীতি তৈয়াৰ কৰিছিল এতিয়া সেই নীতি বা নিয়মকেই পালন কৰা হৈছে।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকত সমূহত কিমান বিজ্ঞাপন দিছে সেইটো গুৰুত্বপূৰ্ণ কথা নহয়। অসমত ৰাজ্য ভাষা অসমীয়া। অসমত অসমীয়া বাতৰি কাকত পঢ়া পঢুৱৈৰ সংখ্যাই অধিক। তথ্য আৰু জনসংযোগ বিভাগে এই বিজ্ঞাপনৰ পৰা অসমৰ ৰাইজক কিয় বঞ্চিত কৰিলে? ২৮ জুলাই তাৰিখে দেওবাৰ আছিল। কিন্তু ২৯ বা ৩০ জুলাইত কিয় যোগাযোগ কৰা নহল? যদি ৰাজ্য চৰকাৰৰ টকা পইচাৰ নাটনি হৈছিল বিজ্ঞাপনৰ বাবে তেন্তে তথ্য আৰু জনসংযোগ বিভাগে বাতৰি কাকতক টকাৰ অসুবিধাৰ কথা কৈ টকা পিচত দিম বুলি অনুৰোধ কৰা হ'লে কাকত সমুহে এই বিজ্ঞাপন প্ৰকাশ কৰিব পাৰিলেহেঁতেন। বিজ্ঞাপন কিমান দিয়া হৈছে সেইটো গুৰুত্বপূৰ্ণ কথা নহয়। অসমৰ বাতৰি কাকতসমূহক কিয় পক্ষপাতিত্ব আৰু বৈষম্যমূলক আচৰণ কৰা হৈছে সেইটোহে গুৰুত্বপূৰ্ণ কথা।

★**শ্ৰীহিতেশ্বৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে সেইদিনা দেওবাৰ হোৱাৰ কাৰণেহে বাতৰি কাকত সমুহৰ লগত যোগাযোগ কৰিব নোৱাৰিলে।

## MATTER UNDER RULE 301

**Mr. Speaker :** I now would like to call the attention of Hon'ble member, Shri Zoii Nath Sarma under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

★**শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি সদনত দুখেৰে সৈতে এটা বিষয় উত্থাপন কৰিব খুজিছো যে যি গৰাকী মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ অনা হৈছে সেইজনক মই 'চাচা' বুলি মাতো। অধ্যক্ষ মহোদয়, ৰাজ্যিক

★ *Speech not corrected*

পশুপালন মন্ত্ৰীৰ বৰভোজ অৰ্থাত এটা দুটা নহয় ৪০টাকৈ পহু মাৰি খালে। অধ্যক্ষ মহোদয়, বৰ্তমান অৱস্থাত বনত থকা বনৰিয়া জীৱজন্তু বিশেষকৈ হৰিনা মৰাৰ কাৰণে চৰকাৰে কোনো ধৰণৰ নিষেধাজ্ঞা উঠাই লোৱা নাই। বৰ্তমান পশু সংৰক্ষণটোহে আমাৰ চৰকাৰৰ প্ৰচলিত নীতি। গতিকে এনে এটা অৱস্থাত এই নীতি পৰিচালনা কৰা চৰকাৰ বা মন্ত্ৰী মহোদয়ৰ বিৰুদ্ধে এনেধৰণৰ এটা অভিযোগ অহাটো অতি দুখৰ বিষয়। প্ৰকৃততে গৃহ মন্ত্ৰী মহোদয়ে খাইছেনে নাই সেই সম্পৰ্কে বিবৃতি দিব পাৰে। বাতৰি কাকতৰ স্পষ্টী কৰণত কোৱা হৈছে যে ৪০টা পহু খোৱা নাই-১টা বা দুটা খাব পাৰে কিন্তু ৪০টা খোৱা নাই বুলি কৈছে। মেৰাপানীত খোৱা নাই, লাওখোৱাত খাব পাৰে। অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় যিহেতুকে বন বিভাগৰো দায়িত্বত আছে ৪০টা পহু খোৱা বুলি যিটো বাতৰি ওলাইছে সেইটো সঁচা নে মিছা তেখেতে ক'ব পাৰে। কিন্তু এই বিষয়টো তদন্ত কৰিব নালাগেনেকি? যদি তেখেতে পহু খোৱা নাই তেন্তে তেখেতৰ নিকা ভাবমূৰ্ত্তি ৰাইজক দেখুৱাব পাৰে — নহ'লে তেখেতৰ ভাৱমূৰ্ত্তি কলুষিত কৰিব। যদি মন্ত্ৰী মহোদয়ে পহু খোৱা নাই তে ন্তে তেখেতে এটা বিবৃতি দিও ইয়াক অস্বীকাৰ কৰিব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, এই সদনতেই যেতিয়া আলুৰ কেলেংকাৰীৰ কথা ওলাইছিল তেতিয়া মই শাসক দলৰ বিধায়ক আছিলো আৰু তেতিয়া মই ইয়াৰ জোৰ প্ৰতিবাদ কৰিছিলো আৰু তেতিয়া এক সদন কমিতি কৰি দিয়া হৈছিল অনুশাসনৰ বাবে। এতিয়া মই অনুৰোধ কৰো যে এগৰাকী ৰাজনীতিবিদৰ বিৰুদ্ধে পোনপটিয়া ভাৱে এটা অভিযোগ অনা হৈছে -যিটো বৰ্তমান অসম চৰকাৰৰ পৰিচালিত নীতিৰ বিৰুদ্ধে। গতিকে এই সম্পৰ্কত এটা বিশেষ তদন্ত হোৱা প্ৰয়োজন আৰু এই তদন্ত সদন কমিটিৰ জৰিয়তে হোৱাতো ভাল। মন্ত্ৰী গৰাকীৰ গাত দোষ নেথাকিব পাৰে। সেই কাৰণে এখন সদন কমিতি গঠন কৰি দিব লাগে যাতে কমিটিয়ে অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিব পাৰে আৰু কথাটোও ৰাইজে কি হৈছে জানিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি যদি নিজ সমষ্টিলৈ যায় আৰু কোনোবা ব্যক্তিয়ে যদি আপোনাক প্ৰশ্ন কৰে যে 'গগৈ ডাঙৰিয়া, আপোনালোকৰ মন্ত্ৰীয়ে ৪০টা পহু খাইছে, কথাটো সচানে? তেতিয়া আপুনি কি উত্তৰ দিব? মই নিজ সমষ্টিলৈ গৈ এই প্ৰশ্নৰ সন্মুখীন হৈছো। গতিকে অধ্যক্ষ মহোদয়, আপুনি নিকা ভাব মূৰ্তিৰ মানুহ। গতিকে নাইখোৱা বুলি কলেও অসত্য কোৱা

হ'ব আৰু যদি সত্যটোৱেই বিচাৰে তেনেহ'লে সদন কমিতি কৰিব লাগে। অৱশ্যে বাতৰি কাকতত ৪০টা পহু মাৰি খাইছেবুলি কোৱা নাই। পহু মাৰি বিক্ৰী কৰিছে বুলিও কৈছে গতিকে এই গোটেই কথাখিনি হয়নে নহয় এইটো চোৱাৰ বাবে আপোনালোকে ইয়াৰ ওপৰত ব্যৱস্থা লওক। অধ্যক্ষ মহোদয়, এই পহু মৰা সম্পৰ্কে বন বিভাগে পুলিচৰ ওচৰত কেছ দিয়া নাই। অভিযোগৰ ক্ষেত্ৰত আপোনালোকে লুক-ঢাক কৰি লুকাই ৰখাৰ প্ৰচেষ্টা চলাইছে পহু মৰা ঘটনাটো নিজ চকুৰে দেখা এজন ব্যক্তিৰ এখন চিঠি মোৰ হাতত আছে, সেইখন এতিয়া পঢ়ি নিদিও, সদন কমিটি হ'লে তাত দাখিল কৰিম। গতিকে এই বিষয়টো তদন্ত কৰিবৰ কাৰণে এখন সদন কমিতি গঠন কৰি দিবৰ কাৰণে মই অনুৰোধ জনালো। মুখ্যমন্ত্ৰী মহোদয়ে যি বিবৃতিকেই দি..ক কিন্তু এই বিষয়টো তদন্ত কৰাৰ কাৰণে যাতে সদনৰ অংশীদাৰ হ'ব পাৰে তাৰ কাৰণে ব্যৱস্থা লবলৈ অনুৰোধ জনালো।

★**শ্ৰীশশ কমল সন্দিকৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা দেৱে পহু মৰা বিষয়ত যি সদন কমিতি গঠনৰ পৰামৰ্শ আগবঢ়াইছে তাক মই সমৰ্থন কৰিছো। মাননীয় ৰাজ্যিক পশু পালন মন্ত্ৰী মাননীয় সদন তথা মন্ত্ৰী সভাৰো সদস্য। তেখেতৰ বিৰুদ্ধে ৪০টা পহু মাৰি খোৱা আৰু বিক্ৰী কৰাৰ বিষয়ে বাতৰি কাকতত ওলাইছে। গতিকে গোটেই ঘটনাটো সদন কমিতিৰ যোগে অনুশাসন কৰি প্ৰতিবেদন তৈয়াৰ কৰি বিষয়টো স্পষ্ট ভাবে প্ৰকাশ কৰাৰ সুবিধা দিব বুলি আশা কৰিলো।

★**শ্ৰীভৰত চন্দ্ৰ নৰহঃ**- মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ। আমাৰ ভাৰত চৰকাৰৰ বণ্যপ্ৰানী আইন আছে। মেনকা গান্ধী বনমন্ত্ৰী থকা সময়ত আনকি নিৰ্বচনী প্ৰতীক হিচাবেও কোনো ৰাজনৈতিক দলে বন্যপ্ৰাণীৰ প্ৰতীক গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিছিল। তেনেকুৱা এটা চেষ্টা চলাইছিল। নিষেধ কৰাৰ ব্যৱস্থা কৰিব বিচাৰিছিল। তেনে অৱস্থাত অসম চৰকাৰৰ বনমন্ত্ৰীয়ে পহু খোৱা কথাটো ওলাইছে এইটো বণ্যপ্ৰাণী আইন ভংগ কৰা হৈছে আৰু সেই মতে দণ্ডনীয় হ'ব। গতিকে এইটো তদন্ত কৰা উচিত।

★**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এই সন্দৰ্ভত আমাৰ মুখ্য বনসংৰক্ষকৰ (বণ্যপ্ৰানীৰ )পৰা পোৱা তথ্য অনুসৰি সন্ধ্যা বাতৰিৰ লেখিয়া এটা বাতৰি ২৩ জুলাইৰ পূৰ্বাঞ্চল উইক্‌লি নিউজ মেগাজিন নামৰ কাকত এখনত বাতৰিটো পঢ়ি ২৪ তাৰিখে অসমৰ মুখ্য বনসংৰক্ষক (বন্যপ্ৰাণী)

★ *Speech not corrected*

নগাওঁৰ বন্যপ্ৰাণী সংমণ্ডল বিষয়াক তেওঁৰ কাৰ্য্যালয়লৈ গৈ লগ ধৰে আৰু বাতৰিটোৰ সবিশেষ জানিব বিচাৰে। সংমণ্ডল বিষয়াই তেনে ঘটনা ঘটাৰ কোনো খবৰ পোৱা নাই বুলি জনায়। তথাপি বিষয়টো গুৰুত্বপূৰ্ণ হোৱাৰ বাবে মুখ্য বন সংৰক্ষকে তেওঁক নিজে তদন্ত কৰি এটা ৰিপোৰ্ট দাখিল কৰিবলৈ কয়। সেইমতে নগাওঁৰ সংমণ্ডল বন বিষয়া (বণ্যপ্ৰানী)য়ে এটা ৰিপোৰ্ট দাখিল কৰে ৩০-৭-৯১ তাৰিখে।

অধ্যক্ষ মহোদয়, সংমণ্ডল বিষয়াই মুখ্য বন সংৰক্ষক (বন্যপ্ৰণী)য়ে দিয়া ৰিপোৰ্টৰ মতে উক্ত বাতৰিটোৰ সত্যতা নাই। সংমণ্ডল বিষয়াই সুতিৰপাৰ আৰু গৰাবজানৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দুজনকো লগ কৰি ঘটনাৰ সবিশেষ বুজ লয়। বিষয়া দুগৰাকীয়ে কোনো মন্ত্ৰীৰ কাৰণে ভোজৰ আয়োজন কৰাৰ কথা গ'ম নাপায় বুলি জনায়। সেই অঞ্চলত থকা একমাত্ৰ ই-এণ্ড-ভিৰ পৰিদৰ্শন বঙলাৰ চকীদাৰ গৰাকীৰ পৰাও ঘটনাৰ বুজ লয়। চকীদাৰ গৰাকীয়ে পৰিদৰ্শন বঙলাত ১১ জুলাইত অভিযোগ কৰাৰ দৰে কোনো মন্ত্ৰীয়ে ভোজভাত নাই খোৱা বুলি কয়। ইয়াৰ উপৰিও সংমণ্ডল বন বিষয়া (বন্যপ্ৰাণী) গৰাকীয়ে কিছু স্থানীয় মানুহৰ পৰাও সম্ভেদ লয়। স্থানীয় মানুহ সকলেও মন্ত্ৰীৰ তেনে ভোজৰ ব্যৱস্থা হোৱা নাই বুলি জনায়। ইয়াৰ পৰা উক্ত বাতৰিৰ সত্যতা নাই বুলিয়েই প্ৰতিপন্ন হোৱা দেখা যায়, মুখ্য বনসংৰক্ষক (বন্যপ্ৰানী)য়ে জনোৱা মতে ৪০টা পহু হত্যা কৰা আৰু বজাৰত তাৰ মাংস ৪০ টকাকৈ কেজিত বিক্ৰী কৰাৰো কোনো সত্যতা পোৱা নগ'ল।

★**শ্ৰীভৰত চন্দ্ৰ নৰহঃ**- অধ্যক্ষ মহোদয়, চকীদাৰ বা চি- চি-এফ এজনে মন্ত্ৰীৰ বিৰুদ্ধে প্ৰতিবেদন দাখিল কৰিব নোৱাৰে।

★**শ্ৰীজয়নাথ শৰ্মা** ঃ-অধ্যক্ষ মহোদয় লিগেল প্ৰচিডিঙৰ হৈছে চাবঅ'ৰডিনেট অফিচাৰ এজনে চিনিয়ৰ অফিচাৰৰ বিৰুদ্ধে তদন্ত কৰিব নোৱাৰে। ৰাজ্যিক পশুপালন মন্ত্ৰী শ্ৰীৰছিদুল হক চৌধুৰী ডাঙৰিয়াৰ ষ্টেটাচ হিচাবে অফিচাৰ কেইজনতকৈ ওপৰত। সেই কাৰণে এইটো তদন্তৰ প্ৰতিবেদন গ্ৰহণ যোগ্য হ'ব নোৱাৰে। গুৱাহাটী হাইকোৰ্টেও ষ্টে অৰ্ডাৰ দিয়া মালি আদি চাকৰিৰ ক্ষেত্ৰত দুই তিনিজন কমত যোগদান কৰিবলৈ দিয়া নাছিল বুলি শুনিবলৈ পাইছো। তেনে ক্ষেত্ৰত ইমান তলতীয়া বিষয়াই তদন্ত কৰিলে নহ'ব।

অধ্যক্ষ মহোদয়, মন্ত্ৰী গৰাকীয়ে বহি বহি কথা কৈ আছে। এইটো সদনৰ কনভেন্‌শ্বন নহয়। সকলো বিলাক কথাতে মন্ত্ৰী সকলে বাৰে বাৰে

★ *Speech not corrected*

হস্তক্ষেপ কৰিব বিচৰাতো ঠিক নহয়। আন বিধায়ক সকলো আছে। এতিয়া যিহেতু মন্ত্ৰী এজনৰ বিৰুদ্ধেই বাতৰি ওলাইছে সেই পৰিপ্ৰেক্ষিতত যিহেতু বিষয়াক তদন্ত কৰিবলৈ দিছে সেই তদন্ত ৰিপোৰ্টৰ ওপৰত সন্দেহ আছে। মন্ত্ৰীৰ বিৰুদ্ধে কোনো বিষয়াই ৰিপোৰ্ট লিখিব নোৱাৰে। সেই কাৰণে মই সদন কমিটি দাবী কৰিছে। যদি নহয় মন্ত্ৰী সভাৰ পৰা এটা উপসমিতি কেইজনমান মন্ত্ৰীক লৈ গঠন কৰি দিব লাগে। যদি আমাক বিশ্বাস নকৰে, যদি সদনকো বিশ্বাস কৰিব নোখোজে তেতিয়াহ'লে মন্ত্ৰী সভাৰ মাজৰ পৰা কেইগৰাকীমান মন্ত্ৰীক লৈ উপসমিতি এটা কৰি তদন্ত কৰিব লাগে আৰু সেই তদন্তৰ প্ৰতিবেদন সদনত দাখিল কৰিব লাগে। আমাৰ সন্দেহ ভজনৰ একমাত্ৰ স্থল আপুনি অধ্যক্ষ মহোদয়, গতিকে আপোনাৰ ওপৰত বিষয়টো উত্থাপন কৰিছো।

**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ–** অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ বাতৰিত যদি সত্য থাকি যায় তেতিয়াহ'লে মন্ত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা ল'ম।

## POINT OF ORDER

**★শ্ৰীজয়নাথ শৰ্মা ঃ–** অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক আবাস চৌহদত কিছুমান মানুহৰ অশালীন আচৰণ পৰিলক্ষিত হৈছে। যোৱা পৰহি ৰাতি ১১ বজাৰ সময়ত ৫৪ আৰু ৫৫ আবাস গৃহৰ মাজডোখৰত শুদা গাৰে কেৱল টাৱেল এখন গাত লৈ মানুহ ঘূৰা দেখিছো আৰু তেনেকৈয়ে থিয়হৈ সৰুপানী চুইছে। তাৰ পিচত ৫৫ নং আবাস গৃহৰ পৰা অবাচ্য মাত শুনিবলৈ পোৱা গৈছে। গৈগে ক'ত মই চাই লম ইত্যাদি ধৰণৰ উশ্চবাচ্য শুনিবলৈ পাইছো। ৫৫ নং আবাস গৃহটো কাক দিছে নাজানো। কিন্তু বিধায়ক সকল থাকিবলৈ দিয়া ঠাইত আন কোন আছে জানিব পৰা নাই। ইয়াৰ উপৰিও আপোনাৰ সচিবালয়ৰ পৰা জাননী দিছে আবাসগৃহত থকা সকলক পৰিয়ালৰ সদস্যৰো ফটোসহ পৰিচয় পত্ৰ ৰাখিব লাগিব। অৰ্থাত মোৰ পৰিবাৰ মোৰ লগত হোষ্টেলত থাকিলেও ফটোসহ পৰিচয় পত্ৰ থাকিব লাগিব। এনে অৱস্থাত অচিনাকী মানুহ কেনেকৈ ৰুমত থাকিব পাৰে তাৰ বিষয়ে ব্যৱস্থা লবলৈ অনুৰোধ জনাইছো। আমি এই সম্পৰ্কত পুলিচক কবলৈ গলেওঁ কোনো কেচ নলয়. সেই কাৰণে আমাৰ সকলো ধৰণৰ নিৰাপত্তাৰ কথা আপোনাৰ ওচৰত অভিযোগ দিব লাগিব। আপোনাৰ ওচৰত অভিযোগ দিয়াৰ বাহিৰে আমাৰ উপায় নাই।

★ *Speech not corrected*

৪৪নং কোঠাৰ পৰা অবাচ্য মাত কথা শুনা গৈছে । আমাৰ ভদ্ৰলোক বন্ধু এজনে শুনিলে কি ভাবিব আৰু ল'ৰা ছোৱালীয়ে শুনিলে কি ভাব ল'ব সেই বিলাক কথা চিন্তা কৰিয়েই বিষয়তো আপোনাৰ ওচৰত উত্থাপন কৰিছো। এই কাৰনেই কৰিছো যাতে দিশপুৰ আবাস গৃহৰ মাজত এটা সুন্দৰ পৰিবেশ বিৰাজ কৰিব পাৰে।

★**Shri Hali Ram Terang** : Mr. Speaker Sir, you may kindly allot a separate time for discussion on this matter as it is a serious matter, which involve not only the dignity of the dignity of the Assembly but also security of the members. Sir, I have been humaliated by police men last night, not in Nagaon or Raha but here in the M.L.A. Hostel.So there should be a separate discussion. You may kindly suspend some business and allow particularly this matter for discussion.

★**শ্ৰীনগেন শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি জৰুৰী। সেইকাৰণে আধা ঘন্টাৰ বাবে বিষয়টো আলোচনা কৰিবলৈ দিব লাগে। যোৱা কালি নিশা এটা ঘটনা ঘটিছে এচেম্বলি গেটৰ ওচৰত ৩০-৩৫ বছৰৰ বয়সৰ কেইজনমান যুৱকে ঘূৰি আছিল। তেওঁলোকে যেন গুলিয়াবলৈহে আহিছে। এম এল এ হোষ্টেলত আমাৰ বিধায়ক সকলৰ নিৰাপত্তা নোহোৱা হৈছে।

★**শ্ৰীভৰত নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন বাতৰি কাকতৰ যোগেদি অসমত জাতীয় মুক্তি বাহিনী এটা গঠন হৈছে বুলি জানিবলৈ পাইছো। এই বাহিনীটো ১ নং গেষ্ট হাউচ আৰু এম, এল, এ ৫৫ কোৱাটাৰত আছে। হোষ্টেলত বিধায়ক সকলৰ নিৰাপত্তাৰ বিষয়টো জড়িত হৈ আছে। গতিকে আধাঘন্টাৰ কাৰণে আলোচনা কৰিবলৈ সময় দিব লাগে।

★**শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৫৮ নং এম, এল, এ কোৱাটাৰত ৰাতি মাৰপিত কৰে। বিধায়ক সকলৰ ওচৰলৈ বহুতো আশা লৈ বহুতো ভাল মানুহ, ভদ্ৰ লোক আহে। বিধায়কৰ আবাসিক অঞ্চলত মদ খোৱা মদপী, ভাং খোৱা ভাঙুৱা মানুহ দেখা যায়। গতিকে বিষয়টো অতি জৰুৰী। কি কাৰণত কেতিয়া ক'ৰ পৰা আহে, তেওঁলোকৰ উদ্দেশ্য কি? তেওঁলোক থকাৰ কাৰণে কোনে সুবিধা কৰি দিছে? টাৰেল কোনে যোগান ধৰিছে— এই গোটেই

★ *Speech not corrected*

বিষয়টো খৰহি মাৰি যদি অধ্যক্ষ মহোদয়ে এটা তদন্ত কৰে তেতিয়া হ'লে সুখী হ'ম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকলে যিটো কথা উত্থাপন কৰিছে সেইটো সঁচাকৈয়ে গুৰুত্বপূৰ্ণ। মইপ্ৰথম দিনাখনেইসদনত ভাষন দিওঁতে কৈছিলো যে সদস্যসকলৰ নিৰাপত্তাৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ। যিকোনো উপায়েৰে মই আপোনালোকৰ নিৰাপত্তা ৰক্ষা কৰিম আৰু যদি বিধায়কৰ আবাসিক চৌহদৰ ভিতৰত কোনোবাই অনাধিকাৰ প্ৰবেশ কৰিছে আৰু যদি কোনোবাই বেয়া আচৰণ কৰিছে তেতিয়া হ'লে মইনিজে পৰিদৰ্শন কৰি ব্যৱস্থা লম আৰু আপোনালোকক সদনত জনাম।

★**Shri Hali Ram Terang :** Sir, let there be a discussion on this.

**Mr. Speaker :** I have already given you assurance that I will enquire into this and I will let you know accordingly.

★**Shri Zoii Nath Sarma :** Sir, under Rule 113 I beg to present a petition signed by Smtii Sukur Begum, Arati Halder and Renu Barman regarding non- registration of rape cases by police.

★**Shri Golok Chandra Rajbongshi :** Minister, Parl. Affairs: Sir, he cannot show to the gallery.

★**Shri Zoii Nath Sarma :** As per rule I beg to present a petition signed by Smti Sukur Begum, Smti Arati Halder and Smit Renu Barman.

★**Shri Golok Chandra Rajbongshi, :** Minister, Parl. Affairs : Sir, I raise a point of order. Sir, how a petition is to be move is laid down under rules. So Sir, this petition, if there is anything sought to be done it should be referred to the Petition Committee but not in this way Sir.

★**Shri Zoii Nath Sarma :** Sir the Rule is very clear. It said that a member presenting a petition shall confine himself to a statement in the following form - "Sir, I beg to present a petition signed by .... petition (s) reading ...." and no debate shall be permitted on this statement.......

**মহোদয়,**

নিবেদন এই যে আমি নিম্ন স্বাক্ষৰকাৰী স্বামীবিহীন নিঃসহায়া মহিলা তিনি

★ *Speech not corrected*

গৰাকী গুৱাহাটী পুৰাকলনীৰ ৰেলুৱেই কোৱাটাৰ নং ডি/ এচ/ । এত থকা আমাৰ নিঃসহায়ৰ অৱস্থাৰ সুযোগ লৈ ৰেলুৱেই কলনীৰ নিবাসী শ্ৰীবুলু দাসৰ পুত্ৰ সমীৰ দাসে যোৱা ৩১-৭-৯১ ৰাতি ১০ (দহ) বজাত আমাৰ ঘৰত আহি অত্যাচাৰ কৰে আৰু নাবালিকা ছোৱালী দুজনীক বলাৎকাৰ কৰিবলৈ চেষ্টা চলায় আৰু তেওঁ আমাৰ মাজৰ ৰেণুবালা বৰ্ম্মণক (বয়ষ ২৭) ৰাতি তিনি (৩) বজাত বলাৎকাৰ কৰে।

উল্লেখযোগ্য যে নাবালিকা ছোৱালী দুগৰাকীক বলাৎকাৰ কৰিবলৈ চেষ্টা চলাইছিল যদিও আমি ছোৱালী দুজনীক গাধোৱা ঘৰত সোমাই ৰাখি ৰক্ষা কৰো।

দুৰ্বৃত্তজনে আমি থানালৈ গ'লে আমাক হত্যা কৰিব বুলি ভাবুকি দিয়ে আৰু আমাৰ পদুলি মুখত ২ দিন ধৰি পহৰা দি আছিল। যোৱাকালি লতাশিল থানাত বিষয়টো জনোৱাস্বত্তেও কোনো গোচৰ তেওঁলোকে নললে। পুনৰ পানবজাৰ থানাত বিষয়টো জনোৱা হয় যদিওঁ থানাই বিষয়টোৰ সম্পৰ্কে হাকীমৰ চহী আনিবলৈ কয়। আমি নিঃসহায় স্বামীহীন মহিলা এজনীয়ে ৰেলুৱেই বিভাগৰ চতুৰ্থ শ্ৰেণীৰ কামকাজ আৰু বাকী দুই জনীয়ে লোকৰ ঘৰত কাম বন কৰি জীৱন নিৰ্বাহ কৰো। এনে অৱস্থাত আমি থানাই দিয়া পৰামৰ্শ অনুসৰি হাকিম বিচাৰি চহী আনীবলৈ কোনো পন্থা নাই।

সেয়েহে জীয়াই থাকিবৰ বাবে নিম্নতম নিৰাপত্তাখিনি পুলিচৰ পৰা নোপোৱাত আৰু বলাৎকাৰীৰ বিৰুদ্ধে কোনো বিচাৰ ৰজু নকৰাত সু-বিচাৰৰ বাবে মহোদয়ৰ ওচৰত প্ৰাৰ্থনা জনালো।

ইতি

টিপ চহী ১। চুকুৰ বেগম ৪,৮,৯১

টিপ চহী ২। আৰতি হাৱালদাৰ, ৪,৮,৯১

টিপ চহী ৩। ৰেণু বৰ্ম্মন,৪,৮,৯১

মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো ৰেজিষ্ট্ৰি নকৰিলে। গতিকে বিষয়টো তদন্ত কৰিব বুলি মহোদয়ৰ ওচৰত দাখিল কৰিলো।

**★ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদিও মই মন্ত্ৰী..........

(সদনত হুলস্থুল, কেইজনমান সদস্য ই একেলগে কবলৈ ধৰে, কাৰো মাত শুনা নাযায়)

★ *Speech not corrected*

(**Shri Zoii Nath Sarma** submitted the petition to the Hon'ble Speaker)

**Mr. Speaker:** Now next item, Debate on Governor's address.

## DEBATE ON GOVERNOR'S ADDRESS

**★শ্ৰীজিউৰাম বড়ো ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত দুটামান কথা মই কবলৈ বিচাৰিছোঁ।

ৰজ্যপালৰ ভাষণত ভূমি বিতৰণৰ কথা কৈছে, কিন্তু ভূমি সংস্কাৰৰ কথা ঘুনাক্ষৰেও উল্লেখ কৰা নাই। অনুসুচিত জনজাতি লোকসকলৰ মাটি অনা জনজাতীয় লোকে বেদখল কৰিছে এই কথা আমি সকলোৱে জানো, কিন্তু ৰাজ্যপালৰ ভাষণত এই কথা উল্লেখ নাই অসম চুক্তিৰ ক্ষেত্ৰত এটা কথা আছে যে ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা গোটেই অসমৰে নহয় ভাৰতৰ পৰা বিদেশী খেদা হ'ব, ইয়াৰ কাৰণ কি? কি কাৰণত বিদেশী খেদিব লগা হ'ল? ট্ৰাইবেল বেল্ট আৰু ব্লকৰ কিছুমান অধিনিয়ম আছে যে সেইবোৰত অন্য সম্প্ৰদায়ৰ লোক থাকিব নোৱাৰে, এই অধিনিয়মৰ কোনো কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

নিয়োগৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে আবেদনকাৰীৰ বয়স ৩০ বছৰৰ পৰা ৩৬ বছৰ কৰা হৈছে, কিন্তু অনুসুচিত জাতি আৰু জন জাতিৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য হ'বনে নহয় সেই কথা স্পষ্ট নাই। তাৰোপৰি, আমাৰ যিবোৰ ৰিজাৰ্ভেচন আছে সেইবোৰ এতিয়ালৈকে পূৰণ হোৱা নাই। এই সম্পৰ্কে কোনো কথাই ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। ইকনমিক ষ্টেটিচটিক ডিৰেক্টৰৰ ৰিপৰ্ট মতে এচ, টি, এচ, চি আৰু এচ, টি, পি, চিৰ মুঠ নিবনুৱাৰ সংখ্যা হৈছে ১২ হেজাৰ ৭০ জন, ৰাজ্যপালৰ ভাষণত এই কথাও উল্লেখ নাই। ১৯৯০ চনৰ প্ৰায় ৫৯ হেজৰ নিবনুৱাৰ নাম নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীভূত কৰা হৈছিল। এতিয়ালৈকে প্ৰায় ১২হেজাৰবো অধিক লোকক নিয়োগ কৰা নহ'ল। আমাৰ বড়োসকলে বড়োল্যেণ্ডৰ দাবী কৰি আহিছে। ৰাজ্য পুনৰ গঠনৰ দাবীৰ বড়ো আবচু আৰু পি টি চি এই আন্দোলন কৰিব লগা হৈছে। এই আন্দোলনত প্ৰায় একলাখ লোক ক্ষতিগ্ৰস্ত হ'ল আৰু প্ৰায় এক হেজাৰ নাৰীৰ সতিত্ব হৰণ কৰা হৈছিল, এই লোকসকলক কেনেকৈ পুনৰ সংস্থাপন কৰা হ'ব সেই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। সেই বড়োলেণ্ডৰ ক্ষেত্ৰত কোনো কথা নোকোৱাকৈ জনজাতীয় লোকৰ সমস্যা

★ *Speech not corrected*

সমাধান কৰা হ'ব বুলি কোৱা হৈছে। কোচঁ ৰাজবংশী আৰু শৰনীয়া সকলৰ জনজাতীয় লোক আছিল, ১৯৭১ চনলৈকে। তাৰ পিছত অনুসুচিত শ্ৰেণীভুক্ত হ'ল কেনেকৈ সেই কথা মই নাজানো। শৰণীয়া সকলে জনজাতীয় লোকৰ অন্তৰ্ভুক্তৰ কাৰণে দাবী কৰি আহিছিল। এই ট্ৰাইবেলক বঞ্চিত কৰি আন কিছুমানক অন্তৰ্ভূক্ত কৰা হৈছে। গতিকে, মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰোঁ যে ট্ৰাইবেল লোকসকলক যেন বঞ্চিত কৰা নহয়। অসমত বড়ো সকলে বড়োলেণ্ড বিচাৰি আন্দোলন কৰাৰ কথা গোটেই বিশ্বই জানে। অথচ কাৰ্বি সকলে অটনমাচ ৰাজ্য বিচাৰিছে, প্ৰকৃত পক্ষে এই সকলে কি বিচাৰিছে আৰু এই সমস্যা কেনেকৈ সমাধান কৰা হ'ব এই কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★**শ্ৰীআলাউদ্দিন সৰকাৰ ঃ** অধ্যক্ষ মহোদয়, আমাৰ কাৰণে কিমান সময় নিৰ্ধাৰণ কৰিছে?

**মাননীয় অধ্যক্ষ ঃ** পিচত কম।

**শ্ৰীশশকমল সন্দিকৈ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত কোনো নতুন আঁচনিৰ কথা নাই। দুখীয়া মহিলা সকলক হাহঁ-কুকুৰা দিয়া হ'ব, ভাল কথা এই ক্ষেত্ৰত মই এটা কথা কওঁ যে কণী পাৰিবৰ বাবে মতা হাঁহ নিদি মাইকী হাঁহ দিয়ে যেন। দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকসকলৰ পৰিয়ালৰ প্ৰতিগৰাকী লোকক দুই টকাৰ তলৰ মাহে ১৫ কে, জি চাউল দিয়া হ'ব, এইটো ভাল কথা, আমিও ভাল পাইছো, সমৰ্থন আগবঢ়াইছো। কিন্তু কথা হ'ল, দৰিদ্ৰ সীমাৰেখাৰ তলত কিমান জনসংখ্যা আছে? — এইটোৰ সংখ্যা কিমান? যদি পৰিসংখ্যা নাইকৰা তেন্তে কেতিয়া কৰিব আৰু কেতিয়াৰ পৰা এই আঁচনী কাৰ্যকৰী কৰা হ'ব? মই আশা ৰাখিছোঁ অহা পূজাৰ আগতে এই আঁচনী কাৰ্য্যকাৰী কৰা হ'ব।

ইয়াৰ পিছত, আইন আৰু শৃংখলাৰ ক্ষেত্ৰত মুখ্য মন্ত্ৰীয়ে সিদিনা নিজেই স্বীকাৰ কৰিছে যে শপত গ্ৰহণ কৰাৰ পিছতে ৰাজ্যখনত সন্ত্ৰাসবাদৰ কাৰ্য্য কলাপ বৃদ্ধি হৈছে। যোৱা ২২ জুলাই বাতৰি কাগজত (Quoted form news paper: "Two brothers Mr. Swapan Senapati and Mr. Bhiman Senpati of Sarraibandha, Jorhat were executed on Sunday on the order of peoples' Court of ULFA on charges

★ *Speech not corrected*

of trafficking girls.)" এখন চৰকাৰ থাকোতেও আন এখন চৰকাৰে সমান্তৰালভাবে শাস্তি দিয়া আদি কাৰ্য্য ব্যৱস্থা চলাই আছে। আনহাতে মুখ্য মন্ত্ৰীয়ে নিজেই স্বীকাৰ কৰিছে যে সুস্থ আৰু শান্তিপূৰ্ণ পৰিস্থিতিত জনপ্ৰিয় চৰকাৰখনে শাসন ভাৰ গ্ৰহণ কৰে। ৰাজ্যপালৰ শাসন কালতে প্ৰবৰ্ত্তিত তিনিখন কলা আইন এতিয়ালৈকে উঠাই দিয়া নাই। ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰখনে কাৰ্য্যভাৰ লোৱাৰ পিচত এতিয়া এই কলা অইন তিনিখন উঠাই দিয়ক। আমি দাবী কৰো।

আলফাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে ৮ জুন তাৰিখে T.V. ত চৰকাৰে সকলো টাডা বন্ধীকে মোকোলাই দিয়া হ'ব। কিন্তু বাতৰি কাকতৰ জড়িয়তে যেতিয়া ৯ জুন তাৰিখে পণ বন্দীৰ মুক্তিৰ বিনিময়ত ৬ জন TADA.বন্ধীক মুক্তি বিচৰা হ'ল তেতিয়া কোৱা হ'ল যে গুৰুতৰ অভিযোগ নথকা সকলকহে মোকোলাই দিয়া হ'ব। মই ভাবো ৰাজ্যপালৰ ভাষনত এই কথা সদনক বিপথে পৰিচালিত কৰিব বিচৰা হৈছে। ৰাষ্ট্ৰপতিৰ শাসন উঠিল নিৰ্বাচন অনুস্থিত হ'ল, জনপ্ৰিয় চৰকাৰ গঠন হ'ল, কলা আইন কেইখন থাকিয়েই গ'ল। ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ১০লাখ নিবনুৱাক কৰ্মসংস্থাপন দিয়া হ'ব বুলি কৈছে আৰু এই বছৰত ২ লাখ নিবনুৱাক কৰ্মসংস্থাপন দিম বুলি কৈছে। কিন্তু অসমত বন্ধহৈ থকা কলকাৰখানা বিলাক খোলা সম্পৰ্কত চৰকাৰে কিবা মতামত প্ৰকাশ কৰিব নে? অসমত এতিয়াও প্ৰায় আঢ়ৈশ কল কাৰখানা বন্ধ হৈ আছে। অশোক কাগজ কল, শিলঘাটৰ মৰাপাট কল তাত যিবিলাক শ্ৰমিক-কৰ্মচাৰী আছিল কাৰখানা বন্ধ হোৱাৰ পাচত তেওঁলোকৰ অৱস্থা কি? আমি নতুন চৰকাৰৰ নিবনুৱা সমস্যা সমাধান কৰাত লোৱা পদক্ষেপত সাহসী পদক্ষেপ বুলি কৈছো কিন্তু এই বন্ধকাৰখানা কল কৰখানা সমুহ খুলি এই বন্ধ কলকাৰখানা সমুহৰ শ্ৰমিক কৰ্মচাৰী সকলৰ উপকাৰ কৰিবনে? এই বন্ধ কলকাৰখানা সমুহৰ কাৰণে যিবিলাক ধন বা আহিলা পাতিৰ দৰ্কাৰ খেইখিনি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ক আমি ধন্যবাদ দিম। দেশ আৰু শ্ৰমিক কৰ্মচাৰীৰ উপকাৰ হ'ব ৰাজ্যপালৰ ভাষণত চাহ উদ্যোগৰ কথা কৈছে। অসম টি প্লেনটেচন আইনখন সংশোধন কৰিম বুলিও কৈছে। কিন্তু মই চৰকাৰক এটা কথা সুধিব বিচাৰিছো অসমৰ প্ৰায় ৮৫০খন চাহ বাগিছা আছে। এই চাহ বাগিছা বিলাকত ১৯৫০খনতে প্ৰদান কৰা এই আইন বৰ্তমান বিদ্যমান কিন্তু আইনখন সকলো বাগিছাই প্ৰজোয্য কৰিছে নে? আমি জনাত

শতকৰা ৮০ভাগ বাগানেই এতিয়ালৈকে এই আইনখন খন প্ৰজোয্য কৰা নাই। আইনখন সংশোধন কৰিব বিচাৰিছে আমি আদৰণি জনাইছো কিন্তু বৰ্ত্তমান আইনখনকেই সকলো বাগিছাতে বাধ্যতামূলকভাৱে প্ৰয়োগ হোৱা নাই তাৰ কিবা ব্যৱস্থা চৰকাৰে লবনে? এই আইনমতে হস্পিটেল, ৰেচন, কোৱাৰ্টাৰ খৰি আদিৰ সুযোগ শ্ৰমিক সকলে পাব লাগে। কিন্তু সেই নুন্যতম সুযোগ খিনিকো বাগিছাৰ মালিক সকলে দিয়া নাই। আমাৰ উদ্যোগ মন্ত্ৰী বা শ্ৰম মন্ত্ৰীয়ে এই সমস্যাবিলাক সমাধান কৰাত গুৰুত্ব দিবনে? (সময় সংকেট)

চিকিৎসাৰ ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো— যোৱা ৫বছৰত বহুতো হস্পিতাল অঞ্চলে অঞ্চলে কৰা হ'ল কিন্তু হস্পিতাল বিলাকত ডাক্তৰ, নাৰ্চ ঔষধ নাই বহু হস্পিতাল উদ্বোধনেই কৰা নহ'ল। মোৰ সমষ্টি নাহৰ কটিয়াত দুখন হস্পিতাল নিৰ্মান হৈ আছে য'ত ডাক্তৰ নাৰ্চ কৰ্মচাৰী ঔষধ একো নাই। গতিকে এই ডক্তৰখানা বিলাকত ডাক্তৰ নাৰ্চ ঔষধ আদি দিয়াৰ ব্যৱস্থা অনতি পলমে মুকলি কৰাৰ দাবী জনালোঁ। শেষত আপোনাক ধন্যবাদ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

☆**শ্ৰীকোমেশ্বৰ ৰুকুৱা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ইতিপূৰ্বে এগৰাকী মাননীয় সদস্য শ্ৰীমজিবুৰ ৰহমান ডাঙৰিয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসুচক প্ৰস্তাৱটোলৈ মই আন্তৰিক সমৰ্থন জনাইছো। মই কিয় সমৰ্থন জনাইছো সেই বিষয়ে কেইটামান নিৰ্দ্দিষ্ট বিষয়ৰ ওপৰত উত্থাপন কৰিব বিচাৰিছো। প্ৰথম কথা হ'ল ৰাজ্যপালৰ ভাষণত আলিবাটৰ যুৱ মানসিকতাক ৰাষ্ট্ৰীয়ৰূপ দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। যোৱা এক দশকত আলিবাটৰ যুৱমানসিকতাই হাবি জংঙ্গল পালেগৈ। আজি এই যুৱ মানসিকতাই এক ভয়াবহ আৰু উৎকত ৰূপ ধাৰণ কৰিছে। ইয়াৰ এটা সমাধানৰ কাৰণে ৰাজ্যপাল মহোদয়ে ইতিবাচক সহাৰি জনাইছে। আলিবাটৰ যুৱমানসিকতাক ৰাষ্ট্ৰীয় ঘাই পথলৈ আনিব বুলি প্ৰতিশ্ৰুতিবদ্ধ। সেয়েহে এই যুৱক সকলক সংস্থাপন দিয়াৰ কথা ঘোষণা কৰা হৈছে। তাৰ কাৰণে চৰকাৰী বয়সৰ সীমা আগতেও বঢ়াই দিয়া হৈছে। বয়সৰ সীমা আগতেওঁ বঢ়াই দিছিল কিন্তু চাকৰি এজনকো দিব নোৱাৰিলে। গতিকে বিষয়টো দকৈ চিন্তা কৰিব লগিয়া হৈছে।

ৰাজ্যপালৰ ভাষণত জনজাতি সকলৰ কথা কৈছে— Political, administrative and other efforts would be made to bring those youths who are misguided out of emotions back the main

★ *Speech not corrected*

**stream. Way will be paved for utilising the hopes and aspirations in the welfare of the State" (Quote form Governor's Address)**

গতিকে তেওঁলোকৰ যি বয়সৰ সীমা বছৰলৈ বঢ়াই দিয়া হ'ল তাৰ পৰা বহুতেই নতুন আশা আকাঙ্খাৰে প্ৰস্তুতি চলাইছে এই কথাখিনি ৰাজ্যপালৰ ভাষণত পোনপতীয়াভাবে সদৰি কৰা হৈছে। আজি অসম বুলি নহয় ভাৰতবৰ্ষৰ ভিতৰতে কিছুমান ক্ষুৰ্দ্ৰ ক্ষুদ্ৰ জাতি সত্বাইবা জনগোষ্ঠীয়ে আন্দোলনৰ মাধ্যমৰে তেওলোকৰ নতুন আত্মসংস্থান বিচাৰিছে। ঝাৰখণ্ড অসমত বড়ো কাৰ্বি ইত্যাদি। বড়োসকলৰ সমস্যাটো আলোচনাৰ মাধ্যমেৰে সমাধান কৰিম বুলি ৰাজ্যপালে তেখেতৰ ভাষণত ইতিবাচক ইঙ্গিত দিছে। ঠিক তেনেকৈ কাৰ্বি সকলৰ যি অটোনোমি বিচৰা সমস্যা বা দাবী সেইটো দাবীকো সংবিধানৰ গণ্ডিত থাকি আলোচনাৰ যোগেদি সমাধান কৰিম বুলি কৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বহুতো ভাল আঁচনি হাতত লোৱা হৈছে। কোচৰাজবংশী সকলক জনজাতীয় তালিকাত অন্তভুক্ত কৰা হৈছে আৰু বহুতো সা-সুবিধা দিয়াৰ কাৰণে অন্তভুক্ত কৰা হৈছে। চুতীয়া সকলো জনজাতীয় বুলি ডিষ্টিক গ্ৰেজেট হৈ গৈছে। ১৯৮০ চনৰ পৰাই জনজাতীয় তালিকাত অৰ্ন্তভুক্ত নোহোৱা কাৰণে বিক্ষোপ হৈছিল আৰু এটা কথা বহুতো মাননীয় সদস্যই কৈছে যে অসম আৰু অসমীয়া'ৰ কথা। অসম আৰু অসমীয়া এই শব্দ দুটা ১২২৮ খৃষ্টাব্দৰ পিচৰ পৰাই অসমলৈ যি বিলাক মানুহ আহিছে সেই বিলাক অসমীয়া বুলি সামৰি লোৱা হৈছে। ইয়াৰ আগ ৰ ভূমিপুত্ৰ বড়ো, কছাৰিসকলক অসমীয়া বুলি লোৱা হোৱা নাই। এনেকুৱা বিলাক বিসংগতি হৈছে। আজি ৰাজ্যপালৰ ভাষণৰ জনজাতীয় সকলৰ কাৰণে যিবিলাক কথা সামৰি লৈ লৈছে সেই বিলাকৰ ওপৰত তেওঁলোকৰ বহুতো কামত আহিব। তেওঁলোকৰ বহুতো বিক্ষোভ আদি আতঁৰ কৰাৰ কাৰণে মই ৰাজ্যপালক ধন্যবাদ জনাইছো। তদুপৰি স্কুল, কলেজৰ ক্ষেত্ৰত এটা প্ৰস্তাব লোৱা হৈছে। সেইটো হৈছে যোৱা আগৰ চৰকাৰৰ দিনত ব্লেক বোৰ্ড অপাৰেচনৰ আঁচনি লোৱা হৈছিল, প্ৰথমিক শিক্ষাৰ ক্ষেত্ৰত টেপ ৰেকৰ্ডাৰ ব্যৱহাৰ কৰিবলৈ দিয়া হৈছিল। যিবিলাক নেকি কোনো দৰকাৰ নাছিল। সেইবিলাকত ভালেমান টকা অপচয় হ'ল। সেইটো তদন্ত হ'ব লাগে বুলি সদনক দাবী জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণখনে সকলো জাতি

বৰ্ণ ধৰ্ম নিৰ্বিশেষে যাতে সকলোৱে সমানে লাভবান হ'ব পাৰে সেইটো প্ৰতিফলিত হৈছে। ৰাজ্যপালৰ ভাষণখনত আমাৰ যিটো কংগ্ৰেছৰ মেনিফেষ্টচাৰ সেইটো সম্পূৰ্ণ প্ৰতিফলিত হৈছে । অসমৰ যিবিলাক বিভিন্ন সমস্যা সেইবিলাক ইয়াত উত্থাপন কৰা হৈছে। ৰাজ্যপালৰ ভাষণখন ৰাইজে সমৰ্থন কৰিছে। আমি আশাকৰো ৰাইজৰ আশা-আকাংশা এই ভাষণখনে পূৰণ কৰিব । শেষত ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

★**শ্ৰীঅতুল বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে মই ৰাজ্যপালৰ বিতৰ্কত অংশ গ্ৰহণ কৰিব বিচৰা নাছিলো । কিন্তু আজি মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা মই এটা বিশেষ কথাৰ উত্তৰ বিচাৰিছিলো, কিন্তু উত্তৰ নেপালো।

আজি আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হৈছে ৰাজ্যখনৰ ৰাজনৈতিক পৰিস্থিতি। আমি যিখন চৰকাৰক সমালোচনা কৰিবলৈ ওলাইছো সেইখন চৰকাৰে যিদিনাখন শপত গ্ৰহণ কৰিলে তাৰ পিচদিনাখনেই কেইগৰাকীমান ব্যক্তিক 'আলফা' নামৰ সংগঠনটোৱে অপহৰণ কৰি নিলে। এই বিধান সভাৰ অধিবেশনত এই বিলাক কথাই একেবাৰে গুৰুত্ব পোৱা নাই আৰু গুৰুত্ব নোপোৱাটো একেবাৰেই স্বাভাৱিক। এটা কথা হ'ল যে ৰাজ্যখনত এই সমস্যা বিলাক সমাধান কৰাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক কেন্দ্ৰীয় চৰকাৰে সকলো ক্ষমতা দিছে বুলি আমি বাতৰি কাকতত পাইছো। আৰু সেই ক্ষমতা হ'ল ক্ষমাদান টাডা বন্দীসকলক সকলোকে মুক্তি কৰি দিয়া প্ৰচেষ্টা হাতত লৈছে বুলি জনাইছিল। আৰু সাধৰণ ক্ষমাদান পণ বন্দীসকলক মুক্তি কৰি দিয়া কথাটো ঘোষণা কৰাৰ পিচত লাহে লাহে কবলৈ ধৰিলে গুৰুতৰ অভিযোগ বা অপৰাধীবিলাক ক্ষমাদানৰ ভিতৰত সামৰি লোৱা নহ'ব। যিসকলৰ বিৰুদ্ধে অভিযোগ নাই সেইসকলক মুক্তি কৰি দিয়া হ'ব বুলি লাহেকৈ কবলৈ ধৰিলে। ৰাজ্যপালৰ ভাষণ যি ইয়াত ৰখা হ'ল প্ৰথমদিনাখনেই সেই ভাষণত পৰিস্কাৰকৈ সাধাৰণ ক্ষমাদানৰ বিষয়ে আচলতে দিয়া হোৱা নাছিল। এতিয়া মুল কথা হ'ল সাধাৰণ ক্ষমাদান হোৱা নাই বুলি কোৱাৰ পিছত আজি মুখ্যমন্ত্ৰীয়ে কৈছে যে গুৰুতৰ অপৰাধীবিলাকৰ বাহিৰে বাকী বিলাকক মুক্তি দিয়া হৈছে। সাধৰণতে ইয়াক দুটা ভাগত বিভক্ত কৰা হৈছে। কিন্তু ৰাজ্যপালৰ ভাষণত কোনো এটা কথা স্পষ্টকৈ কোৱা হোৱা নাই। ইয়াত দেখা গৈছে যে গুৰুতৰ অভিযোগ নথকা আলফা পণবন্দীসকলক সোনকালে মুক্তি দিয়া হ'ব। আৰু কৈছে যে অস্ত্ৰ-শস্ত্ৰ সামৰণ কৰা সকলক এই ক্ষমাদানৰ ভিতৰত সামৰি লোৱা

---

★ *Speech not corrected*

হ'ব। যিসকলক মুক্তি দিয়া হ'ব বুলি কোৱা হৈছিল সেই সকলক আচলতে এনেয়ে ধৰি ৰাখিছিল। 'গালে বালে সকলোটি খোলা মাটি তাল হ'ল' বুলি কথা এষাৰেই আছে।

অধ্যক্ষ মহোদয়, ইয়াত এটা কথা লিখা আছে যে যি সকলৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ নাই তেওঁলোকক মুক্তি দিয়া হ'ব বুলি কোৱা হৈছে। কিন্তু সাধৰণ ক্ষমাদানৰ কথাটো তেওঁলোকে আজি এমাহ ধৰি গাই-বাই জনসাধৰণক মিচলিড কৰিছে। এই বিধানসভাখন সোন কালে আহ্বান কৰা হ'ব বুলি আমি ভাবিছিলো কিন্তু সেইটো কৰা নহ'ল আৰু পিচত এই বিধানসভা আহ্বান কৰা হ'ল যদিও কাকো সঁচা কথা নকলে। মাথো কেইটামান ৰাজনৈতিক দলৰ লগত কথা পতা দেখুৱাই ৰাইজক আভুৱা ভৰা হ'ল। এইটো এটা বৰ গুৰুত্বপূৰ্ণ বিষয়। আজি কেইবা গৰাকীও বিষয়া পন বন্দী হৈ এতিয়াও আলফাৰ জিম্মাত সোমাই আছে আজি বাতৰি কাকতত এটা বিবৃতি ওলাইছে-তাত মুখ্যমন্ত্ৰীয়ে এনেদৰে কৈছে যে তেওঁলোকক দুদিনৰ ভিতৰতো আনিব পাৰো বা দুমাহো লাগিব পাৰে। এইটো এটা অনিৰ্দিষ্ট কথা। তেখেতে এনে এটা কথা ভাবিছে নেকি যে চাৰ্গেৰ নিচিন' মানুহ এজনক হত্যা কৰা হ'ল যেতিয়া বাকীবোৰ পন বন্দীৰ মৃত্যু হ'লেও ক' থা নাই? চাৰ্গেৰ মুক্তিৰ কাৰণে যি ব্যৱস্থা লোৱা হৈছিল বাকী বোৰৰ কাৰণে চৰকাৰে তেনে ব্যৱস্থা নলব নেকি? নে তেওঁলোকে এটা কথা ভাবিছে নেকি যে দিল্লীয়ে তেওঁলোকক পলমকৈ বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছে? চৰকাৰে টাডা বন্দী সকলৰ ক্ষেত্ৰত যি সাধৰণ ক্ষমতা দানৰ কথা কৈছে সেইটো আজি এমাহে ৰাইজক অসত্য কথা কোৱা হৈছিল। কিন্তু ৰাজ্যপালৰ ভাষণত এইটো স্পষ্টকৈ কোৱা হৈছে যে সাধৰণ ক্ষমাদান কেৱল গুৰুতৰ অভিযোগ নথকা সকলৰ ক্ষেত্ৰতহে প্ৰজোয্য হ'ব। গতিকে বাকী বিলাক কথাৰ কোনো যুক্তি নাই। চৰকাৰে কিছুমান চালে বেৰে কথা কৈ পতিয়ান নিয়'ব বিচাৰিছে। বাকি বিলাকৰ ক্ষেত্ৰত এটা কথা কোৱা হৈছে যে যদি আলফাৰ কৰ্মী সকলে অস্ত্ৰ-শস্ত্ৰ সম্বৰণ কৰি আলোচনাৰ মেজলৈ আহে তেতিয়াহে বাকী থকা বন্দীসকলৰ বিষয়ে চিন্তা কৰি চোৱা হ'ব। গতিকে এই ক্ষেত্ৰত সাধৰণ ক্ষমাদানৰ কথাটো প্ৰযোজ্য হ'ব নোৱাৰে।

অধ্যক্ষ মহোদয়, আজি ৰাজ্যখনত নিৰাপত্তা নোহোৱা হৈছে। যোৱা নিৰ্বাচনত অসম গন পৰিষদৰ দলৰ হৈ যি সকলে খাটিছিল তেওঁলোকৰ ঘৰত ডকাইতি কৰা হৈছে। সিদিনা পল্টন বজাৰ মচজিদত নামাজ পঢ়ি থাকোতে প্ৰাক্তন সদস্য এগৰাকীৰ ল'ৰাই এজন মানুহক মাৰ-পিট কৰিছে। তাৰোপৰি বিবেকানন্দ দাস নামৰ মানুহ এজনৰ পৰা ২০হাজাৰ টকা লৈ

গৈছে আৰু কেইবাজালো নেকলেছ আৰু আঙুঠি লৈ গৈছে। সেই ঠাইত ডকাইতৰ চেন্দেল এজোৰো পোৱা গৈছিল আৰু ৩১তাৰিখে সেই ঠাইত দুজনক গ্ৰেপ্তাৰ কৰাও হৈছিল। কিন্তু তাৰ পিছতে জিলা আঞ্চলিক কংগ্ৰেছ(ই)ৰ তৰফৰ পৰা হেঁচা দি সাতগাওঁ আৰু নুনমাটি থানাৰপৰা তেওঁলোকক ৰিলিজ কৰি নিয়া হৈছিল। অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত মোৰ হাতত প্ৰমান আছে-এইবোৰ আপোনাক মই অলপ পিছতে দাখিল কৰিম। এই লোককেইজনক ৰিলিজ কৰিবৰ কাৰণে কংগ্ৰেছ আই দলে তেওঁলোকৰ জিলা আঞ্চলিক সমিতিৰ গোটে সাতগাঁও আৰু নুনমাটি থানালৈ লিখিছিল আৰু এই ক্ষেত্ৰত যথেষ্ট হেচাঁ প্ৰয়োগ কৰিছিল। এনেকুৱা ঘটনা আৰু বহুত আছে। এইখন জিলা সমিতিৰ পৰাই সেই থানা কেইখনৰ অ, চি; এচ, আই, আৰু হাৱালদাৰক বদলি কৰিবৰ কাৰণে দাবী তুলিছে। কিয়নো তেওঁলোকে কংগ্ৰেছ আইৰ মানুহক এৰেষ্ট কৰিছে। এই আটাইবোৰৰে প্ৰমান মই আপোনাৰ ওচৰত প্ৰডিউচ কৰিম।

অধ্যক্ষ মহোদয়, এই সদনত বি, এচ, এফ,ৰ কথা কোৱা হৈছে। বি, এচ, এফে দিপিলাত মানুহ হত্যা কৰিছে। যোৱা ২৭তাৰিখে দিপিলাত হোৱা বোমা বিস্ফোৰণৰ পিচতে বি, এচ, এফৰ জোৱানসকলে পথাৰত কাম কৰি থকা মানুহক, কোনোৱা ল'ৰা পঢ়াই থকা ঠাইৰ পৰা মাতি আনি শাৰি পাতি ঠিয় কৰাই "ভাগ" বুলি কৈ পাচ ফালৰ পৰা গুলিয়াই ৫জন নিৰপৰাধী লোকক হত্যা কৰে আৰু কিছুমানক বেয়াকৈ জখম কৰে। সেইদৰে বৰাক উপত্যকাতো এই বাহিনীৰ লোকে নাৰী ধৰ্ষণ কৰি শেষত গিৰিয়েক ঘৈনীয়েক দুয়োকো হত্যা কৰে। আজি আমাৰ এটা প্ৰশ্ন হৈছে এই বাহিনীয়ে কাৰ সাহসত এনেবিলাক কাম কৰিছে। আইন শৃংখলা ৰক্ষা কৰিবৰ কাৰণে আৰু অন্য ব্যৱস্থা নাছিলনে? এই বাহিনীৰ জিন্মাতে যোৱা নিৰ্বাচনৰ বেলট বাকচবোৰ ৭দিনকৈ ৰখা হৈছিল। এই ঘটনাত আজি আমাৰ সন্দেহ হৈছে যে এনে ধৰণৰ কিছুমান চাল-চতুৰালি কৰিয়েই কংগ্ৰেছ আই দল শাসনলৈ আহিছিল নেকি? অৱশ্যে এটা কথা কব লাগিব যে মোৰ সমষ্টিত এইবাহিনীৰ তত্বাবধানত কোনো ধৰণৰ চাতুৰি কৰিব পৰা নাছিল। যোৱা ১২ জুন তাৰিখে দিশপুৰ সমষ্টিৰ যি কংগ্ৰেছ আই দলৰ প্ৰাৰ্থী জন ৭ টা বজাৰ পিচত ষ্ট্ৰং ৰুমৰ ওচৰলৈ গৈ তাৰ তলাটো চুব খোজোতেই তেওঁক বুকুত থাপ মাৰি ধৰিছিল আৰু এঘন্টাৰ কাৰণে তাত জব্দ কৰি ৰাখিছিল। গতিকে তেওঁলোকে যে সকলোতে বেয়া কাম কৰিছে তেনে নহয়। কিন্তু বহু ঠাইত তেওঁলোকে এই বাহিনীৰ জৰিয়তে যে কিছুমান বে-আইনি কাম কৰা নাই সেইটো কোৱা টান।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথাটো হৈছে জাতীয় মুক্তি বাহিনী চৰকাৰে সৃষ্টি কৰা বুলি কৈ থকা হৈছে। বিভিন্ন সংগঠনে, বাতৰি কাকতে কৈ আছে যে জাতীয় মুক্তি বাহিনী আলফাৰ বিৰুদ্ধে জন্ম দিছেবুলি কিন্তু চৰকাৰৰ ফালৰ পৰা এই সংক্ৰান্তত কোনো ধৰণৰ স্পষ্টিকৰণ ডাঙি ধৰা হোৱা নাই যে চৰকাৰৰ ফালৰ পৰা এই জাতীয় মুক্তি বাহিনী জন্ম দিয়া নাই। বাতৰি কাকতে কৈছে বিভিন্ন সংগঠনে কৈছে, কংগ্ৰেছ আইয়ে এই জাতীয় মুক্তি বাহিনী আলফাৰ বিৰুদ্ধে জন্ম দিছে। যি দৰে১৯৭৯ চনত আছুৰ আন্দোলনৰ বিপৰীতে আমচুক জন্ম দি বিভাজনৰ সৃষ্টি কৰা নাছিল জানো ? যিহেতু ৰাজ্যিক চৰকাৰে এই সংক্ৰান্তত কোনো ধৰণৰ প্ৰতিবাদ কৰা নাই তেনে স্থূলত ৰাইজে ভাবিবলৈ বাধ্য হৈছে যে কংগ্ৰেছ আই চৰকাৰে এই জাতীয় মুক্তি বাহিনী আলফাৰ বিৰুদ্ধে জন্ম দিছে। আৰু এই কথা কব বিচাৰিছো যি কেইটা কথা মই ইতিমধ্যে ক'লো সেই কেইটা চিৰিয়াচ কথা। এতিয়া বানপানীৰ সমস্যাৰ কথা কবলৈ যাওতে অসমৰ বিভিন্ন ঠাইতে বানপানীৰ যি সমস্যা সৃষ্টি হৈছে তাৰ লগত গুৱাহাটি মহানগৰীৰো বানপানীৰ সমস্যাৰ কথা মই ডাঙি ধৰিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত বানপানীৰ বিষয়ে উল্লেখ হৈছে যদিও মই গুৱাহাটী আন্দাৰ গ্ৰাউন্দ কেনেল চিচটেমৰ কথা ক'ব বিচাৰিছো, এই সম্পৰ্কত ২১ টা মান আঁচনি প্ৰস্তুত কৰা হৈছিল তাৰে মাত্ৰ ৬খন আঁচনিহে কাৰ্যকৰী হৈছে আৰু তিনিকোটি মান টকা খৰচ কৰা হৈছে। এই সম্পূৰ্ণ আঁচনিখন কাৰ্য্যকৰী তুলিবলৈ ৪০ কোটি মান টকা লাগে। এই ২১ খন আঁচনি কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰিছে। কিন্তু এই ৪০ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আদায় কৰিব নোৱাৰাৰ কাৰণে কাৰ্য্যকৰী কৰিব পৰা নহ'ল। বিগত অসম গণ পৰিষদ চৰকাৰ যদিও কেন্দ্ৰীয় চৰকাৰ ৰাষ্ট্ৰিয় মৰ্চ্চা অছিল আৰু আমি মাত্ৰ অংশীদাৰহে আছিলো গতিকে সম্পূৰ্ণ টকা খিনি আদায় কৰিব পৰা নহ'ল। এনেয়ো কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্যচৰকাৰক সহায় কৰাত আগবাঢ়ি নাহে কিন্তু এতিয়া যিহেতু কেন্দ্ৰতো কংগ্ৰেছ আই চৰকাৰ আৰু ৰাজ্যখনতো কংগ্ৰেছ আই চৰকাৰ চলি আছে তেনে ক্ষেত্ৰত এই আঁচনি কেইখন কাৰ্য্যকৰি কৰি তোলাত বিশেষ অসুবিধা নহ'ব যদিহে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্যিক চৰকাৰ পুঁজি অনাত যত্নপৰ হয়। মই ভাবো ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰক টকা-পইচা আদায় কৰি অনাত যথেষ্ট হেঁচা দিয়ে। মোৰ বিশ্বাস আপোনালোকে পাৰিব। তাৰ পাচত আমাৰ বানপানী প্ৰতিৰোধৰ কাৰণে যিবিলাক মঠাউৰী নিৰ্মান কৰা হয় সেই বিলাক যাতে অধিক শক্তিশালী আৰু বহল হয় কিয়নো এই মঠাউৰী বিলাক যদি ছিঙি যায় তাৰ দ্বাৰা বিস্তৰ ক্ষতি হয় কিন্তু মঠাউৰি নিদিলেও

নহয়। বিগত চৰকাৰৰ দিনত মঠাউৰীৰ কাৰণে যি পৰিমানৰ টকা বিচৰা হৈছিল সেই মতে দিয়া নাই, ২০০ কোটি টকা বিচাৰিলে মাত্ৰ ২০ কোটি টকা দিয়ে। মাঠাউৰী বিলাক হ'লে ৰাইজে তাৰ পাৰত বা তাতেই বানপানীৰ পৰা ৰক্ষা পাব পাৰে। গতিকে মঠাউৰি বিলাক যাতে অধিক বহল ভাবে নিৰ্মান কৰিব পাৰি তাৰ বাবে চেষ্টা কৰিব লাগে। আজি আমাৰ আটাইতকৈ ডাঙৰ কামটো হৈছে আমি কেনেদৰে দিহিং আৰু সোৱণশিৰী প্ৰজেক্টটো কাৰ্য্যকৰী কৰো, এই ক্ষেত্ৰত অৰুণাচল চৰকাৰৰ পৰা সদায়েই বাধা পাই থকা হৈছে কিন্তু এতিয়া কেন্দ্ৰীয় চৰকাৰ অৰুনাচল চৰকাৰ আৰু অসমতো কংগ্ৰেছ আই চৰকাৰ আহিছে তেনে ক্ষেত্ৰত এই তিনিখন ৰাজ্য মিলি দিহিং আৰু সোৱনশিৰী প্ৰজেক্টটো কাৰ্যকাৰী কৰি তুলিব পৰা হ'ব আৰু তেতিয়া আমাৰ ব্ৰহ্মপুত্ৰৰ পৰা যিটো ভয়াবহ পৰিস্থিতি সৃষ্টি হয় সেইটো বহু পৰিমাণে উপশম হ'ব আৰু সেইটো হৈ উঠিলে বানপানীৰ সময়তো বহ্মপুত্ৰৰ জলপৃষ্ঠ বিপদ সীমাৰ পৰা প্ৰায় কেবা মিটাৰো তলত থাকিব। যদি এই প্ৰজেক্টটো আৰুনাচলৰ লগত লগ লাগি কৰিব পৰা নহয় তেতিয়াহ'লে এইটো প্ৰজেক্ট বাদ দিব লাগে নহ'লে আমি বহু দিনৰে পৰা এই প্ৰজেক্টৰ কথা কৈ কৈ আন গুৰুত্বপূৰ্ণ কাম হাতত ল'ব পৰা নাই। গতিকে মই এই ক্ষেত্ৰত এটা দৃঢ় পদক্ষেপ লবলৈ ৰাজ্যিক চৰকাৰক জনাব বিচাৰিছো। তাৰ পাচত আমাৰ ৰাজ্যত যি সীমাবিবাদৰ সমস্যা আজি বহু দিনৰে পৰা চলি আছে সেই সংক্ৰান্তত ক'ব বিচাৰো নাগালেণ্ডৰ সীমাত যি বি, এচ, এফ বাহিনী মোতায়েন কৰা হৈছে সেই বাহিনীয়ে আমাৰ ৰাজ্যত বহু প্ৰকাৰে বাধাৰ সৃষ্টি কৰি আছে তেওঁলোকে আমাৰ ৰাজ্যৰ সীমান্ত স্কুলঘৰ বা খেতি-বাতি কৰাত আমাৰ ৰাজ্যৰ মানুহক বাধা দিয়ে কিন্তু তেওঁলোকে নাগালেণ্ডৰ মানুহক ঘৰ-বাৰি সজোৱা বা স্কুল ঘৰ ইত্যাদি সজোৱা কামত সহায়হে কৰে, গতিকে এই সীমাবিবাদৰ সমস্যাটোৰ ওপৰত বিশেষ মনোযোগ দি সোনকালে মিমাংসা কৰিব লাগে। আমাৰ আন এটা সমস্যাই দেখা দিছে- আমাৰ ভৈয়ামৰ যি সকল জনজাতীয় ভাই আছে তেওঁলোকক পাহৰত জনজাতিয় হিচাবে ৰিকোগনাইজ কৰা নাই সেইদৰে পাহাৰৰ জনজাতীয় ভাই সকলক ভৈয়ামত জনজাতীয় হিচাবে একচেপ্ট কৰা নাই, মোৰ নিজৰ সমষ্টিতে যি সকল বড়ো ভাই গাৰো আছে তেওঁলোকেই এই অসুবিধাৰ সন্মুখীন হৈছে। সেইদৰে অসমৰ বিভিন্ন অঞ্চলৰ যিসকল মটক মৰাণ ৰাজবংশী আছে তেওঁলোকেও এই লাইনত চিন্তা কৰি আছে, গতিকেই ভৈয়ামৰ জনজাতি ভাই সকলক পাহাৰত আৰু পাহাৰৰ জনজাতীয় সকলক ভৈয়ামত ৰিকোগনাইজ কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দি তত্কালীন ভাবে ব্যৱস্থা লব লাগে। মাননীয়

অধ্যক্ষ মহোদয়, তাৰ পাচত আমাৰ গুৱাহাটি মহানগৰীৰ আশে-পাশে থকা দীপৰ বিল আৰু শিখৰ বিল আৰু মহানগৰীৰ মাজত বিভিন্ন ঠাইত কিছুমান জলপৃষ্ঠ আছে সেইবিলাক একাদিক্ৰমে পুতি পেলোৱাৰ উপক্ৰম হৈছে, যদি এই জলপৃষ্ঠ সমুহ এইদৰে পোত গৈ থাকে তেতিয়াহ'লে সময়ত গৈ গুৱাহাটি মহানগৰী এদিন বানপানীত ডুব যাব। মই চৰকাৰত থাকোতে তেতিয়া ৰাজহ মন্ত্ৰীক এই সম্পৰ্কত লিখিছিলো কিন্তু দুখৰ বিষয় সেই সময়ত হেঙ্গেৰাবাৰীত শিখৰ বিলৰ বিৰাট জলপৃষ্ঠ অঞ্চল উদ্যোগ বিভাগক দি দিয়া হ'ল, ইয়াৰ ফলত হেঙ্গেৰাবাৰী অঞ্চলত বানপানীৰ সমস্যা বেচি হ'ব। আনকি মই উদ্যোগ মেলাত নিমন্ত্ৰন থকা স্বত্বেও উপস্থিত নাথাকিলো। গতিকে মই বৰ্ত্তমান ৰাজহ মন্ত্ৰীক বিশেষ ভাবে অনুৰোধ জনাও যাতে গুৱাহাটিৰ বিভিন্ন ঠাইত থকা সৰু সৰু জলপৃষ্ঠ বিলাক আৰু দীপৰ বিল আৰু শিখৰ বিল যাতে মাটিৰে পুতি পেলোৱা নহয় এই বিষয়ে মনোনিবেশ কৰিব। কিন্তু জলপৃষ্ঠ পুতি পেলালে তাৰ পৰা ভয়ানক ক্ষতি হ'ব পাৰে। আৰু এটা দৰকাৰী কথা হ'ল আমাৰ ৰাজ্যখনত বানপানীৰ তাণ্ডব লীলাৰ সময়ত প্ৰতি বাৰেই কেৱল মিলিটেৰীৰ সাহাৰ্য্য বিচাৰিব লগীয়া হয় কিন্তু তাকে নকৰি যদি আমি কিছুমান মটৰ লাঞ্চ আমাৰ নিজা ববিয়াকৈ আগতিয়াকে সংগ্ৰহ কৰি যাওঁ বা কিনি লওঁ তেতিয়াহ'লে আমি মিলিটাৰীৰ সাহাৰ্য্য বিচাৰিব নালাগে। ঠাই বিশেষে আমি কিছুমান হেংঙ্গীব্ৰীজৰ ব্যৱস্থা কৰিব পাৰো। য'ত নেকি আমাৰ বানপানীত দুৰ্গত লোকসকলে অলপ হ'লেওঁ আশ্ৰয় লব পাৰে। অগপৰ দিনত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ধৰণৰ সহায় বিচৰা মতে পাৱা নাই। এতিয়া যিহেতু ৰাজ্যচৰকাৰ কংগ্ৰেছ আই চৰকাৰ আৰু কেন্দ্ৰতো একেটা চৰকাৰ এই সম্পৰ্কত আমি ভালেমানখিনি কামত আগুৱাবলৈ অসুবিধা নাপাম। গতিকে মই ৰাজহ মন্ত্ৰীক এই দিশত মনোনিবেশ কৰিবৰ কাৰণে অনৰোধ জনালোঁ আৰু বিশ্বাস কামটো সহজ-সাধ্য কৰি তুলিব পৰা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, অৱশ্যে বৰ্ত্তমান চৰকাৰৰ বয়স এতিয়া সিমান হোৱা নাই যিটো নেকি আমি সমালোচনা কৰিব পাৰো, মাত্ৰ যোৱা ৩০ তাৰিখে দায়িত্ব ভাৰ গ্ৰহণ কৰিলে আজি মাত্ৰ ৫ তাৰিখ অৱশ্যে ৰাজ্যপালৰ শাসন ৰাজ্যখনত বলবত কৰাৰ দিনৰে পৰা ৰাইজে অৱশ্যে কংগ্ৰেছ আইৰ চৰকাৰ বুলিয়েই ধৰিছে গতিকে মই এই আৱশ্যকীয় কথা কেইটা উত্থাপন কৰিলো। গতিকে এই খিনিকে কৈ সদনৰ সকলো সদস্যকে ধন্যবাদ জনাই আৰু মাননীয় অধ্যক্ষ মহোদয়ক এই খিনি কবলৈ দিয়াৰ বাবে ধন্যবাদ জনাই ৰাজ্যপালৰ ভাষণৰ ওপৰত মোৰ বক্তব্য ৰাখি সামৰণি মাৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই মাননীয় সদস্যসকলৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে ইয়াত সময় অন্য ধৰণেৰে আছে- আজিৰ সময়ক বাদ দি কংগ্ৰেছ আইৰ সময় আছিল ১৭১ মিনিট, এ জি পি ৰ ৪৮ মিনিট মাননীয় সদস্য শ্ৰীঅতুল বৰা ডাঙৰীয়াই ২৫ মিনিত কলেই বাকী আছে ২৩ মিনিট। জনতা দলৰ নাই। এন এ জি পিৰ ২২ মিনিট, এ এচ ডি চিৰ নাই, চি পি আইৰ ৯ মিনিট, বি জে পিৰ নাই, চি পি আই (এম) ১২ মিনিট আছে। এচ ইউ চি আইয়ে ৯ মিনিট বেছিকৈ কৈছে। মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম গ্ৰুপৰ ৩৯ মিনিট, মাননীয় সদস্য শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী দেৱে ৪ মিনিট বেছিকৈ কৈছে। আমাৰ সদনত বহুতো নতুন সদস্য আহিছে- তেওঁলোককো ক'বলৈ সুবিধা দি কমকৈ বক্তৃতা দিবলৈ অনুৰোধ কৰিছো।

☆**শ্ৰীজয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সময় বঢ়াব লাগে।

**মাননীয় অধ্যক্ষ ঃ** অহা কালি সদনত মাননীয় সদস্য সকলৰ অনুমতি সাপেক্ষে এইটো কৰা হ'ব। এতিয়া মাননীয় সদস্য ডাঃ কৃষ্ণ কান্ত লহকৰ ডাঙৰীয়াই ক'ব।

★**ডাঃ কৃষ্ণ কান্ত লহকৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত দুটামান কথা কবলৈ বিচাৰিছো। বিশেষকৈ গোটেই দেশখনতে অৰাজকতা হোৱাৰ নিচিনা হৈছে। এইটো আজিৰ নহয় ১৫ বছৰ আগৰ পৰাই হৈছে। এই বিষয়টো কেনেকৈ নিষ্পতি কৰিব পাৰি তাক চাবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। আন এটা মন কৰিব লগীয়া কথা যে এই অৱস্থাত হথাৎ চীনে ভাৰতবৰ্ষ আক্ৰমন কৰিব পাৰে। এইটো যদি সঁচা হয় তেতিয়া হ'লে মই ভাবো চীনে বাংলাদেশৰ লগত লগ হ'ব পাৰে। এই বিষয়টো চৰকাৰে চিন্তা কৰি সোনকালে অশান্তিৰ উপশম ঘটাবলৈ অনুৰোধ কৰিছো।

অধ্যক্ষ মহোদয়, মই নিবনুৱা সমস্যাৰ বিষয়ে অলপমান কবলৈ বিচাৰিছো। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰিয়াই ৫ বছৰত ১০ লাখ নিবনুৱাক চাকৰি দিম বুলি কৈছে - কিন্তু মই ভাবো তেনেকুৱাকৈ চাকৰি দিব নোৱাৰে। অসমত বহুটো কেঁচা মাল অন্য প্ৰদেশলৈ গৈ আছে আৰু তাৰ পৰা বস্তু তৈয়াৰ হৈ আমাৰ ইয়ালৈ আহিছে। বাহিৰত তৈয়াৰ হৈ অহা এডাল কেয়া আঙুলীৰ সমান 'কেণ্ডেল' ১৬ পইচাত তৈয়াৰ হয় যদিও ইয়াত আমি ২ টকাত কিনিব লাগে। সেই কেণ্ডেলৰ পেকেটৰ ওপৰত কলিকতা বা অন্যত তৈয়াৰ বুলি লিখা থাকে কিন্তু অসমৰ কথা লিখা নাথাকে। যি কেইখন অসমত 'লাইচেঞ্চ' আছে তাত 'ৰাঙ্ক' নাপাই বাহিৰে বাহিৰে কলিকতালৈ যায়। মই মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে ইয়াতে এইবোৰ

★ *Speech not corrected*

তৈয়াৰ কৰা হয় তাৰ বাবে বিশেষ ব্যৱস্থা লয়।

অধ্যক্ষ মহোদয়, ১৯৭৫ চনতে মই আৰু ডাঃ ভূমিধৰ বৰ্ম্মণ ডাঙৰিয়া গৰ্ভনৰৰ ওচৰলৈ গৈ বহু চেষ্টা কৰি এটা পলিষ্টাৰ' উদ্যেগ কৰিলো। তাত ৩০০ জন লোকে কাম কৰিছে। অসমত তেনেকুৱা ৪/৫ টা পলিষ্টাৰ মেচিন আনিব নোৱাৰে নেকি? অসমত যি খিনি সুতা কটা হৈছে সেইখিনি অসমত ব্যৱহাৰ নহৈ বম্বেলৈ গৈছে আৰু কাপোৰ তৈয়াৰ হৈ আছে। ১৯৭৫চনতে ৪শ কৈ টকা দিছিল। দুখৰ বিষয় আজিলৈকে সেই টকাখিনি ডলিয়াই দিয়া নাই। সেইটকাখিনি সুতৰ সৈতে ঘূৰাই দিব লাগে।

অধ্যক্ষ মহোদয়, মই বানপানীৰ বিষয়ে দুষাৰ কবলৈ খুজিছো ভাৰত চৰকাৰে অসমক হিংসা কৰিয়ে হওঁক বা অৱহেলা কৰিয়ে হওঁক অসমৰ বানপানীৰ সমস্যা সমাধান কৰিবলৈ নিবিচাৰে। ব্ৰহ্মপুত্ৰ আয়োগ তৈয়াৰ কৰিবৰ ৫/৬ বছৰ হ'ল। যোৱা ৫ বছৰে 'চাৰ্ভে' কৰোতে গ'ল। বৰ্ত্তমানো কোনো কাম হোৱা নাই।

অধ্যক্ষ মহোদয়, মই শিক্ষাৰ বিষয়ে এটা কথা কবলৈ বিচাৰিছো যে- 'মেট্ৰিক' পাছ কৰা ল'ৰা বিলাকক এল পি স্কুলৰ শিক্ষক নিযুক্তি দিয়া বন্ধ কৰিছে। ৪০ শতাংশ পাই 'মেট্ৰিক' পাছ কৰা ল'ৰা বিলাকে কি কৰিব। এই বিলাক কাৰণতে তেওঁলোক আলফা হ'বলৈ বাধ্য হৈছে। 'মেট্ৰিক' পাছ কৰা ল'ৰা বিলাকক এল পি স্কুলৰ শিক্ষক পদত নিযুক্ত দিব লাগে।

অধ্যক্ষ মহোদয়, মই জলসিঞ্চনৰ বিষয়ে কবলৈ বিচাৰিছো যে আমাৰ ৫টা প্ৰজেক্ট আছিল। তাৰ ভিতৰত ৩ টা কাম কৰিছে ২টা কাম কৰা নাই। যোৱা ১৫ বছৰে কিয় জলসিঞ্চনৰ উন্নতি কৰিব পৰা নাই। ব্ৰহ্মদেশত টিনপাত দি 'লিফট' ইৰিগেচন কৰি খেতিয়কে পথাৰলৈ পানী নিয়ে। আগতে আমাৰ চেলোফিল্টাৰৰ পানী দি খেতি কৰিছিল। বম্বেত টিউব দি ৬/৭ ঘৰ মানুহে খেতি কৰিবলৈ আৰম্ভ কৰিছে। মই ভাবো এই মানুহ বিলাকক ইৰিগেচনৰ সুবিধা চৰকাৰৰ ফালৰ পৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

★**Shri Giasuddin Ahmed :** Mr. Speaker, Sir, I am fully conscious that the time at my disposal is abnormally short. So, I shall try to be very conies. Now, what are the problems the country and the State are faced with today. The most serious and the most burning problems of the State are undoubtedly the problems of the United Liberation Front of Assam, the problems of Bodoland and also the problems

★ *Speech not corrected*

of the people of Karbi Anglong and the NC Hills districts about autonomous State. These are the most serious problems we have been faced with today because these problems involve the question of integrity of Assam and the country as well. Various aspects of the ULFA problems have been discussed in this House and I do not like to repeat them. But I would like to raise here some of the points relating to their demands. What is their demand? ULFA wants to secede from India and they want to have an independent Assam. Why? We are definitely against secession; we are against terrorism and we against killing of innocent people. That is true. But then, we would like to have an objective analysis of the situation prevailing in the State today which compels the youth of the State to take up arms. I repeat, Sir, there Should be some objective analysis of the situation that has compelled the youths of the State to take up arms. Without discussing these problems we cannot have an effective sholition of the problems that have occurred. Why do they want to succeeded from India? Why do they want to have an independent Assam.? Sir, the other days I met the Minister PWD for black-topping of some few kilometres of road in my constituency and he said he does not have any fund. I think that is the condition with most of the ministers. Is there any Minister who dose have enough fund to carry out his departmental works? No.I do not blame the Ministers that they do not have any fund or carrying out different development works. May I point out here, Sir, what is the net yearly income of the tea industries in Assam? It is approximately 1500 to 2000 crores per annum. That was in 1980-81, Which was the average not average not income of the tea industries in Assam. Now my Straight proposal to the Govt. of Assam to take over all the tea gardens of the

State right now (applause). I think all the Ministers will be happy with this proposal because they will have enough fund. I can give them 2000 crores of rupees from the tea industry alone, leaving aside the income from other natural resources of the State such as oil, coat etc. Sir, is there any bar in take over the tea industry? The constitution itself is a bar. The constitution by which we take oath appears to be a hindrance to the progress and fulfilment of the hopes and aspirations of the people. That is the problem. The problem not only exists in Assam; it exists in Jammu & Kashmir and various other States of India. Therefore, the crux of the problem is the problem of restructuring the Centre-State relation. Centralisation of power must be given up. The Centre-State relationship must be restructured giving more powers to the State. Sri, I am sure, if ownership of all the natural resources in the State is vested with the State of Assam, I think, Govt. of Assam will get a revenue of notles than 5000 croes of rupees. If this is done the problem of flood control and other problems of the State can easily be solved control and other problems of the State can easily be solved. Sir, Government has declared they will give employment to lakhs of people during the couple of years. But where is the fund? Is the statement made only to hoodwink the people of the state? The problem will not be solved by giving mere Statement by the Govt. The fund must be there. So, I propose, Sir, let us have a secret session of the House to discuss all these matters and let us take a unanimous resolution for re-structuring the Centre-State relation by giving more powers to the State, not only to Assam but to other States of India. Let us sink our differences and let us sit in a separate session to discuss the matter.There are certain differances but let us a link our differences and let us adopt a unanimous

resolution recommending to the Govt. of India for granting more powers to the States. Let us recommend to the Govt. of india that the constitution be amended giving more power to the States to make it more meaning- full. A dialogue can be held with the people of Karbi Anglong. There should be certain principle, legitimate rights, hopes and aspirations of difference sections of the people and ethnic groups should be duly recognised. With this basic aim, we should start a dialogue with the people concerned. Thank you sir.

**★শ্ৰী লক্ষী প্ৰসাদ বৰগোহাইঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনত মাননীয় শ্ৰীমজিবুৰ ৰহমান ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদজ্ঞাপন প্ৰস্তাব আগবঢ়াইছে মই এই প্ৰস্তাবটোত পূৰ্ণ সমৰ্থণ জনাই ক'ব খুজিছোঁ যে ৰাজ্যপালে এই সদনত দিয়া ভাষণ অতি সুন্দৰ হৈছে, চমতকাৰ হৈছে আৰু সময় উপযোগী হৈছে। এই ভাষণত ৰাজ্যপালে আমাৰ ৰাজ্যখনৰ বিভিন্ন সমস্যাৰাজি সম্পূৰ্ণভাবে দাঙি ধৰিছে আৰু চৰকাৰে তেওঁলোকৰ দিনত এই সমস্যাৰাজিৰ ওপৰত কেনেকুৱা ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ যি ইংগিত দিছে সেই সকলো বিলাক সুন্দৰভাবে পৰিস্ফুত হৈছে।

বিৰোধি পক্ষৰ সদস্য সকলে আইন শৃংখলাৰ কথা কৈছে। আইন শৃংখলাৰ সম্পৰ্কত সদন বহাৰ দিনৰে পৰা আৰম্ভ কৰি আজিলৈকে উত্তপ্ত পৰিবেশৰ সৃষ্টি হৈ আহিছে। এই চৰকাৰে নাৰী ধৰ্ষণ আৰু বিচ এফৰ জোৱানৰ দ্বাৰা চৰকাৰী নৰহত্যা কৰা হৈছে বুলি বিৰোধী পক্ষৰ সদস্য সকলে কব খুজিছে। মাত্ৰ সৌ সিদিনাহে এই চৰকাৰখন গঠন হৈছে। ভালকৈ থিতাপি লবলৈকে পোৱা নাই। তেনে ক্ষেত্ৰত এই চৰকাৰক বিপৰ্য্যপ্ত কৰিবলৈ চেষ্টা কৰা উচিত নহয় বুলি মই বিবেচনা কৰো। দিপিলাত যিটো ঘটনা ঘটিছে সেইটো চৰকাৰী দলে সমৰ্থন কৰিব নোৱাৰে। এই ঘটনাত মৰ্মাহত হৈছো। শিৱসাগৰত এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ কথাটো আমি সমৰ্থন কৰিব নোৱাৰো। ইয়াৰ ওপৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। যি বিলাক জোৱানে এনে কৰিছে তেওঁলোকক কৰায়ত্ব কৰা হৈছে আৰু তেওঁলোকৰ ওপৰত বিচাৰ কৰাৰ প্ৰতিশ্ৰুতিদান কৰা হৈছে। আজি যি দুই এটা ঘটনা ঘটিছে তাৰ তুলনাত যোৱা ৫ বছৰত যি বিলাক ঘটনা ঘটিল আৰু সেই বিলাক ঘটনা যি সকলে নিৰবে চাই থাকিল

★ *Speech not corrected*

সেই সকলে আজি এনে ধৰণৰ ঘটনা বিলাক সমালোচনা কৰাৰ কোনো নৈতিক অধিকাৰ নাই বুলি মই কব খোজোঁ।

(কেইবাটাও মাত – ভাল হৈছে, কৈ যাওক)

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি কব খোজোঁ যে এগৰাকী সদস্যই বক্তৃতা দি থকা অৱস্থাত হাঁহি খিকিন্দালি কৰি থকাটো মই ভাল বুলি নাভাবো। এইটো যদি তেওঁলোকৰ কৃষ্টি হয় নাজানো কিন্তু এইটো কংগ্ৰেছ দলৰ কৃষ্টি নহয়। এই ধৰণৰ হাঁহি খিকিন্দালি কৰাটোক মই অবজ্ঞা বুলি বিবেচনা কৰো। এই বিলাক তেওঁলোকৰ আদৰ্শ বুলি মই মানি লৈছো। যোৱা ৫ বছৰীয়া কাৰ্য্যকালত নাৰী ধৰ্ষণ হোৱা নাছিল? ভূমকাত শ শ নাৰীক সমূহীয়া ভাবে ধৰ্ষণ কৰা হ'ল। পুলিছে বড়ো সকলৰ ওপৰত অত্যাচাৰ কৰিলে। আনকি নাদত কেৰাচিন ধালি দি নাদৰ পানী খোৱাৰ অনুপযোগী কৰা হৈছিল। সেই বিলাক কি বিবেকবানৰ কাৰ্য্য আছিল। গতিকে আজি যি সমলোচনা কৰিছে সেই বিলাক সমালোচনা তেখেতসকলে নকৰাই লৈই ভাল আছিল। আমি তেওঁলোকৰ উন্নয়ন মূলক কাৰ্য্যকলাপত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট সংশোধন কৰাৰ প্ৰস্তাৱ দিছে। বিগত ৫ বছৰত ৭ হাজাৰখন প্ৰাইমাৰী স্কুল চৰকাৰীকৰণ কৰা নহ'ল। মাধ্যমিক পৰ্য্যায়ত ৫১২ খন স্কুল চৰকাৰীকৰণ কৰাৰ অত্যন্ত প্ৰয়োজন আছিল। যোৱা ৫ বছৰত এখনো কৰা নহয়। তেওঁলোকৰ পোহনীয়া ছাত্ৰ সন্থাই সেই সময়ত যি কৈছিল সেয়ে হৈছিল। ৮/৯ জনকৈ যদি স্কুলত শিক্ষক নাথাকে তেনেহ'লে প্ৰিঞ্চিপাল বা প্ৰধান শিক্ষক জনে সেই খন স্কুল কেনেকৈ চলাব পাৰে? ছাত্ৰ সন্থাই সেই বিলাক কথাত কোনো দিনেই চকু নিদিলে। সেই সকলে চকু দিলে কাক কাক মদৰ মহল দিয়া হ'ল সেই বিলাক কথাত। ডিব্ৰুগড়ত কেইজনমান কংগ্ৰেছী লোকক মদৰ মহল দিয়া বাবে ছাত্ৰ সন্থাই ডিব্ৰুগড় বন্ধ পালন কৰিলে। মই ভাবো যে ছাত্ৰ সন্থাই এই বিলাকত চকু দিব নালাগে। যোৱা ৫ বছৰত তেওঁলোকে যি বিলাক কালচাৰ দেখুৱাই গ'ল মই সেই সম্পৰ্কত ক'ব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ বক্তব্য আৰু দীঘলীয়া নকৰো। এইখিনিতে মই এটা কথা আপোনালোকক কওঁ যে, এই ৰাজ্যপালৰ ভাষণখনৰ গঠন মূলক দৃষ্টি ভঙ্গীৰে চাই আলোচনা কৰিব লাগে। মাননীয় সদস্যসকলৰ চেহেৰাপাতি দেখি ভাল পাইছো। আপোনালোকৰ বয়স আছে, ৰাইজে

আপোনালোকৰ পৰা বহুতো আশা কৰে। সেই আশা আপোনালোকে ধীৰে স্থিৰে সদনৰ পৰিবেশ ৰক্ষা কৰি সুস্থ পৰিবেশত আলোচনা বিলোচনা কৰি চৰকাৰৰ গঠনমূলক কাৰ্যসূচীত আপোনালোকে সমৰ্থন জনাব বুলি আশা কৰিলো। গতিকে আজি মাননীয় সদস্য আব্দুল মজিবুৰ ৰহমান ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ সদনত দাঙি ধৰিছে এই প্ৰস্তাৱ সুন্দৰভাৱে চিন্তা কৰি সমৰ্থন কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

(Mr. Speaker vecated the chair and Mr. Deputy Speaker occupied it)

★**শ্ৰীমতী প্ৰমীলা ৰানী ব্ৰহ্ম** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য আব্দুল মজিবুৰ ৰহমান ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে সেই সম্পৰ্কত মই কেইটামান কথা ক'ব বিচাৰিছো। ৰাজ্যপালৰ ভাষণৰ ৪ নং প্ৰস্তাৱত কৈছে যে **(Quoted: During the current wave of flood more than 35 lakhs of people in 19 districts of the State have been badly affected. 4000 villages with crop area of 2.34.058 hectaree have been affected by the flood".)** উপাধ্যক্ষ মহোদয়, যোৱা বানপানীৰ সময়ত গোটেই অসম প্লাবিত হৈছিল। ইয়াৰ লগতে আমাৰ কোকৰাঝাৰ জিলাও বানপানীৰ কৱলত পৰিছিল। তাৰোপৰি সৰলভাঙ্গা, আই আদি যি কেইখন নদী কোকৰাঝাৰৰ মাজেদি বৈ গৈছে সেই নদী বিলাক বৰ খৰস্ৰোতা। যোৱা বানপানীত ৰাইজক সহায় কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ পৰা অনুদান পোৱা হৈছিল কিন্তু আমাৰ ৰাইজে কোকৰাঝাৰ জিলাত এক পইচা বা এক মুঠি চাউলো পোৱা নাই। এইবিলাক কি কাৰণে হ'ল? কোকৰাঝাৰ জিলা অকল বড়ো দমিনেটেদ জিলা হোৱা কাৰণে সকলো দিশৰ পৰা অৱহেলিতনেকি? প্ৰলয়ংকৰী বানপানীত আমাৰ বড়ো ৰাইজৰ হাজাৰ হাজাৰ বিঘা মাটি নদীৰ বুকত লীন হ'ল। ২০০ ৰো অধিক ৰাইজ গৃহহীন হ'ল। এই গৃহহীন লোকসকলক কোনো ধৰণৰ সাহায্য দিয়া হোৱা নাই। চৰকাৰৰ ওচৰত আমি অৱহেলিত হৈয়ে আছো। তাৰোপৰি উপাধ্যক্ষ মহোদয়, বড়ো দমিনেটেদ এৰিয়া হোৱাৰ বাবে আমাৰ ৰাস্তা-ঘাটৰ অৱস্থা অতি বেয়া। প্ৰায়বিলাক ৰাস্তা অচল হৈ আছে। যাৰ ফলত বড়ো এলেকাত শিক্ষা দীক্ষাৰ ক্ষেত্ৰত আৰু অৰ্থনৈতিক দিশত সকলো ফালৰ পৰা অৱহেলিত। আজি ৪০ বছৰে এই দৰে অৱহেলিত হৈ থকাৰ বাবেই আৰু মুক্তি পোৱাৰ বাবে আজি বড়ো ৰাইজে নতুন ৰাজ্য গঠন কৰাৰ বাবে চেপাৰেট ষ্টেট ক্ৰিয়েটৰ বাবে আন্দোলন কৰিছে। আমাৰ এই আন্দোলৰ প্ৰতিবাদত আমি চৰকাৰৰ পৰা কি পাইছো

★ *Speech not corrected*

তাক ব্যাখ্যা কৰিব নোৱাৰো। আমাৰ গণতান্ত্ৰীক আন্দোলনৰ মষিমূৰ কৰাৰ বাবে আগৰ এ, জি, পি চৰকাৰে আমাৰ মাতৃ, বাই-ভনী, ভাই আদিৰ ওপৰত নানা অত্যাচাৰ চলালে। একে ৰাতিৰ ভিতৰতে ১০ গৰাকী মহীলাক ধৰ্ষণ কৰিলে, তাৰোপৰি যোৱা বছৰৰ ১০ মে' তাৰিখে উপেন ব্ৰহ্মৰ শ্ৰাদ্ধত যোগাদান কৰিবলৈ যোৱা হাজাৰ হাজাৰ লোকক পুলিছে বাধা প্ৰদান কৰিছিল আৰু সেইদিনাই বাঘমাৰাত চৰকাৰৰ পুলিচ বাহিনীয়ে ১০ গৰাকী মহিলাক গণ ধৰ্ষণ কৰিছিল। আমাৰ গণতান্ত্ৰিক আন্দোলন দমন কৰাৰ কাৰণে এ, জি, পি চৰকাৰে যি অত্যাচাৰ কৰিছে তাক উল্লেখ কৰি শেষ কৰিব নোৱাৰি। আমাৰ হাজাৰ হাজাৰ বড়োলোকক হত্যা কৰিছে, আই বাই ভনী সকলক গণ ধৰ্ষণ কৰিছে। সেই গতিকে মই আমাৰ ৰাজ্যপালৰ ভাষণত বড়ো লেণ্ডৰ দাবী উল্লেখ কৰাৰ কাৰণে দাবী কৰিছো। এই চৰকাৰৰ ওচৰত দাবী কৰিছো যে গণতান্ত্ৰিক আন্দোলন চৰকাৰী হত্যা কৰি দমন কৰিব নোৱাৰে। এই আন্দোলন বহু বছৰ ধৰি উমি উমি জ্বলি থকা আন্দোলন। চৰকাৰী হত্যা কৰি এই আন্দোলন দমন কৰিবলৈ গলে চৰকাৰে ভুল কৰা হ'ব। আমাৰ এই দাবী ন্যাৰ্য্য দাবী "Until and unless we achieve our separate Bodoland there will be no rest. No Bodoland, No rest.

★**শ্ৰীবদন বৰুৱাঃ** – মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য মজিবুৰ ৰহমান ডাঙৰিয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ আনি কৈছে যে-সদনত ৰাজ্যপাল মহোদয়ে দিয়া ভাষণটো অনুগ্ৰহৰ ওপৰত দিয়া ভাষণ। এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ মাননীয় সদস্য সকল, ৰাজ্যপালৰ ভাষণৰ ওপৰত কৃতজ্ঞ আৰু ধন্য। উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই তেখেতৰ ভাষণত ৰাজ্যপালৰ ভাষণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। কিন্তু আমি এই প্ৰস্তাৱটো সমৰ্থন কৰা নাই আৰু ইয়াৰ বিৰোধিতা কৰিছো। অকল বিৰোধিতাই নহয়, ৰাজ্যপালে যি ভাষণ দিয়াৰ দিনা আমাৰ বহুতো মাননীয় সদস্যই সেই ভাষণ ফালি পেলাইছিল। ৰাজ্যপালে যি ভাষণ দিলে সেইয়া অনুগ্ৰহ কৰি দিয়া ভাষণ নহয়– তেখেতে; সংবিধানিক বিধি মতেহে দিছে ৰুল ১৭৬ আৰু ১৭৫ Quoted at the commencement of the first session after each general elec-tion to the legislative Assembly and at the commencement of the first session of each year, the Governor shall address the Assembly as required by Article 176(1) of the constitu-tion.

---

★ *Speech not corrected*

উপাধ্যক্ষ মহোদয়, সিদিনা ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত কৈছিল যে তেখেতে কনষ্টিটিউচন অষ্টিগেচনত ভাষণ দিছে। ৰাজ্য পালৰ ভাষণত আমাৰ ট্ৰেজাৰী বেঞ্চত বহা মাননীয় সদস্য সকলে আমোদ পাইছে কাৰণ এই ভাষণ প্ৰকৃততে এখন কাব্যৰ দৰে হৈছে। ভিতৰত একো নেথাকিলেও কাব্যত মানুহে আনন্দ পায়। এইখিনিতে মোৰ পণ্ডিত প্ৰৱৰ তীৰ্থনাথ শৰ্মা দেৱৰ এষাৰ কথালৈ মনত পৰে "অনুভূতিৰ আধাৰ দাপোণত, সুন্দৰৰ পোহৰ মেলা-সেইয়াই হ'ল কাব্য"। এই ৰাজ্যপালৰ ভাষণখনো অনুভূতি আৰু পোহৰৰ মেলা হৈছে সেই কাৰণেই এই ভাষণক মই কাব্য বুলি ক'ব খুজিছো। আনহাতে ইয়াত এনে কিছুমান গুৰুত্বপূৰ্ণ কথা কোৱা হৈছে যে যিবোৰ বেছি ভাগেই পৰস্পৰ বিৰোধীতাৰ ভিতৰত আমাৰ যিখন বিল ইতিমধ্যে অনা হৈছে সেই খনৰ মতে আমাৰ লোকেল চেলফ্ গৰ্ভমেন্টৰ যিবোৰ সেই অনুষ্ঠান আছে সেইবিলাক ১০ বছৰলৈ চুপাৰচিট কৰি ৰাখিবৰ বাবে কোৱা হৈছে। এই খিনিতে মই এটা কথা কব বিচাৰিছো যে যোৱা মাহৰ ২য় সপ্তাহত যি বানপানী হৈছিল সেই বানপানীয়ে মোৰ সমষ্টিৰ হাজো চক্ৰৰ প্ৰায় ১৩৭ খন গাৱঁৰ ভিতৰত ১৩৩ খন বানপানীত প্লাবিত হ'ল। সেই সময়ত বান সাহায্য দিয়া হৈছিল যদিও মোৰ সমষ্টিলৈ কোনো মন্ত্ৰী যোৱা নাছিল। এদিন হঠাতে শুনিবলৈ পালো যে মোৰ সমষ্টিলৈ চি, আৰ, পি, মন্ত্ৰী গৈছে। শুনি আচৰিত হলো -চি, আৰ, পি মন্ত্ৰী কোন? লিষ্টত দেখোন তেনে মন্ত্ৰীৰ নাম নাই। পিছত জানিব পাৰিলো যে আমাৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীচিত্তৰঞ্জন পাটোৱাৰীহে গৈছিল চি, আৰ, পি মন্ত্ৰী নহয়। তাৰ পিছত গম পালো যে হাজো চক্ৰত যিবোৰ চৰকাৰী বিষয়া আছে তাত এটা কথা প্ৰচাৰ কৰা হৈছিল যে যিবোৰ অঞ্চল বা সমষ্টিত বিৰোধী পক্ষৰ বিধায়ক বা ৰাইজৰ প্ৰতিনিধি আছে তেখেতসকলৰ ঠাইত বেছি সুবিধা দিয়া নহ'ব। যিবোৰ ঠাইত কংগ্ৰেছ আইৰ প্ৰতিনিধি আছে তাতহে বেছি সা-সুবিধা দিয়া হ'ব। মই নতুন বিধায়ক হিচাবে নিজকে বেছি সাব্যস্ত কৰিব বিচৰা নাছিলো। তাৰ পিচত যেতিয়া গোটেই কথাটো তাত থকা বিষয়া সকলৰ লগত আলোচনা কৰিলো তেতিয়াহে জানিব পাৰিলো যে বিৰোধী পক্ষৰ বিধায়ক হ'লেও ৰাইজক সেৱা কৰাৰ সকলো সুবিধা পাব। এই খিনিতে আৰু এটা কথা উল্লেখ কৰিব খোজো যে মুখ্যমন্ত্ৰী মহোদয়ক কাছাৰৰ পৰা অহা বিধায়কসকলে যেতিয়া লগ কৰিছিল তেতিয়া তেওঁলোকে দাবী কৰিছিল যে আই কংগ্ৰেছৰ বিধায়কৰ দৰে যাতে তেওঁলোকেও সকলো সা-সুবিধা পায়। এইটো তেখেত সকলেও দাবী কৰিছে আৰু আমিও কৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া নিয়োগৰ কথালৈ আহো। নিয়োগৰ ক্ষেত্ৰত আমাৰ টকা নাই, চাকৰিও নাই। ইতিমধ্যে চৰকাৰে চাকৰিত সোমোৱাৰ বয়সৰ সীমা ৩০ বছৰৰ পৰা বঢ়াই ৩৬ বছৰলৈ কৰিছে। ৩৬

কিয় এই বয়স ৪০ বা তাৰ পিচত ৫০ বছৰলৈকো বৃদ্ধি কৰিব পাৰে। এই বয়স বৃদ্ধি কৰাত আনন্দ পাবলগীয়া বা আনন্দ কৰিবলগীয়া একো কথা নাই। চাকৰি নিদি বয়স বৃদ্ধি কৰাৰ যুক্তি নাই। উপাধ্যক্ষ মহোদয়, বানপানী সমস্যাৰ সম্পৰ্কত আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ দেৱে কৈছে যে মথাউৰীৰ দ্বাৰা বিশেষ কাম নহয়। আমি ড্ৰেজাৰ দি ব্ৰহ্মপুত্ৰৰ বুকু খান্দিব লাগিব। আমাৰ যিবোৰ উপনদী আছে তাৰ বুকুও বাম হৈ গৈছে- বিশেষকৈ কামৰূপ জিলাত। সেইবোৰৰ বুকুত চৰ পৰিছে সেইবোৰ খান্দিব লাগিব। সিদিনা অলপতে দুৰদৰ্শনত ব্ৰহ্মপুত্ৰৰ বুকু খণ্ডা বিষয়ে এটা আলোচনা হৈ গৈছে আৰু গড়াখহনীয়াৰ পৰা ৰেহাই পোৱাৰ কাৰণে মাষ্টাৰ প্লেন প্ৰস্তুত কৰাৰ কথাও কৈছে। আমি জানো যে ব্ৰহ্মপুত্ৰ বোৰ্ডে এই সম্পৰ্কে আঁচনি কৰি মাষ্টাৰ প্লেন কৰিছিল কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহাৰ্য্য নিদিয়াৰ বাবে কাম কৰিব পৰা নাই। মই ক'ব খোজো যে অৰ্থনৈতিক কাৰ্য্যসূচীৰ ক্ষেত্ৰত মই কব খোজো যে চৰকাৰে অৰ্থনৈতিক কাৰ্যসূচী লব লাগিব। কেনেকৈ ৰাজহ বৃদ্ধি কৰি অৰ্থনৈতিক দিশত আগবাঢ়িব পাৰিব সেই কথা চিন্তা নকৰি হাহ-কুকুৰাৰ কথাহে কৈছে। অৰ্থনৈতিক কাৰ্য্যসূচীৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণ নিমাত হৈ থাকিল।

পৰ্য্যটন বিভাগৰ ক্ষেত্ৰত মই কওঁ যে ভাষা সুললিত হৈছে শব্দ চয়ন ভাল হৈছে। ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে যে অসমৰ বিশাল সেউজ শোভা মহাবাহু ব্ৰহ্মপুত্ৰ সুউচ্চ পাহাৰৰ লানি, আপুৰুগীয়া বন্য জীৱ জন্তুৰ প্ৰাকৃতিক বিচৰণ ভূমি আৰু প্ৰাকৃতিক সৌন্দৰ্য্য যে ভৰা ঠাই সমুহ অধিক সংখ্যক পৰ্য্যটকক আকৰ্ষন কৰিব পৰাকৈ উন্নত কৰি তোলা হ'ব। মই হাজো সমষ্টিৰ পৰা অহিছো। হাজো এখন ঐতিহাসিক ঠাই, তাত হিন্দু, মুছলমান, বৌধ সকলোৰে তীৰ্থ স্থান। গতিকে তাত এটা পৰ্য্যটন নিবাস সজাৰ কাৰণে ইতিমধ্যে আঁচনি কৰা হৈছে যদিও কাম আৰম্ভ হোৱা নাই। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যে চৰকাৰে সহযোগত সোনকালে যে হাজোত পৰ্যটন নিবাসটো হয়। উপাধ্যক্ষ মহোদয়, ভূমি সংস্কাৰৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত বহুতো কথাই কৈছে। কিন্তু এই খিনিতে মই এটা কথা কব বিচাৰো যে যি সকল ৰাইজে এতিয়াও মাটিৰ পট্টা পোৱা নাই তেওঁলোকে যাতে অতি সোনকালে ম্যাদি পট্টা পাব পাৰে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰোপৰি এনে কিছুমান চাপৰি আছে যি বিলাক ইতিমধ্যে পানীত লীন হৈছে আৰু সেই বিলাকেই পুনৰ পানীৰ ওপৰত উঠি চৰ হৈছে। সেই ঠাইবোৰত বাস কৰা মানুহৰ পট্টা আছিল।

উপাধ্যক্ষ মহোদয়, প্ৰকৃততে সেই মাটিবিলাক আগতে যি বিলাক খেতিয়কে খেতি-বাতি কৰি আছিল আৰু তেওঁলোকৰ নামত ম্যাদি পট্টা আছিল

সেই খেতিয়কসকলে ব্ৰহ্মপুত্ৰৰ বানৰ খহনীয়াৰ কাৰণে সেই বিলাক মাটি এৰি আহিব লগীয়া হ'ল। তাৰ পিচত বানপানীৰ ফলত সেই মাটিবিলাকেই আকৌ চৰ হিচাবে পৰিণত হ'ল। তেতিয়া আগৰে পৰা তাত খেতি কৰা মানুহবিলাক দূৰলৈ উঠি অহাৰ অচলতে মৈমনচিং আদি ঠাইৰ পৰা বহুত মানুহ আহি সেই নতুনকৈ হোৱা চৰ চাপৰি বিলাকত খেতি-বাতি কৰিবলৈ লাগিব গ'ল আৰু ঘৰ বসতি কৰি থাকিবলৈ ধৰিলে। চৰবিলাক ওলাই পৰিল যদিও, আগৰ খিলঞ্জিয়া অসমীয়া মানুহখিনিয়ে পুনৰ সেই আগৰ ম্যাদী মাটিত খেতি কৰিবলৈ পোৱা নাই। কিয়নো ইতিমধ্যে সেইবিলাক দখল কৰি লৈছে। কিন্তু পিচৰ বাৰ বানৰ গৰাখহনীয়াৰ ফলত আকৌ সেই বিলাক ব্ৰহ্মপুত্ৰত জাহ যোৱাৰ ফলত মৈমনচিঙৰ পৰা লোকসকলো তেওঁলোকৰ দখলী মাটিৰ পৰা আঁতৰি পৰি আন ঠাইলৈ গুছি গ'ল। আৰু তাৰ পিচত আকৌ যেতিয়া বানৰ খহনীয়াৰ ফলত সেই চৰ চাপৰি বিলাক উঠি আহিল তেতিয়া যোৱা অসম গণ পৰিষদৰ দিনত কিছুমান খিলঞ্জিয়া লোকে তেওঁলোকৰ আগৰ ম্যাদি মাটি দখল কৰি খেতি কৰিবলৈ লৈছিল। কিন্তু এতিয়া শুনিবলৈ পাইছো যে বৰ্ত্তমান চৰকাৰৰ দিনত যি সকল মৈমনচিঙ লোক তাৰপৰা উচ্ছেদ হৈ গুছি গৈছিল আৰু আন ঠাইত গৈ খেতি বাতি কৰি আছিল। এতিয়া আকৌ সেই সকলেই ঘূৰি আহি খিলঞ্জিয়া লোকে বসবাস কৰি থকা সেই মাটি দখল কৰি ল'ব বিচাৰিছে। মই চৰকাৰক সাৱধান বাণী শুনাই থব বিচাৰিছো যে যদি এনেকুৱা কাৰ্য্য হয় তেতিয়াহ'লে তাত সাম্প্ৰদায়িক সংঘৰ্ষ হোৱাৰ সম্ভাৱনা আছে। গতিকে প্ৰকৃততে যি সকলৰ ম্যাদী পট্টা আছিল সেই সকলক তেওঁলোকৰ মাটি দখল দিয়াৰ ব্যৱস্থাহে যাতে কাৰ্য্যকৰী কৰা হয় তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now, Hon'ble Member, Smti. Renupama Rajkhowa.

★**শ্ৰীমতী ৰেনুপমা ৰাজখোৱাঃ** – মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীমজিবুৰ ৰহমান ডাঙৰিয়াই অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি ৰাজ্যপালৰ ভাষণৰ ক্ষেত্ৰত কিছুমান কথা সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত নাৰীৰ নিৰপত্তাৰ বিষয়ে কোনো উল্লেখ নথকাতো এটা উল্লেখযোগ্য কথা। ৰাজ্যপালৰ ভাষণত যুৱতী মহিলাসকলক শিক্ষাৰ ক্ষেত্ৰত স্বাস্থ্যৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰিছে। ইয়াৰ উপৰিও মহিলাক স্বনিয়োজন কৰাৰ কাৰণে ব্যৱস্থা লোৱাৰ কথাও উল্লেখ কৰিছে কিন্তু মহিলাৰ নিৰাপত্তাৰ বিষয়ত একো উল্লেখ কৰা দেখা পোৱা নগ'ল। দ্বিতীয়তে শিক্ষাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত যিটো

★ *Speech not corrected*

ব্যৱস্থাৰ কথা উল্লেখ কৰিছে তাতো দেখা গৈছে প্ৰাথমিক বিদ্যালয় সমূহৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে শিক্ষাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে যদিও মই সদনৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে প্ৰাথমিক বিদ্যালয় সমূহক এতিয়ালৈকে চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। তৃতীয়তে দেখা গৈছে পুৰণা কীৰ্ত্তিচিহ্ন সংৰক্ষণ কৰাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত একো উল্লেখ কৰা হোৱা নাই। এইটো বৰ পৰিতাপৰ কথা। তেনেকৈয়ে বানপানীৰ সময়ত পশুখাদ্য দিয়াৰ ক্ষেত্ৰতো দুখলগা অৱস্থা। পশু চিকিৎসালয়ৰ কথাও উচিত ভাবে নজৰ দিয়া হোৱা নাই বিশেষকৈ সিদিনাখন মন্ত্ৰী নগেন নেওগ ডাঙৰিয়া ভাষণত যোৱাৰ সময়ত তেখেতেও এই দিশত আক্ষেপ কৰিছিল। অসমৰ সম্পদৰাজি সংৰক্ষণৰ ক্ষেত্ৰত কোনো গুৰুত্বপূৰ্ণ ব্যৱস্থা নোলোৱাত অতি পৰিতাপৰ বিষয়। ইয়াৰ উল্লেখ ৰাজ্যপালৰ ভাষণত থকা উচিত আছিল যদিও আমি দেখা পোৱা নাই। বিশেষকৈ প্ৰাকৃতিক সম্পদৰে ভৰপূৰ অসমৰ সম্পদৰাজি সংৰক্ষশৰ বিষয়ে তেখেতৰ ভাষণত কোনো উল্লেখ নথকাতো অতি পৰিতাপৰ কথা দীঘলীয়াকৈ কবলৈ হ'লে বহুত সময় লাগিব। বক্তৃতা দীঘলীয়া নকৰি মই ইমানতে মোৰ বক্তৃতা সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now, Hon'ble Member, Shri Hem Prakash Narayan.

★**শ্ৰীহেম প্ৰকাশ নাৰায়ণ**–মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন জনাই ৰাজ্যপালৰ ভাষণৰ সাধাৰণ পৰ্যালোচনা দাঙি ধৰিব খুজিছো। ৰাজ্যপালৰ ভাষণত সাম্প্ৰতিক অসমৰ আটাইখিনি স্পৰ্শকাতৰ বিষয় আলোচনা কৰা হৈছে। যোৱা কেইদিন ধৰি মাননীয় সদস্যসকলে বিষয়টোৰ ওপৰত গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়াই আছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰাৰ সময়ত ভালেকেইগৰাকী মাননীয় সদস্যৰ আলোচনাত এইটো কথাই পৰিলক্ষিত হৈছে যে বৰ্ত্তমান চৰকাৰখনে দায়িত্ব ভাৰ হাতত লোৱাৰ পিছতহে যেন অসমৰ আইন শৃংখলাৰ অৱনতিৰ কথা ওলাইছে। উপাধ্যক্ষ মহোদয়, আপুনি যদি যায় তেতিয়াহ'লে দেখা যাব যে যোৱা এটা দশক ধৰি সমগ্ৰ অসমৰ জনজীৱনক বিভ্ৰান্ত কৰা হৈছে অসমৰ সমাজ জীৱন ভাঙি চুচুৰ্মৈ কৰাকৈ অসমৰ আইন শৃংখলাৰ পৰিস্থিতি অৱনতি ঘটিছে। আইন শৃংখলাৰ প্ৰশ্নটো আচলতে সমাজৰ যুগ-যুগান্তৰ ধৰি মানুহৰ জীৱনৰ মূল্যবোধ ভাঙি চুচুৰ্মে হৈ পৰিছে। জন-জীৱন, সমাজ জীৱন ভাঙি পৰিছে । আজি মানুহৰ ওপৰত থকা মানুহৰ বিশ্বাস আস্থা আৰু শ্ৰদ্ধাৰ পৰিবৰ্ত্তে মানুহ আৰু মানুহৰ মাজত সন্দেহ অবিশ্বাস আৰু ঘৃণাই ভৰি পৰিছে। আৰু তেনেকুৱা এটা পৰিস্থিতিৰ জটিলতাৰ পৰা বৰ্ত্তমান চৰকাৰে আস্থা বিশ্বাস আৰু শান্তি ঘূৰাই অনাৰ কাৰণেই যোৱা ৮ জুলাই তাৰিখে মাননীয় মুখ্যমন্ত্ৰী

★ *Speech not corrected*

মহোদয়ে এই জটিল সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত আলফাৰ দৰে সংগঠনৰ দ্বাৰা উদ্ভৱ হোৱা পৰিস্থিতিৰ সুস্থিৰ সমাধানৰ বাবে অসম ৰাজ্যখনত সুস্থ আৰু শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ ঐকান্তিকতাৰে আৰু সদিচ্ছাৰে চেষ্টা কৰিছে। আমি সকলো ব্যক্তিয়ে এই সদনৰ মাননীয় সদস্যই তৰ্ক-বিতৰ্কৰ বিষয়লৈ ৰূপান্তৰিত নকৰি চৰকাৰ পক্ষ বা বিৰোধী পক্ষ সকলো মাননীয় সদস্যই এই সমস্যাৰ সুস্থিৰ সমাধান কৰিবলৈ আগবাঢ়ি অহা উচিত হ'ব। আজি মই আপোনাৰ জৰিয়তে অসম ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা নিৰ্ব্বাচিত হৈ অহা জনপ্ৰতিনিধিসকলক আমাৰ মাননীয় সদস্যসকলক নিবেদন জনাওঁ যাতে এই বিষয়টো ব্যক্তিগত তৰ্ক বিতৰ্কৰ উৰ্দ্ধত চিন্তা কৰি চৰকাৰ বা বিৰোধী পক্ষৰ কথা চিন্তা নকৰি বিৰোধী দল কাৰণে বিৰোধীতা কৰিব লাগে কাৰণেই কেৱল বিৰোধীতা নকৰি এই জটিল সমস্যাৰ শান্তিপূৰ্ণ আৰু স্থায়ী সমাধানৰ কাৰণে সদ্ভাৱ আৰু সদিচ্ছাৰে আস্থা আৰু বিশ্বাসেৰে অসমীয়া ৰাইজৰ অসমত বসবাস কৰা সকলো ধৰণৰ জনগোষ্ঠীৰ এই সমস্যা সমূহ সমাধান কৰাৰ কাৰণে নিষ্ঠা আৰু আস্থাৰে চেষ্টা কৰিবলৈ এই সদনৰ মজিয়াত এক চিন্তাত চেষ্টা আগবঢ়াব। এই জটিল সমস্যাটোৰ বাবে এক শান্তিপূৰ্ণ স্থায়ী সমাধানৰ কাৰণে আমাৰ সুস্থ অসমীয়া সমাজখনলৈ সকলো সদস্যই যথেষ্ট চিন্তা কৰি সদস্য সমাধান কৰিব বুলি মই সদনৰ মজিয়াত দাখিল কৰিলো। মোৰ কথা কেইটা হৈছে—

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা প্ৰস্তাৱ কেইটা আলোচনা কৰিবলৈ অৱশ্যে সময় সুবিধা নহ'ব। মূল কথা কেইটাহে উল্লেখ কৰিব বিচাৰিছো। যোৱা বানপানীৰ সময়ত চৰকাৰে বেয়া চাউল দিয়া বুলি উল্লেখ কৰাত ভাল পাইছো। বানপানীৰ সমস্যাটো ১৯৫০ চনৰ আগষ্ট মাহৰ পৰা ১৯৯১ চনলৈকে অসমৰ জন-জীৱন অসমৰ সমাজ জীৱনৰ বিষয়ে এই সদনৰ মজিয়াত মাননীয় সদস্যসকলে বিভিন্ন ধৰণৰ ভাল চাউল দিয়া, বেয়া চাউল দিয়া এনেকুৱা অসহায়ৰ সময়ত কোনোবাই পইচা আদি দি জটিল সমস্যা সমাধান কৰিবৰ কাৰণে মাননীয় উপাধ্যক্ষৰ জৰিয়তে এই সদনত বিজ্ঞান সন্মত স্থায়ী সমাধান কিয় ল'ব নোৱাৰে- আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়ে এটা বলিষ্ঠ পদক্ষেপ ল'ব লাগে। বানপানীয়ে ৰাজ্যখনত বানপানীয়ে প্ৰতি বছৰে বছৰে মানুহৰ জীৱন আৰু সম্পত্তি ৰক্ষাৰ কাৰণে বলিষ্ঠ পদক্ষেপ লব আৰু বিৰোধী সদস্য সকলে সহযোগ কৰিব বুলি আশা কৰিলো। দিহিং সোৱণশিৰী নদীত বান্ধ দি বিদ্যুতৰ শক্তি ২০ হেজাৰ মেগাৱাটৰ অধিক শক্তি শালী কৰিব পাৰি। ব্ৰহ্মপুত্ৰ বান্ধে বিদ্যুত উৎপাদনত যথেষ্ট

সহায় কৰিব। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ কৰিব পাৰিলে যথেষ্টখিনি মাটি, বহুত মানুহৰ ঘৰ স্থাপন আৰু উন্নয়নৰ কাম কাজ আদি হ'ব। বানপানীৰ তান্দৱ লীলা বন্ধ হ'ব। এই বিষয়ে অৰুণাচল চৰকাৰৰ লগত আলোচনা কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব লাগে। স্পষ্ট নীতিৰ মাধ্যমেৰে অসমৰ এই সমস্যাটো সমাধান কৰিবৰ কাৰণে আইনৰ ব্যৱস্থা কৰি হলেওঁ কৰিব লাগে বুলি মই মাননীয় মুখ্যমন্ত্ৰীক এই বিষয়ে বলিষ্ঠ পদক্ষেপ লৈ সুষ্ঠভাবে সমস্যাটো সমাধান কৰিবলৈ আনুৰোধ কৰিলো আৰু মাননীয় সদস্য গগৈ ডাঙৰীয়াই মথাউৰি দিব নালাগে বুলি কৈছে- প্ৰয়োজন হ'লেই মঠাউৰি দিব লাগে। কেনেধৰণৰ মথাউৰি দিব লাগে এই বিষয়ে আমাৰ বিশেষজ্ঞ আৰু বৈজ্ঞানিক সকলে দিহা পৰামৰ্শ দি টকা পইচা খৰচ কৰি হ'লেও অসমৰ জনসাধণৰ সম্পত্তি আৰু জীৱন ৰক্ষাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। এই বিষয়ে বলিষ্ঠ পদক্ষেপ ল'বলৈ মই মাননীয় উপাধ্যক্ষৰ ওচৰত অনুৰোধ ৰাখিছো।

উদ্যোগ আৰু বাণিজ্যৰ কথা কৈছো– মাননীয় উপাধ্যক্ষ মহোদয়, ৰেলৰে বাজেটত কৰ লগাইছে। ৰেল বাজেটত খৰছ কৰিবৰ কাৰণে পইচা নাই বুলি কৈছে- এইটো হোৱাৰ পিচতহে মই ভাবো মাননীয় উপাধ্যক্ষ মহোদয় ১২ হেজাৰ ৩ শ কিলোমিটাৰ ৰাস্তাৰ কাৰণে বিজুলি শক্তিৰ প্ৰয়োজন হ'ব। অসমৰ যাতায়তৰ উন্নতি কৰিবৰ কাৰণে নগৰ বিকাশ কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে? অসমত ব্ৰডগজ ৰেল লাইন তিনিচুকিয়ালৈ বঢ়াই দিব লাগে। ব্ৰডগজ লাইনৰ কাৰণে আমাৰ ৰাইজৰ মাননীয় সদস্য সকলে বহুতবাৰ উত্থাপন কৰিছে আৰু চৰকাৰেও কৈছে এই ব্যৱস্থাটো কাৰ্য্যকৰী কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিশ্চয় বলিষ্ঠ পদক্ষেপ ল'ব বুলি আশা কৰিছো।

চাহ আৰু বিদ্যুত শক্তি কেন্দ্ৰীয় চৰকাৰৰ পৰা যি খিনি লোৱা হৈছে সেইখিনি আগবঢ়োৱা পিছত কাৰ্বি-লাংপি প্ৰজেক্ট আৰু নাগালেণ্ড প্ৰজেক্ট নাইকিয়া হৈ গৈছে। অসমত সৰু ডাঙৰ মজলীয়া সকলো বিজুলি বাতিৰ উদ্যোগ নোহোৱা হৈছে। যোৱা স্বাধীনোত্তৰ সুদীৰ্ঘ কালছোৱত দেখিবলৈ পাইছো ৩০০,৫০০ মেগাৱাট পাবলগীয়া হৈছে। আমাৰ ২৪ শৰ ঠাইত ৩৬০ মেগাৱট লাগে। হস্পিতালত বহুতো বেমাৰী চিকিৎসাধীন হৈ আছে। যি বিলাকৰ সুযোগ সুবিধা আছে নিজাববিয়াকৈ সুবিধা কৰি লৈছে। আপোনালোকে সকলোৱে জানে যে গাৱত বৈদ্যুতিকৰণ কৰা হৈছে পিছে সপ্তাহত কেবাবাৰো বিজুলি বাতি বন্ধ হৈ থাকে। বিদ্যুত শক্তি ব্যৱস্থাৰ কাৰণে যি আঁচনি লৈছে সেয়া সন্দেহ হৈছে। আমি উদ্যোগিকৰণ কৰাৰ কথা কৈছো।

বিজুলি শক্তি বৃদ্ধি তথা উন্নয়নৰ ব্যৱস্থা নোহোৱাটো নিশ্চয় গুৰুত্বপূৰ্ণ বিষয়। উপাধ্যক্ষ মহোদয়, ক'লে দুখ লাগে আজি কাৰ্বি লাংপি প্ৰজেক্ট নহ'ল। বিজুলি শক্তি বৃদ্ধি কৰিবৰ কাৰণে আৰু যি ৫০০ মেগাৱট বিজুলি শক্তি প্ৰয়োগ হ'ব তাক ৩৬০ মেগাৱটলৈ কৰিব পৰা নহ'ল তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

চাহ উদ্যোগৰ বিষয়ে য'ত কোৱা হৈছে- সদৰ কাৰ্য্যালয় অসমলৈ অনা হ'ব। বিভিন্ন ঠাইত চাহৰ কাৰ্য্যালয় বিলাকৰ অৱস্থা দুখজনক। এতিয়াও আপোনালোকক এটা কথা ক'ব বিচাৰিছো অসমৰ মাটিত উৎপাদন হয়, সেই বিলাক এমুঠি মানুহৰ হাতত গৈছে। চাহৰ সদৰ কাৰ্যালয় অসমলৈ আনিবৰ কাৰণে মই মাননীয় উপাধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো। মাননীয় সদস্য সকলে এই বিষয়ত সহায় আগবঢ়ায়। আৰু বহুত আছে উপাধ্যক্ষ মহোদয়, প্ৰাক বিশ্ববিদ্যালয় ক'ত দিছে? নিজৰ নিজৰ দায়িত্বত নিজৰ নিজৰ সুবিধামতে সমগ্ৰ অসমতে ৬ বছৰলৈ প্ৰাক প্ৰাথমিক বিদ্যালয় প্ৰজোয্য কৰা হোৱা নাই। মই ভাবো সকলো প্ৰাথমিক পৰ্য্যায়তে চৰকাৰে প্ৰাক প্ৰাথমিক শ্ৰেণীটো চলোৱাৰ কাৰণে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব বুলি মই অনুৰোধ কৰিলো।

অনুসুচিত জাতিক ঘৰ সজাই দিয়াৰ কথা কৈছে- ১০ হেজাৰ ঘৰ অনুসুচিত জাতিৰ কাৰণে ঘৰ সজাৰ কথা কৈছে কিন্তু আগতে যি বোৰ ঘৰ সজোৱা হ'ল সেইবোৰ ১ বছৰ বা ৬ মাহৰ ভিতৰত ভাগিছিগি গ'ল আৰু মানুহ থকাৰ উপযোগী নহয়। বৰ্ত্তমান মানুহৰ ঘৰ বিলাক জাৰ্চিগাই থোৱাও অনুপযোগী। ইমানবোৰ ঘৰ নসজাই ১০ হেজাৰৰ ঠাইত ৫ হেজাৰ মান ঘৰ সাজি মানুহ থকাৰ উপযোগী কৰক। ইয়াৰ আগতে মই আপোনাৰ জৰিয়তে মুখ্য মন্ত্ৰী মহোদয়ক কওঁ যে এই ঘৰ সজা নীতি বদলি কৰক। উপাধ্যক্ষ মহোদয়, আলোচনা বহুতো আছিল। সময়ৰ অভাৱত মই ইমানতে সামৰণি মাৰিলো।

**Mr Deputy Speaker : Please be brief. There are other Hon'ble Members also. Now Hon'ble Member Shri Asahaque Ali will speak.**

**★ শ্ৰীএচাহক আলী** :- উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত মিশ্ৰ প্ৰতিক্ৰিয়া পৰিলক্ষিত হৈছে। যি খিনি ভাল কথা কৈছে সেইখিনি আমি আদৰেৰে গ্ৰহণ কৰিছোঁ, আৰু বেয়া কথাখিনি আমি মানি ল'ব পৰা নাই। বিশেষকৈ ৰাজ্যপালৰ ভাষণত আমাৰ চৰ অঞ্চলত জীৱন যাপন কৰা লোকসকলৰ কথা বাদ পৰি গৈছে। কিন্তু এই খিনিতে কেইটামান বিষয়ত ৰাজ্যপালক ধন্যবাদ দিব

---

★ *Speech not corrected*

বিচাৰিছোঁ, এইটো হৈছে যোৱা বহুত বছৰ ধৰি চৰ অঞ্চলৰ মানুহৰ মাটিৰ পট্টা নাছিল, সেই মানুহখিনিক পট্টা দিয়াৰ কাৰণে ৰাজ্যপালৰ ভাষণত প্ৰতিশ্ৰুতি দিয়া হৈছে। জন সংখ্যাৰ ভিত্তিত চাকৰি দিয়াৰ যি ব্যৱস্থাৰ কথা কৈছে, আইন প্ৰণয়ণ কৰাৰ কথা কৈছে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে এটা কথাৰ প্ৰতি মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ যে মে' মাহৰ ১৫ তাৰিখৰ পৰা ২০ তাৰিখলৈ পুলিচ বিভাগত মানুহ লোৱা হৈছিল। তাত সংখ্যা লঘু মানুহৰ আবন্টন হোৱা নাই। এইটো অন্যায় কেনেকৈ হ'বলৈ পাইছে? তাৰ প্ৰতিকাৰ কৰি নিয়োগ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা হৈছে, সংখ্যা লঘুৰ এখন উন্নয়ণ পৰিষদ আছিল, সেইখন সংখ্যা লঘুৰ আয়োগলৈ উন্নিত কৰা হ'ব। সেইটো কৰিলেই যথেষ্ঠ নহ'ব, যদি তাত ষ্টেটিউটৰী পাৱাৰ দিয়া নহয়। ষ্টেটিউটৰী পাৱাৰ দিয়াৰ কাৰণে মই আবেদন জনালোঁ। আন এটা কথা হৈছে চৰ অঞ্চলত বাস কৰা শতকৰা ৯ ভাগ লোকৰ খেতি- বাতি নাই। প্ৰতি বছৰে বাৰিষাকালত বানপানীয়ে হয় বেয়াকৈ ক্ষতি কৰে নহয় খৰালিকালত বিস্তৰ ভাবে খেতি নষ্ট হয়। বৰ্ত্তমান চৰ অঞ্চলত যি পদ্ধতিৰে খেতি-বাতি কৰা হৈ আছে সেই পদ্ধতিৰ আমুল পৰিবৰ্তন কৰিব লাগে। তাৰ কাৰণে পানী যোগান নিয়মীয়া হ'ব লাগে চৰ অঞ্চলৰ মানুহবোৰে ৰিক্সা, ঠেলা চলাই জীৱন যাপন কৰাৰ বাহিৰে আন উপায় নাই। গতিকে মই অনুৰোধ ৰাখিছো সেই অঞ্চলৰ মাটিৰ গুণা-গুণ পৰীক্ষা কৰি কোন মাটিত কিমান সাৰ প্ৰয়োগ কৰিব পাৰি তাক নিৰ্দ্ধাৰণ কৰি, বৈজ্ঞানিক পদ্ধতিৰে পানী যোগান ধাৰাৰ ব্যৱস্থা কৰিব লাগে।

চৰ অঞ্চলবোৰত মৰাপাটৰ খেতি ভাল হয়, এই খেতিৰ কাৰণে উন্নত পদ্ধিতিৰ ব্যৱস্থা হ'ব লাগে। গড়াখহনীয়াৰ আন এটা ডাঙৰ সমস্যা হৈ পৰিছে। ইয়াৰ প্ৰতিৰোধৰ বাবেও চৰকাৰে চকু দিব লাগে। এই খিনিতে এটা বিশেষ কথা মই কব খুজিছোঁ যে বিগত ১৯৮৩ চনত কটন কলেজত বা মাৰলি সদৃশ যি হত্যাকাণ্ড হৈ গ'ল আৰু সেই হত্যাকাণ্ডৰ ফলত সংঘটিত হোৱা ক্ষতিগ্ৰস্ত পৰিয়ালৰ লোকক শ্বহীদ বুলি ঘোষণা কৰি পাঁচ হেজাৰকৈ যি টকা দিয়াৰ কথা আছিল সেই ক্ষতিপূৰণ দিব লাগে। এই বিশেষ বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মই সামৰণি মাৰিলোঁ।

**Mr Deputy Speaker :** Your allotted time is over. There are other member also. Please take your seat. Now Hon'ble member Shri Nagen Sharma.

**★শ্ৰীনগেন শৰ্মা**- মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য মজিবুদ্দিন ডাঙৰীয়াৰ

★ *Speech not corrected*

ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰ কবলৈ ওলাইছোঁ।

আইন-শৃংখলাৰ সম্পৰ্কত কবলৈ একো নাই, কাৰণ এইখন চৰকাৰে নিজেই নিৰাপট্টাহীনতাত ভোগিছে, নিজকে ৰক্ষণা-বেক্ষণ দিব পৰা নাই, তেনে ক্ষেত্ৰত সাধৰণ ৰাইজক ৰক্ষণা-বেক্ষণ দিয়াটো টান হৈ পৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত আমি কেইটামান কথা বিশেষভাবে লক্ষ্য কৰিছোঁ যে আইন শৃংখলাৰ নামত যিবিলাক কথা কোৱা হৈছে সঁচাকৈয়ে যদি আইন-শৃংখলা ৰক্ষা কৰিব লগা হয়, ৰাজ্য এখনত শান্তি বিৰাজ কৰিব লগা হয় তেন্তে সকলোৰে সদিচ্ছাৰ প্ৰয়োজন হ'ব। আজি ৰাজ্যখনত যি বিলাক সমস্যা বড়োলেণ্ডৰ সমস্যা, কাৰ্বি আংলঙ সমস্যা, আলফাৰ সমস্যা এইবিলাক কেন্দ্ৰীয় চৰকাৰেহে সমাধান কৰিব লাগিব, ৰাজ্য চৰকাৰৰ হাতত কোনো সাংবিধানিক ক্ষমতা নাই। আইন-শংখলাৰ বিষয়টো ৰাজনৈতিক সমস্যা হিচাবে লব লাগিব আৰু ৰাজ্য চৰকাৰে সুস্পষ্ট প্ৰস্তাৱ লৈ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাত মিলিত হ'ব লাগিব। কিন্তু ৰাজ্যপালৰ ভাষণত তেনে কোনো প্ৰক্ৰিয়া দেখা পোৱা নগ'ল।

শিক্ষাৰ ক্ষেত্ৰত কেইবাটাও প্ৰস্তাৱ দাঙি ধৰা আমি লক্ষ্য কৰিছো। অসমখন শিক্ষাৰ ক্ষেত্ৰত আজিও আন ৰাজ্যৰ তুলনাত পিছপৰি আছে। কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত আজিও আমি অগ্ৰগতি কৰিব পৰা নাই। আজি অসমত পলিষ্টাৰ পেট্ৰোলিয়াম আদিৰ কোনো কাৰিকৰী শিক্ষানুস্থান নাই। কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই। বস্ত্ৰশিল্প, টেকনোলোজি আদি পাঠ্যক্ৰম বিশ্ববিদ্যালয় পৰ্যায়ত আনিব লাগে প্ৰথমিক শিক্ষানুষ্ঠান সমূহ আজিও ভাল হৈ নুঠাতো দুৰ্ভগ্যজনক কথা। গণ পৰিষদ চৰকাৰৰ দিনত ইয়াৰ এটা আমূল পৰিবৰ্ত্তন আনিব বিছৰা হৈছিল যদিও তাকৰীয়া সময় আৰু ভবামতে সকলোখিনি হৈ নুঠিব। প্ৰাথমিক স্কুল সমূহত ৫ জনীয়া শিক্ষক কৰিব বিছৰা হৈছিল যদিও আগৰ চৰকাৰৰ দিনৰ এজনীয়া স্কুল বিলাকৰ ঠাইত দুজনীয়া শিক্ষকহে কৰিব পৰা হ'ল। গতিকে এই শিক্ষানুস্থান সমূহত আমি বেছি জোৰ নিদিলে আমি উচ্চ পৰ্য্যায়ৰ শিক্ষানুস্থান বিশেষ কোনো আশানুৰূপ ফল দেখুৱাব নোৱাৰিম। (সময়ৰ সংকেট)

অসমৰ জলন্ত সমস্যা হৈছেবানপানী সমস্যা। বানপানী সমস্যা সমাধান কৰিব নোৱাৰিলে অসমৰ অৰ্থনৈতিক উন্নয়ন কোনো ক্ষেত্ৰতে সম্ভবপৰ নহয়। এই বানপানী নিয়ন্ত্ৰণৰ কাৰণে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰন বৰ্ডে ১০০ কোটি টকাৰ এখন মাষ্টাৰপ্লেন তৈয়াৰ কৰিছে। অশেষ চেষ্টাৰ পিছতো এই মাষ্টাৰ প্লেনক কাৰ্যকাৰী কৰিব পৰা নাই অৰ্থৰ কাৰণে । এতিয়া কংগ্ৰেছ আই চৰকাৰে যিহেতু কেন্দ্ৰতো একেদলৰে চৰকাৰ আছে কেন্দ্ৰীয় চৰকাৰৰ লগতে যোগাযোগ কৰি এই মাষ্টাৰপ্লেনখন কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। ৰাজ্যপালৰ ভাষণত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ বা বান নিয়ন্ত্ৰণৰ কোনো নতুন আঁচনি দেখা নাই। গতিকে এই

বিষয়টো চৰকাৰে নতুনকৈ চিন্তা কৰিব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★**শ্ৰীমতী ৰূপম কুৰ্ম্মীঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমজিবুৰ ৰহমান ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ দাঙি ধৰিছে তাক মই আন্তৰিকতাৰে সমৰ্থন জনাইছো। ৰাজ্যপালৰ ভাষণত মহিলা আৰু শিশুসকলৰ বিষয়ে উল্লেখ কৰা হৈছে। এই মহিলা আৰু শিশুসকলৰ কাৰণে কেইটামান প্ৰস্তাৱ কৰা হৈছে আৰু আঁচনিও কাৰ্য্যকৰী কৰিব বুলি আশা কৰিছো। ৰাজ্যপালৰ ভাষণত চাকৰী আদিৰ ক্ষেত্ৰত শতকৰা ৩০ ভাগ সংৰক্ষনৰ প্ৰস্তাৱ কৰিছে শিক্ষাৰ ক্ষেত্ৰত শতকৰা ২৫ ভাগ সংৰক্ষন কৰাৰ কথা উল্লেখ কৰিছে। আনহাতে আমাৰ যিবিলাক বাগানৰ প্ৰাইমাৰী স্কুল আছে তাত যি বিলাক দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা আছিল যোৱা বছৰত এজিপি চৰকাৰৰ দিনত তাক বন্ধ কৰি ৰখা হৈছিল এতিয়া সেই আঁচনি পুনৰ প্ৰবৰ্ত্তনৰ ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। লগতে চাহ বাগিছাৰ যিবিলাক শিক্ষিত মহিলা মেট্ৰিকপাছ বা আন্দাৰ মেট্ৰিক আছে তেওঁলোকক নাৰ্চ পঢ়াৰ সুবিধা দিয়াৰ কথা কৈছে। তেওঁলোকে নাৰ্চ পাছ কৰাৰ পাছত বাগান সমূহত যিবিলাক হস্পিটাল আছে সেইবিলাকতে নিয়োগ কৰা হ'ব। আনহাতে বাগানবিলাকত যি বিলাক প্ৰশিক্ষন কেন্দ্ৰৰ ব্যৱস্থা সেইবিলাকক শক্তিশালী কৰাৰ কথাও কৈছে। ইয়াৰ দ্বাৰা মহিলা সকলৰ দৈনন্দিন জীৱনত বহুতো সুবিধা হ'ব তেওঁলোকে নিজকে উপযোগী কৰি তুলিব পাৰিব। তেওঁলোকে নিজৰ ঘৰতে থাকি চেনি, তাতশাল আদি শিকিব পাৰিব। ইয়াৰ দ্বাৰা মহিলাসকলে উচ্চ শিক্ষাৰ ফালে আগবাঢ়ি যাব পাৰে।

**(Hon'ble Dy. Speaker was in the chair and then Hon'ble Speaker occupied the chair)**

এই খিনিতে মই এটা কথা কব লাগিব বানপানীৰ সময়ত আমাৰ দলৰ ফালৰ পৰা মহিলাসকলে যথেষ্ট কৰিছে। আমাৰ মাননীয় সদস্যা শ্ৰীমতী ৰেনুপমা ৰাজখোৱাই বানপানীৰ সময়ত বয় বস্তু সমবিতৰণ কৰা নাই বুলি যি অভিযোগ আনিছে সেই অভিযোগ সত্য নহয়। মই নিজে আমাৰ মন্ত্ৰী মাননীয় শ্ৰীনগেন নেওগ ডাঙৰীয়াৰ লগত বানপানীৰ সময়ত ঘুৰি ফুৰিছো। বিভিন্ন ঠাইত সকলোকে সকলো ধৰণৰ সা-সুবিধা পোৱা বুলি কৈছে। দুই এঠাইত বেমাৰ জ্বৰ আদি হৈছিল। আমি ভাল ডাক্তৰ পঠিয়াইছো আৰু দৰ্কাৰ হ'লে গাড়ীৰে হস্পিটাললৈ নিয়াৰ ব্যৱস্থা কৰিছো। কিছুমান কেম্পত বিজুলি বাতি আছিল যদিও কেৰাচিন তেল লাগে বুলি কোৱাত আমি ৰূমে ৰূমে এপোৱাকৈ কেৰাচিন তেল দিয়াৰো ব্যৱস্থা কৰিছো। গতিকে তেখেতে সা-সুবিধা পোৱা নাই বুলি যি অভিমত বাখ্যা কৰিছে তাত মই একমত নহয় অৰ্থাৎ দ্বিমত আছে।

★ *Speech not corrected*

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা হ'ল ইণ্ডাষ্টি এক্টৰ কথা। এই ইণ্ডাষ্টি এক্টটোৱে ২০ বছৰৰ পৰাই অসমত কাম কৰি আছে অহা ৬ তাৰিখত ডিব্রুগড় জিলাত আমাৰ এচোচিয়েচনৰ মিটিঙ আছে। তাত কিছুমান সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। পিচত আমি এই সিদ্ধান্তৰ কথা চৰকাৰক অৱগত কৰাম। আজি আমাৰ যি বিলাক অসুবিধা আছে সেইবিলাক আমি নিশ্চয় দূৰ কৰিব পাৰিম। তেওঁলোক লাভবান হোৱাটো নিশ্চয় চৰকাৰে বিচাৰিব। এনেকুৱা কিছুমান দাবী আছে যে বাগানত যিবিলাক অশিক্ষিত লোক, যিবিলাকে কম লিখা পঢ়া কৰিছে, যিবিলাকে চিক্স, চেভেন বা এইট আদি শ্ৰেণীলৈ পঢ়িছে তেওঁলোকক স্বাক্ষৰ কৰিবৰ কাৰণে চেষ্টা কৰা হ'ব। এওঁবিলাকক 'গ্ৰেষ্ট হাউচ'লৈ নি নিশ্চয় শিক্ষা দিব পৰা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰত্যেক বাগানতে মহিলাৰ কমিটি আছে। এই কমিটি বিলাক আমি পঞ্জীভূক্ত কৰিম। আৰু তেতিয়াহ'লে আমাৰ যিবিলাক দাবী আছে সেইবিলাক সমাধান কৰাত সহায় হ'ব। নিবনুৱা মহিলা সকলক কিছু সংস্থাপন দিয়াত সুবিধা হ'ব। লগতে আমাৰ বিধৱা সকলক পেঞ্চন মতে দিব পাৰে তাৰ কাৰণে চেষ্টা কৰা হ'ব। আমাৰ ৰাজ্যপালৰ ভাষণত উল্লেখ আছে গৰ্ভৱতী সকলক বিনামূলিয়াকৈ চিকিৎসা প্ৰদান কৰা। এই বিলাক কাৰ্য্যকৰী হোৱা নাই। আমাৰ ৰাজ্যখনত বহুতো অশিক্ষিত মহিলা আছে, জনজাতি মহিলা আছে, চাহ মজদুৰ আছে। তেখেতসকলৰ আগত এই বিলাক কথা প্ৰচাৰ কৰা হ'লে বহুতো লাভবান হ'ম। ৰাজ্যপালৰ ভাষণত আছে এইবিলাক কথা, তাক আমি মানি লৈছো। এই বিষয়ে আৰু বিশেষ কব নোখোজো।

মাননীয় অধ্যক্ষ মহোদয়, আমাক ৰাইজে বহুতো আশাৰে এই বিধান সভালৈ পঠিয়াইছে। আজি যিবিলাক লিলাখেলা দেখিছো সঁচাকৈয়ে দুখ লাগে। আমি সকলোৱে আজি ভাই ভাই হিচাপে কাম কৰি দেশখনক আগুৱাই লৈ যাবলৈ চেষ্টা কৰা উচিত। যি বিলাক আলোচনা কৰিলে আমি উপকৃত হ'ম সেই বিলাক আলোচনাক প্ৰাধান্য দিয়াটো উচিত।

শেষত ৰাজ্যপালৰ ভাষণখন সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

★**Shri Dewan Jaynal Abedin :** Mr. Speaker, Sir, before you pass on to the next hon'ble. member I would like to mention that since we are not represented in the Business Advisory Committee, I am to make an important suggestion. Sir, we gather here spending public money to discuss urgent matters of the States. The present session is a very short one. It is going to be over tomorrow and we have many other matters to be discussed. In view of this you may kindly consider if the hours of deliberations in the House can be extended today or by few hours tomorrow.

★ *Speech not corrected*

★**শ্ৰীজয়নাথ শৰ্মা ঃ**– মাননীয় অধ্যক্ষ মহোদয়, আমি বহুতো মেম্বাৰ আহিছো। নতুন মেম্বাৰসকলে মনৰ কথাখিনি কবৰ কাৰণে ইচ্ছুক। মই চিক্রেটচটিংৰ কাৰণে নটিচ দিছিলো। সেই সম্পৰ্কে সিদ্ধান্ত ললে ভাল পাম। ৰাজ্যপালৰ ভাষণৰ ওপৰত খৰচি মাৰি গোটেই কথাখিনি যাতে আলোচনা কৰিব পাৰি তাৰ কাৰণে সদনত কিছু সময় বঢ়াই দিলে ভাল পাম।

(Many hon'ble members rose to speak)

**Mr. Speaker :** I will look into this. Now. Shri Milan Ch. Boro

★**শ্ৰীমিলন চন্দ্ৰ বড়ো ঃ**– মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মই এটা কথা কব বিচাৰিছো সেইটো শিক্ষা সমস্যা। অসমত প্ৰাইমেৰী স্তৰত বড়ো মাধ্যমৰ শিক্ষা আছে, তেওঁলোকে বড়ো মাধ্যমত পঢ়ে আৰু মেট্ৰিক পাচ কৰাৰ পিচত অৰ্থাৎ ল'ৰা-ছোৱালী বিলাকে কলেজত সেই শিক্ষা লাভ কৰিব নোৱাৰে।

**Mr. Speaker :** It is now. 1.30.P.M. Hon'ble member will resume his speech tomorrow. Now I have an announcement to make.

Today in the House Hon'ble Member, Shri Zoii Nath Sarma while submitting a petition under Rule 113 of Rules of Procedure and Conduct of Business in Assam Legislative Assembly while reading the petition brought the attention of the House to the visitors's gallery. This has been done against the procedure and precedence of this house. I hereby expunge portion of the speech of the Hon'ble Member which centres round pointing out to the girls sitting in the visitor's gallery.

Now, the House stands adjourned till 9.00 A.M. tomorrow, the 6th August, 1991.

## ADJOURNMENT

The House rose at 1.30 P.M. and stood adjourned till 9A.M tomorrow, the 6th August 1991.

Dispur
The 5th August, 1991.

*S. N. Deka*
Secretary,
Assam Legislative Assembly